# Assam Legislative Assembly Debates

## *OFFICIAL REPORT*

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER, THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**THIRDSESSION**

**VOL. III**

No. 10

**The 15th September, 1983**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI DISPUR, GUWAHATI-5, 1990*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

( *Third Session* )

Vol. III

No. 10

**Dated the 15 September, 1983**

Contents


| | | Page |
|---|---|---|
| 1. | Questions | 1 |
| 2. | Voting on Demands for Grants | 30 |
| 3. | The Assam Appropriation ( No. II ) Bill, 1983. | 93 |
| 4. | Statement by Minister | 115 |
| 5. | Calling Attention Notice | 116 |
| 6. | Matter Under Rule 301 | 117 |
| 7. | Adjournment | 122 |

Proceedings of the Third Session of the Assam Legislative Assembly assembled after the Seventh General Elections under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Thurday the 15th September, 1983 with the Hon. Speaker in the Chair, 17 ( Seventeen ) Ministers, 6 ( Six ) Ministers of State, 1 (One) Parliamentary Secretary, 4 ( Four ) Deputy Ministers, and 66 ( Sixty six ) Members present.

## STARRED
## QUESTIONS AND ANSWERS

( Starred Question No.87 was not put and answered as the Hon'ble Member was absent. )

বি : অসম মেঘালয় সীমা সম্পৰ্কে আলোচনা

শ্ৰীজগত পাটগিৰিয়ে সুধিছে :

*৮৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৩ চনৰ যোৱা ৯ আৰু ১৯ আগষ্টত মুখ্য সচিব পৰ্য্যায়ত অসম আৰু

মেঘালয় চৰকাৰে যুটীয়াভাৱে দুয়ো ৰাজ্যৰ সীমা নিৰ্দ্ধাৰণ সম্পৰ্কে আলোচনা কৰিছিল নেকি ?

(খ) যদি কৰিছিল সেই আলোচনাৰ সিদ্ধান্ত কি আছিল, জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

৮৮। (ক) – যোৱা ২৬।৫।৮৩ তাৰিখৰ অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী পৰ্য্যায়ত হোৱা আলোচনাৰ সিদ্ধান্ত অনুসৰি উভয় ৰাজ্যৰ মুখ্য সচিবক লৈ গঠিত হোৱা যুটীয়া চৰকাৰী কমিটিৰ বৈঠক যোৱা ২।৭।৮৩, ২২।৭।৮৩ আৰু ৫।৮।৮৩ তাৰিখে চিলংত হৈ যায়। প্ৰশ্নত উল্লেখিত ৯।৮।৮৩ তাৰিখত যুটীয়া বৈঠক হোৱা নাছিল।

উক্ত আলোচনা পুনৰ ১৯।৮।৮৩ তাৰিখে হোৱাৰ কথা আছিল যদিও মেঘালয় চৰকাৰৰ অনুৰোধ ক্ৰমে স্থগিত ৰখা হয় পুনৰ আলোচনাৰ দিন বৰ্ত্তমানলৈকে স্থিৰ কৰা হোৱা নাই।

(খ) উক্ত আলোচনাত নিম্নোক্ত সিদ্ধান্ত সমূহ লোৱা হয়। অসমৰ গোৱালপাৰা, কাৰ্বি আংলং আৰু মেঘালয়ৰ গাৰো পাহাৰ, জয়ন্তীয়া পাহাৰ আৰু পূৱ খাছী জিলাৰ সীমান্তৱৰ্ত্তী অঞ্চল সমূহৰ সীমা সম্পৰ্কীয় মতানৈক্য বোৰ দূৰীকৰণাৰ্থে দুয়ো ৰাজ্যৰ জৰীপ বিভাগক যুটীয়া ভাবে জৰীপৰ কাম আৰম্ভ কৰিবলৈ দায়িত্ব দিয়া হয়।

অসমৰ কাছাৰ জিলা আৰু মেঘালয়ৰ জয়ন্তীয়া পাহাৰ জিলাৰ সীমা নিৰ্দ্ধাৰণ কৰিবৰ বাবে প্ৰয়োজনীয় মান-চিত্ৰ আৰু তথ্যাদি বিশ্লেষণ কৰিবলৈ দুয়োখন ৰাজ্যৰ জৰীপ বিভাগৰ প্ৰতিনিধি, মুখ্য বন বিষয়া আৰু ভাৰতীয় জৰীপ বিভাগৰ এজন প্ৰতিনিধিক লৈ এখন কাৰিকৰী কমিটি গঠন কৰিবলৈ সিদ্ধান্ত লোৱা হয়। এই কমিটিয়ে যুটীয়া কমিটিৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব।

এই সম্পৰ্কত চূড়ান্ত সিদ্ধান্ত নোহোৱালৈকে মধ্যকালীন ব্যৱস্থা হিচাবে দুয়ো ৰাজ্যৰ সংশ্লিষ্ট বিষয়া বৰ্গক সীমান্তত শান্তি আৰু শৃংখলা অটুত ৰাখিবলৈ নিৰ্দ্দেশ দিয়াৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ উপৰিও সীমান্তত

কোনো নিৰ্দিষ্ট ঘটনা থাকিলে বা ঘটিলে উভয় ৰাজ্যৰ বিষয়াৰ মাজত আলোচনাৰ মাধ্যমৰে সমাধান কৰিবলৈ নিৰ্দেশ দিয়াৰ সিদ্ধান্ত লোৱা হয়।

শ্ৰীজগত পাটগিৰি—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই দুয়োখন ৰাজ্যৰ মাজত বুজাপৰাৰ কাৰণে কিছুমান এলেকাত এৰাধৰাৰ মাজেদি নিষ্পত্তি কৰিবৰ কাৰণে সিদ্ধান্ত লৈছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—এৰা ধৰাৰ মাজেদিয়েই নিশ্চয় নিষ্পত্তি কৰিব লাগিব।

শ্ৰীজগত পাটগিৰি—দক্ষিণ গোৱালপাৰাৰ কিছুমান এলেকাত এনেধৰণৰ এৰা-ধৰাৰ মাজেদি নিষ্পত্তি কৰিবলৈ বিচাৰিছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—এতিয়া ইয়াৰ জৰীপ কাৰ্য চলি আছে। জৰীপ শেষ হোৱাৰ পিচতেইহে চাব পৰা হব।

শ্ৰীজগত পাটগিৰি—মোৰ এটা প্ৰশ্ন হ'ল ১৯৭৪ চনতে মেঘালয়ৰ মানুহে ব্ৰহ্মপুত্ৰলৈকে সীমা বিচাৰিছে। তেতিয়া কিছুমান গণ্ডগোলও হৈছিল আৰু সীমাত যিবিলাক খুটা আছিল সেইবিলাক ঠেলি ঠেলি আমাৰ অসমৰ ফালে লৈ আহিছিল। আমাৰ এইফালে যথেষ্ট বিটও পাতিছে। তাত যথেষ্ট অফিচ আছে আৰু টিনপাত বিলাক তুলি তুলি নিছে বুলি শুনিবলৈ পাইছো। এই সম্পৰ্কে কলে ভাল হয়।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—গোটেই বিষয়টোৱেই বুজাপৰাৰ মাজেদি নিষ্পত্তি কৰিবলৈ বিচৰা হৈছে। এতিয়া আমাৰ মুখ্যমন্ত্ৰী আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ মাজত সিদ্ধান্ত হৈছিল আৰু সেইমতে আমাৰ যিবিলাক এই ক্ষেত্ৰত যাবতীয় ৰিলিভেণ্ট ডকুমেণ্টচ্, স্থানীয় ব্যৱস্থা আৰু ভৌগলিক অৱস্থা এই সকলো বিলাক কথা আলোচনা বিলোচনা হৈ আছে। দুয়োখন ৰাজ্যকে জৰীপ কৰিবলৈ দিয়া হৈছে আৰু প্ৰয়োজন অনুসাৰে কেন্দ্ৰীয় চৰকাৰৰ চাৰ্ভে অৱ ইণ্ডিয়াৰ দ্বাৰাও এই ক্ষেত্ৰত কাম কৰি থকা হৈছে। এতিয়া আমি গোটেই সীমা পৰিস্থিতি বা সেই সম্পৰ্কে

যিবিলাকে কাম কৰিব লাগিব সেইটো এতিয়াই কোৱা টান। তাবো-পৰি খ্ৰীমামুৰীয়া অঞ্চল বিলাকত অশান্তি হয়েই। গোৱালপাৰাত অশান্তি নোহোৱা নহয়। ঠাই বিশেষে তেনেধৰণৰ অশান্তি কোনো কোনো ঠাইত হৈছিল। টিনপাত নিয়াৰ কথাবাৰ তদন্ত কৰিব লাগিব। দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ বুজাপৰাৰ মাজেদি ইয়াৰ এটা সমাধান উলিয়াবলৈ বিচৰা হৈছে যদিও এতিয়াও কোনো সিদ্ধান্ত হোৱা নাই।

শ্ৰীহৰেণ তালুকদাৰ—মুখ্যমন্ত্ৰী মহোদয়ে জানে নেকি যে দক্ষিণ কামৰূপত মাননীয় সদস্য পাটগিৰি ডাঙৰীয়াই কোৱাৰ দৰে গণ্ডগোল হৈছে। আৰু সেই সীমাত থকা শিলৰ খুটা ঠেলি ঠেলি আনি অসমৰ সীমাৰ ফালে আগবঢ়াই আনিছে। ঠিক তেনেকৈ বকো, ছয়গাওঁতো সীমা ঠেলি ঠেলি আনি আছে। এই বিষয়ে যদি মন্ত্ৰী মহোদয়ে জানে তাৰ কিবা তদন্ত ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মই আগতে গৃহমন্ত্ৰী হৈ থকা সময়তে এনে ধৰণৰ ঘটনা ঘটিছিল, মাননীয় সদস্যই কোৱাৰ দৰে এইবিষয়ে তদন্ত কৰিম। আৰু এইবিষয়ে মেঘালয় চৰকাৰক জনাম।

শ্ৰীচিল্‌বেৰিয়াচ কন্দপান—অসম মেঘালয় লেখীয়া এনে ধৰণৰ সমস্যা বাকী বিলাক ৰাজ্যৰ লগতো আছে নেকি? যদি আছে ইয়াৰ কিবা ব্যৱস্থা হৈছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—যিহেতু অসমৰ পৰাই বাকী বিলাক ৰাজ্যৰ সৃষ্টি হ'ল তেনেক্ষেত্ৰত এই গোটেইবিলাক ৰাজ্যৰ সীমাৰ সমস্যাও হৈ আছে। যদিও ইতিমধ্যে নগালেণ্ড, মিজোৰাম, অৰুণাচল ইত্যাদি ৰাজ্য-বিলাকৰ লগত বুজাপৰাৰ মনোভাব বহুতখিনি আগবাঢ়িছে। যোৱা ৬ মাহৰ ভিতৰত কোনো অবাঞ্ছিত ঘটনা তাত হোৱা নাই। সকলো মুখ্যমন্ত্ৰীকে লগ ধৰা হৈছে আৰু গোটেইবিলাক কথা সহনশীলতাৰে কাম আৰম্ভ কৰা হৈছে।

শ্ৰীজগত পাটগিৰি—মুখ্যমন্ত্ৰী ডাঙৰীয়াই এৰাধৰাৰ মাজেদি বুজাপৰা হব লাগে বুলি কৈছে কিন্তু নগালেণ্ড চৰকাৰে হোৱাৰ পিচত ডিমাপুৰত অশান্তিৰ সৃষ্টি হয় আৰু অসমৰ ভালেখিনি ক্ষতি হয়। তেনেক্ষেত্ৰত এনেধৰণৰ বুজাপৰাই কৰিব খুজিছে নেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—তেনেধৰণে নহয়।

বি: বড়ো মাধ্যমৰ শিক্ষক।

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

৮৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৮০ চনত ৰাজ্যত বড়ো মাধ্যমৰ বাবে মঞ্জুৰ কৰা শিক্ষকৰ পদৰ সংখ্যা কিমান?

(খ) উক্ত শিক্ষকৰ পদ সমূহ পৰিকল্পনাৰ পৰা স্বাভাৱিক নকৰাৰ ফলত শিক্ষক সকলে প্ৰতিমাহে দৰমহা পোৱাৰ পৰিবৰ্ত্তে ৬ মাহ পৰ্য্যন্ত বাট চাবলগীয়া হোৱা অৱস্থা সম্পৰ্কে চৰকাৰে জানেনে?

(গ) যদি জানে, এই অসুবিধা দূৰ কৰাৰ ব্যৱস্থা কৰা হৈছেনে?

শ্ৰীমুকুট শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৮৯ (ক) ১৯৮০ চনত বড়ো মাধ্যমৰ বাবে মাধ্যমিক পৰ্য্যায়ৰ ৪৫০ টা পদ (৩০০ টা পদ বড়ো শিক্ষকৰ বাবে আৰু ১৫০ টা পদ বড়ো জনা হিন্দি শিক্ষকৰ বাবে) আৰু প্ৰাথমিক পৰ্য্যায়ৰ ৩০০ টা পদৰ মঞ্জুৰী দিয়া হয়।

(খ) আৰু (গ)—উপৰুক্ত পদ সমূহ ষষ্ঠ পৰিকল্পনাৰ কালৰ ভিতৰত মঞ্জুৰ হোৱা বাবে পৰিকল্পনা অন্ত নোহোৱা পৰ্য্যন্ত স্বাভাৱিকৰণ সম্ভৱপৰ নহয়, এই পদ সমূহ স্বাভাৱিক নকৰাৰ বাবে দৰমহা পোৱাত পলম হোৱাৰ কাৰণ নাই।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে দৰমহা পোৱাত পলম হোৱা নাই। কিন্তু দৰমহা পোৱাত পলম হৈয়ে আছে। পৰিক-ল্পনাৰ ভিতৰত থকাৰ কাৰণে ৬ মাহ পৰ্য্যন্ত শেষ হয় দৰমহা নাপায়। অকল বড়ো মাধ্যমতে নহয় অসমীয়া মাধ্যমতো এনে সমস্যা হৈ আছে। ইয়াৰ কাৰণতো মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, পৰিকল্পনাৰ ভিতৰত থকাৰ কাৰণে দৰমহা নোপোৱা নহয়। তাৰ কাৰণ এই যে লেটাৰ অব ক্ৰেডিট আহোতে পলম হয় বাবে কেতিয়াবা দুমাহ এমাহ দৰমহা পোৱাত দেৰি হয়।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, দুমাহ এমাহ কিয়, ছয়মাহলৈকে পলম হয়, ইয়াৰ কাৰণ কি ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে লেটাৰ অব ক্ৰেডিট আহোতে পলম হয় আৰু সেইটো ট্ৰেজাৰী পাওঁতে সময় লাগে। সেই কাৰণে কিছু দেৰী হয়। বৰ্ত্তমান আমি অলপ সোনকাল কৰিবৰ কাৰণে বিশেষকৈ জিলা বিলাকৰ পৰা ষ্টেটমেণ্ট সোনকালে পঠোৱাৰ ব্যৱস্থা কৰি আছোঁ।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে (ক) প্ৰশ্নৰ উত্তৰত জনাইছে যে ১৯৮০ চনত বড়ো মাধ্যমৰ বাবে মাধ্যমিক পৰ্য্যায়ৰ ৪৫০ টা পদ আৰু প্ৰাথমিক পৰ্য্যায়ত ৩০০ টা পদ মঞ্জুৰী দিয়া হৈছে। মই মন্ত্ৰী মহো-দয়ৰ পৰা জানিব বিচাৰিছো যে এই আৰ্থিক বছৰত বড়ো মাধ্যমত কিমানজন শিক্ষক এল, পি, আৰু মাধ্যমিক আৰু উচ্চ মাধ্যমিক পৰ্য্যায়ত লোৱা হব ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, আমি এইবাৰ কিমান শিক্ষক লম এই কথাটো বিবেচনা কৰি আছো। তাৰ মাজত আমি হয়তো বড়ো মাধ্যমৰ শিক্ষক লবলৈ চেষ্টা কৰিম।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, চেষ্টা মানে এতিয়াও সিদ্ধান্ত লোৱাই হোৱা

নাই ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এতিয়াও হোৱা নাই।

শ্ৰীবিমল গয়াৰী—অধ্যক্ষ মহোদয়, যোৱা মাৰ্চ মাহৰ পৰা প্লেনৰ শিতানত নিযুক্তি পোৱা শিক্ষক সকলে চেপ্তেম্বৰ মাহলৈকে দৰমহা পোৱা নাই, সেই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, সেই সম্পৰ্কে একো খবৰ নাই, বিষয়টো তদন্ত কৰি চাম।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, কিমান দিন পোৱা নাই আৰু কিয় পোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

Shri Binoy Kumar Basumatari Will the Minister, Education consider stopping pay of the D. P. I's office staff in line with the teachers in the colleges (laughter).

বি ঃ পুলিচ বিভাগত এচ আই আৰু এ এচ আইৰ নিযুক্তি

শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে ঃ

*৯০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান চৰকাৰ গঠন হোৱাৰ পৰা এতিয়ালৈকে কিমান গৰাকী পুলিচ বিভাগৰ এচ আই আৰু এ এচ আই নিযুক্তি দিয়া হৈছে ? ( তেওঁলোকৰ নাম আৰু ঠিকনা সহ এখন তালিকা দিব )

(খ) পুলিচ বিভাগৰ এই নৱ নিযুক্তিত জনসংখ্যাৰ ৰূপ প্ৰতিফলন হৈছেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

৯০। (ক) (খ)—বৰ্ত্তমান চৰকাৰ গঠন হোৱাৰ পৰা এতিয়ালৈকে এজন পুৰুষ

এচ আই, তিনি গৰাকী মহিলা এচ আই আৰু ৫ গৰাকী মহিলা এ এচ আই নিযুক্তি দিয়া হৈছে । তেওঁলোকৰ নাম আৰু ঠিকনা সহ এখন তালিকা সদনৰ মেজত ৰখা হৈছে ।

যিহেতু ওপৰোক্ত বিশেষ কাৰণত দিয়া হৈছে আৰু নিযুক্তিৰ সংখ্যা নিচেই কম হোৱাৰ বাবে জনসংখ্যাৰ ৰূপ প্ৰতিফলন কৰাটো সম্ভৱ নহয় ।

শ্ৰীমোহন বসুমতাৰী—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি যে অলপতে এচ্, আই, নিযুক্তিৰ কাৰণে তালিকা প্ৰস্তুত কৰি আছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, সাধাৰণতে এচ্, আই, আৰু এ, এচ্, আই, লবৰ কাৰণেহে বহুখিনি লোকে ইনটাৰভিউ দিছিল । তেওঁলোকৰ ভিতৰত কিমানখিনি কৃতকাৰ্য্য হৈছে তাৰ ঘোষণা এতিয়াও কৰা নাই । নিযুক্তিৰ সংখ্যাটো জনসংখ্যাৰ প্ৰতিফলনৰ ওপৰত নিৰ্ভৰ কৰিব ।

শ্ৰীবৰকট উল্লা—অধ্যক্ষ মহোদয়, কেইজনমান লোৱা হব ? গোটেই লিষ্টৰ ওপৰত ভিত্তি কৰি লবলৈ বিচৰা হৈছে নে কেনেকৈ বিচৰা হৈছে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, যদি ইনটাৰভিউ আগতেই হৈ গৈছে । নিযুক্তিহে পিছত হৈছে ।

শ্ৰীবৰকট উল্লা—অধ্যক্ষ মহোদয়, যদি এইটোৱে হয় তেন্তে বৰ্ত্তমান চৰকাৰ গঠন হোৱাৰ আগতে হাজো সমষ্টিৰ এজন লʼৰাই চিলেকশ্যন পাইছিল । তেওঁক নিযুক্তি দিয়া হৈছিল নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, সেই সময়ৰ ভিতৰত এজন পুৰুষ এচ্, আই, তেওঁৰ নাম হৈছে শ্ৰীউপেন্দ্ৰ কুমাৰ নাথ । তেওঁ বডি বিল্ডাৰ হিচাবে কৃতকাৰ্য্যতা লাভ কৰিছিল আৰু সেই হিচাবে তেওঁক নিযুক্তি দিয়া হৈছে ।

Shri Altaf Hussain Majumdar—Mr. Speaker, Sir, there is heavy backlog in respect of certain communities. Will the Hon'ble Chief Minister kindly see that this backlog is now wiped off gradually ?

Shri Hiteswar Saikia ( Chief Minister )—Mr. Speaker, Sir, it is a fact that there is a heavy backlog but I do not think we can do anything immediately. However, this time we propose to appoint maximum number from the minority communities so that the representatives of the minority communities are well represented in the departments.

শ্রীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে আমাৰ এটা প্ৰধান অসুবিধা হৈছে জিলাবিলাকৰ পৰা লেটাৰ অব ক্ৰেডিট আহোতে আৰু ট্ৰেজাৰীলৈ পঠাওতে পলম হয়। সেই বাবে দৰমহা পোৱাও পলম হয়।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, লেটাৰ অব ক্ৰেদিত আহে নে যায়।

শ্রীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, জিলাবিলাকৰ পৰা আহিব লাগে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, প্লেনৰ শিতানত যিবিলাক শিক্ষকে কাম কৰি আছে তেওঁলোক বড়োৱে হওক বা অন্যান্য মাধ্যমৰ শিক্ষকেই হওক ছমাহ ধৰি দৰমহা পোৱা নাই। এই অৱস্থা দূৰ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্রীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এইখিনি অসুবিধা দূৰ কৰাৰ বাবে জিলাবিলাকৰ পৰা ৰিপোৰ্ট যাতে সোনকালে আহে তাৰ ব্যৱস্থা কৰি আছো।

বি: মীন পালকক দিয়া চাবচিডি।

শ্ৰীমথুৰা ডেকাই সুধিছে:

*৯১। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যৰ ক্ষুদ্ৰ ক্ষুদ্ৰ মীন পালক সকলক কি ভিত্তিত চাবচিড়ি দিয়া হয়?

(খ) চাবচিডি পাওতাসকলক কি ভিত্তিত বাচনি কৰা হয় ?

শ্ৰীউপেন চন্দ্ৰ দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

৯১। (ক)—ৰাজ্যৰ ক্ষুদ্ৰ ক্ষুদ্ৰ মীন পালকক নিম্নলিখিত ভিত্তিত চাবচিডি দিয়া হয়।

১। যি মীন পালকৰ ০·১ একৰ (২½ কঠা) বা তাতোকৈ বেচি পানী থকা পুখুৰী বা জলাশয় আছে।

২। মাছ পোহাৰ সামগ্ৰী (ইনপুট) যেনে ৰাসায়নিক সাৰ, মাছপোনা, মাছৰ খাদ্য ইত্যাদি বাবদ প্ৰতি একৰত ১৫০০ টকা অৰ্থাৎ প্ৰতি একৰ পৰিচালনাৰ মুঠ নিৰিখ ৩০০০ টকাৰ ৫০ শতাংশ হিচাবে ১৫০০ টকা দিয়া হয়।

৩। পুখুৰী সম্প্ৰসাৰণ মেৰামতি আদিৰ বাবে প্ৰতি একৰত উন্নয়নৰ মুঠ নিৰিখ ৯০০০·০০ টকাৰ ⅔ অংশ হিচাবে ৬০০০·০০ টকা দিয়া হয়।

(খ)—চাবচিডি পাওতা সকলক নিম্নলিখিত ভিত্তিত বাচনি কৰা হয়।

১। নিৰ্দিষ্ট প্ৰপত্ৰত মীন পালকক আবেদন কৰিবলৈ বিজ্ঞাপন দিয়া হয়।

২। মীন পালক সকলে নিজ নিজ জিলা আৰু মহকুমা মীন উন্নয়ন বিষয়াৰ ওচৰত আবেদন পত্ৰ দাখিল কৰে।

৩। আবেদন পত্ৰ সমূহ বিভাগয় কৰ্মচাৰীয়ে অনুসন্ধান কৰি মন্তব্য দিয়ে।

৪। অনুসূচীত জাতি আৰু জনজাতিয় লোকৰ আবেদন সমূহ মন্তব্য সহ তালিকা প্ৰস্তুত কৰি মহকুমা অনুসূচীত আৰু জনজাতীয় উন্নয়ন বৰ্ডত

অনুমোদনৰ বাবে দাখিল কৰে। অন্যান্য মীন পালকৰ ক্ষেত্রত মন্তব্য সহ তালিকা প্রস্তুত কৰি পোনপতীয়াকৈ মীন সঞ্চালকলৈ পঠায়।

৫। মহকুমা অনুসূচীত আৰু জনজাতীয় উন্নয়ন বৰ্ডে অনুমোদন কৰা তালিকা আৰু মীন সঞ্চালকে পোনপটীয়া কৈ পোৱা তালিক সমূহ সূক্ষ্ম বিচাৰ কৰি ৰাজ্য উপদেষ্টা কমিতিত অনুমোদনৰ বাবে আগবঢ়োৱা হয়।

৬। ৰাজ্য উপদেষ্টা কমিটিৰ অনুমোদন সাপেক্ষে চাবচিডি মঞ্জুৰী দিয়া হয়।

শ্রীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মীন বিভাগৰ মন্ত্রী মহোদয়ৰ উত্তৰত মই সন্তুষ্ট হব পৰা নাই। মই এতিয়া মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যি কেইজন লোকে চাবছিদি পালে তেওঁলোকৰ ভিতৰত কিমানজন মাছ পোহা মানুহ আৰু কিমান জন কৰ্ম্মচাৰী ?

শ্রীউপেন দাস (মন্ত্রী)—অধ্যক্ষ মহোদয়, যিসকল লোকে ছাবচিদি পালে তেওঁ-লোক কৰ্মচাৰী নহয়। মাছ পোহা খেতিয়ক।

শ্রীমথুৰা ডেকা অধ্যক্ষ মহোদয়, কিমানজন খেতিয়ক আৰু কিমানজন মাছ পোহা মানুহে চাবচিদি পালে হিচাবটো মন্ত্রী মহোদয়ে দিবনে ?

শ্রীউপেন দাস (মন্ত্রী)—অধ্যক্ষ মহোদয়, হিচাবটো বৰ্তমান মোৰ লগত নাই।

শ্রীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, বাৰু মই মানি ললো। স্থানীয় এম, এল, এ, সকলৰ যিবিলাক অভিযোগ আছে সেই বিলাক মন্ত্রী মহোদয়ে গ্রহণ কৰি তদন্ত কৰিব নে ?

শ্রীউপেন দাস (মন্ত্রী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলৰ পৰা আপত্তি পালে অনুসন্ধান কৰাৰ ব্যৱস্থা কৰা হব আৰু উপদেষ্টা বোৰ্ডৰ লগত আলোচনা কৰি সুবিচাৰ কৰিবলৈ চেষ্টা কৰা হব।

শ্রীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, উপদেষ্টা বোৰ্ডৰ ওচৰলৈ যোৱাটো আমাৰ পক্ষে টান হৈ পৰে। কাৰণ কেতিয়া বহে আমি গম নেপাওঁ। এতিয়া কথা হ'ল যিবিলাক লোকৰ নামত চাবচিদি অনুমোদন কৰা হয় তাত

দেখা যায় প্ৰায় বিলাকেই কৰ্মচাৰী নাইবা ডাঙৰ ডাঙৰ বিষয়া বা ধনী মানুহে সেই অনুমোদন পায়। মন্ত্ৰী মহোদয়ে জানে নেকি ? যদি জানে বিহিত ব্যৱস্থা লব নেকি ?

শ্ৰীউপেন দাস (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, তেনেকুৱা অভিযোগ পোৱা নাই। যদি আছে অনুসন্ধান কৰি চোৱা হব।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, ভৱিষ্যতে যাতে কৰ্মচাৰীয়ে এনে চাবচিডি নেপায় তাৰ ব্যৱস্থা লব নেকি ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, লব লাগিব। কাৰণ কৰ্মচাৰী সকলে মাছৰ ব্যৱসায় নকৰে। যি মাছ পোহে আৰু বিক্ৰী কৰে তেওঁলোকে যাতে চাবচিদি পায় তাৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হব।

বি ঃ কৃষ্ণাই গাওঁ পঞ্চায়ত এলেকাত অনুদান সহ ঋণ

শ্ৰীমহম্মদ আলিয়ে সুধিছে ঃ

*৯২। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰা জিলাৰ কৃষ্ণাই গাওঁপঞ্চায়তৰ অন্তৰ্গত কিমানটা দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা পৰিয়ালে কৃষ্ণাই ইউনাইটেড বেংকৰ পৰা চাবচিডি সহ ধাৰ পোৱাৰ যোগ্যতা অৰ্জন কৰিছে ?

(খ) তেওঁলোকৰ নাম গোৱালপাৰা জিলা গ্ৰাম্য উন্নয়ন এজেন্সিয়ে অনুমোদন কৰিছেনে ?

(গ) অনুমোদন স্বত্বেও কেইটা পৰিয়ালে কৃষ্ণাই ইউনাইটেড বেংকৰ পৰা ধাৰ পাবলৈ সক্ষম হৈছে ?

শ্ৰীৰঘুনাথ পামেগাম (গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৯২। (ক)—১৯৮১-৮২ চনত ২৯টা পৰিয়ালে আৰু ১৯৮২-৮৩ চনত ২০০টা পৰিয়ালে

অনুদান সহ ঋণ পোৱাৰ যোগ্যতা অৰ্জন কৰিছে।

(খ)—হয় কৰিছে।

(গ)—১৯৮১-৮২ চনত ১০ টা আৰু ১৯৮২-৮৩ চনত ২৭ টা মুঠ ৩৭ টা পৰিয়ালে অনুদান সহ ঋণ পাইছে।

শ্ৰীমহম্মদ আলী—অধ্যক্ষ মহোদয়, ১৯৮২-৮৩ চনত দাৰিদ্ৰ সীমাৰেখাৰ তলত থকা কিমান জন মানুহে বেংকৰ পৰা মঞ্জুৰী পাইছে জনাবনে ?

শ্ৰীৰঘুনাথ পামেগাম—অধ্যক্ষ মহোদয়, ১৯৮২-৮৩ চনত ২৭ জন বুলি কোৱা হৈছে।

শ্ৰীমহম্মদ আলী—অধ্যক্ষ মহোদয়, চাব মই ১৯৮৩-৮৪ চনৰ কথাহে সুধিছো।

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, ১৯৮৩-৮৪ চনৰ তথ্য মোৰ হাতত নাই।

শ্ৰীমহম্মদ আলি—অধ্যক্ষ মহোদয়, ১৯৮৩-৮৪ চনৰ কিমানটা পৰিয়ালৰ লিষ্ট এপ্ৰোভ কৰা হৈছে আৰু কিমানে চাবচিদি পাইছে মন্ত্ৰী মহোদয়ে জনাবনে ? আৰু কৃষ্ণাই ইউনাইটেড বেংক হোৱাৰ পৰা ভালেমান পৰিয়াল বঞ্চিত হৈ আহিছে। মন্ত্ৰী মহোদয়ে এই কথাটো জানে নেকি ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, সেই কথাটো মই নেজানো। এই বিষয়ে বিবেচনা কৰি চাম।

শ্ৰীমহম্মদ আলি—অধ্যক্ষ মহোদয়, যিসকলে ইতিমধ্যে দি, আৰ, দি, এৰ পৰা এপ্ৰোভেল পাইছে আৰু ছাবচিদি পাইছে সেইসকলক বেংকে এটা বস্তুৰ ঠাইত আন এটা বস্তু যেনে আবজালুৰ ৰহমান নামৰ এজন লোকক মহৰ গাড়ীৰ পৰিবৰ্তে বেংকে ঠেলা গাড়ী দিছে। ঠিক তেনেদৰে এগৰাকী মহিলাক তেওঁ বিচৰা বস্তুৰ পৰিবৰ্তে ৰিক্সা দিছে। এইদৰে কৃষ্ণাই ইউনাইটেড বেংকে খেলিমেলি চলাই আছে মন্ত্ৰী মহোদয়ে জানে নেকি ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই কৃষ্ণাই ইউনাইটেড বেংকৰ কথাটো নেজানো। কিন্তু মই এইটো কথা জানো যে প্ৰায় বিলাক বেংকে তেনেধৰণৰ খেলিমেলি কৰি আছে। সেইবিলাক দূৰীকৰণৰ

কাৰণে আমি ব্যৱস্থা লৈছো। তাৰ বাবে বেংকৰ যিসকল ব্ৰাঞ্চ মেনেজাৰ তেওঁলোকক সহায় কৰিবলৈ এখন পৰ্য্যালোচনা কমিটি পাতি দিয়া হৈছে আৰু প্ৰতি ৩ মাহে ৩ মাহে ৰাজ্য চৰকাৰে এই পৰ্য্যালোচনা কমিটি পাতিবলৈ নিৰ্দেশ দিছে। তাৰোপৰি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীৰ লগত আলোচনা কৰি অধিক ধনৰ অনুদান যাতে বেংকবোৰে পাব পাৰে তাৰ বাবে আবেদন জনাইছে বেংকৰ যিবিলাক আসোঁৱাহ আছে সেইখিনি সম্পূৰ্ণৰূপে দূৰ কৰিব নোৱাৰিলেও বৰ্ত্তমান চৰকাৰ গঠন হোৱাৰ পিছত তেনেকৈ কিছু উন্নত ব্যৱস্থালৈ আনিবৰ বাবে চেষ্টা চলোৱা হৈছে আৰু এই বছৰত আগতকৈ বহুখিনি অগ্ৰগতি লাভ কৰা দেখা গৈছে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, ১৯৮২-৮৩ চন দুটাত বহুত মানুহে আবেদন কৰিলে তাৰ ভিতৰত মাত্ৰ ২৭ জনকহে দিয়া হল, বাকী বিলাকক নিদিয়াৰ কাৰণ কি ?

শ্ৰীৰঘুনাথ পামেগাম ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই আগতেই উল্লেখ কৰিছো যে বেংকবিলাকৰ পৰা যিমান খিনি সহযোগ পাব লাগে তাৰ পৰা সদায় বঞ্চিত হৈ অহা দেখা গৈছে। যোৱা কালি প্ৰশ্নোত্তৰ কালত উল্লেখ কৰা হৈছিল যে বেংকৰ অফিচাৰ সকলে আবেদনকাৰীক নানা ধৰণৰে ব্যতিব্যস্ত কৰাৰ দৃষ্টান্ত আছে সেইখিনি দূৰ কৰিবৰ কাৰণে এতিয়া আমি যত্ন কৰিছো।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, ১৯৮২-৮৩ চনত যিমান মানুহে আবেদন কৰিলে তাৰ ভিতৰত মাত্ৰ ২৭ জনকহে দিলে বাকী বিলাকক নিদিয়াৰ কাৰণ কি ?

শ্ৰীমহম্মদ আলী—অধ্যক্ষ মহোদয় যি সকল কৰ্মচাৰী আমাৰ দাৰিদ্ৰ সীমা ৰেখাৰ তলত থাকে আৰু যাৰ কাৰণে ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে ব্যৱস্থা লৈছে সেইবিলাক মানুহৰ ক্ষেত্ৰত বেংকবিলাকে বিধি পথালি দিছে তাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, বেংকৰ পৰা সহায় পোৱাৰ

ক্ষেত্ৰত তেনে ধৰণৰ অসুবিধা হৈছে আৰু সেইবিলাক মন্ত্ৰীয়ে উল্লেখো কৰিছে। আমাৰ ৰাজ্যখনত ডি, আৰ ডিয়ে আঁচনিৰ অন্তৰ্ভুক্ত যিখন স্কীম আৰু সেইখন স্কীম মতে যি খিনি টকা বেংকৰ পৰা পাব লাগে সেইখিনি পোৱাত অসুবিধা হয়, আমি সেইটো সন্তৰ কৰিব লাগিব। আমাৰ ৰাজ্যখনত দুটা কথাৰ কাৰণে সেইটো সম্ভৱ হৈ উঠা নাই। অসম ৰাজ্যত বিশেষকৈ কমেৰ্চ বেংকৰ ক্ষেত্ৰত শেহতীয়া ভাৱে লাইচেন্সৰ যিটো নিয়ম সেইমতে প্ৰত্যেক ১৭ হেজাৰ জনসংখ্যাৰ কাৰণে এটাকৈ বেংক হব লাগে। কিন্তু আমাৰ ৰাজ্যখনত এতিয়া ৩১ হেজাৰ ৫৪৫ জনৰ কাৰণে একোটা বেংক আছে। সেইফালৰ ৫শ ৩৩ টা ব্ৰাঞ্চ অসমত পাব লাগে। ১৯৮৩ চনৰ জুন মাহলৈ ৬৮৩ টা আছে ৫৩৩ টা পাবৰ কাৰণে ভাৰত চৰকাৰক জনোৱা হৈছে। ইতিমধ্যে ১০৯ টাৰ লাইচেন্স পোৱা হৈছে। জন সংখ্যাৰ ভিত্তিত যিমান সংখ্যক বেংক থাকিব লাগে নথকাৰ কাৰণে সময়মতে বেংক বিলাকে যথেষ্ট সংখ্যক টকা দিব নোৱাৰে। দ্বিতীয়তে বেংকবিলাক ৰাষ্ট্ৰীয়কৰণ কৰিলেও তাত থকা কৰ্মচাৰী বিলাকৰ মনোবৃত্তি উন্নত হোৱা নাই। সেইকাৰণে তাৰ কৰ্মচাৰী সকলে সাধাৰণ মানুহক সহায় কৰিব নোখোজে। এই কথা আমি স্বীকাৰ কৰিব লাগিব। আমি এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। মাননীয় সদস্যজনক জনাওঁ যে প্ৰায় ৯৪ খন দৰ্খাস্ত বিভিন্ন বেংকলৈ পঠোৱা হৈছে আৰু জুন মাহলৈ ৫৫ হেজাৰখন দৰ্খাস্ত বেংকত পৰি আছে। এই সম্পৰ্কত কেন্দ্ৰীয় মন্ত্ৰী যেতিয়া শিলচৰলৈ আহিছিল তেতিয়া তাত গৈ আমি বেংক বিষয়াৰ লগত এখন সভা পাতিছিলো আৰু এই কথাটোও তাত দাঙি ধৰা হৈছিল সেই কাৰণে এতিয়া বেংকবিলাকে যাতে ডি আৰ আই ডি এ আৰু আই আৰ ডি পি আঁচনি অৱহেলা কৰিব নোৱাৰে তাৰ বাবে ব্লক লেভেলত এখন এডভাইচৰি কমিটি কৰা হৈছে তাৰ চেয়াৰমেনজন হব স্থানীয় বিধায়ক। বি, ডি, অ' আৰু গাওঁ সভাৰ সদস্যৰ উপৰিও জন-জাতি, অনুসূচিত জাতি আৰু পিচপৰা জনজাতিৰ প্ৰতিনিধি থাকিব

আৰু মহিলা প্ৰতিনিধিৰ উপৰিও সমাজ কৰ্মীৰ লোকো তাত থাকিব। শেষত কওঁ যে সকলো বিলাক দৰ্খাস্ত চালি জাৰি চাই ঋণ দিয়াৰ ব্যৱস্থা লোৱা হব ।

Re : Regularisation of Services of Muster Roll Workers.

Shri Hemen Das asked :

*93. Will the Minister, P. W. D. be pleased to State :

(a) Whether it is a fact that the then Governor of Assam Sri L. P. Sing in his address delivered before the House during the Budget Session 1979 mentioned that the services of the Muster Roll Workers who have completed five years of service would be regularised by the Government ?

(b) If so, what steps the Govt. have taken to regularise their service ?

Smti Syeda Anowara Taimur. ( Minister, P. W. D, ) replied :

93. (a)—Yes.

(b)—The matter of regularisation of services of Muster Roll Labourers is under active consideration of the Govt.

শ্ৰীহেমেন দাস—এই এক্টিভ কন্সিডাৰেসন ১৯৭১ চনত আৰম্ভ হৈছে । আৰু কিমান বছৰ ধৰি এইটো চলিব ?

চৈয়দা আনোৱাৰা টাইমুৰ ( মন্ত্ৰী )—গোটেইখিনি একেবাৰে কৰিব লগা হোৱাত

পলম হৈছে। লেবাৰৰ সংখ্যা হৈছে ৯৮৫৮ জন। পাচ বছৰৰ গোটেই-খিনি কৰাৰ কাৰণে ১৯৭৯ চনত গবর্ণৰে কৈছিল। গোটেইখিনি কৰিবৰ কাৰণে আমৰ ৪ কোটি ৩ লাখ ৯৬ হাজাৰ টকাৰ দৰকাৰ। গোটইখিনি একেলগে কৰিবৰ কাৰণে যিমান টকাৰ প্রয়োজন সেইখিনি একেলগে খৰচ কৰিব পৰাটো সম্ভৱপৰ হৈ উঠা নাই। সেই কাৰণে ফেইজ মেনাৰত কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। ২৫ বছৰৰ সকলক এই বছৰত, ২০ বছৰৰ সকলক দ্বিতীয় বছৰত আৰু ১৫ বছৰৰ সকলক তৃতীয় বছৰত কৰিবলৈ চেষ্টা কৰিছো। ২৫ বছৰীয়া সকলৰ কাৰণে ৫১ লাখ ২৯ হাজাৰ টকাৰ প্রয়োজন। এই ধৰণে ফেইজ মেনাৰত কৰিবলৈ চিন্তা কৰা হৈছে আৰু যাতে অতি সোনকালে হয় তাৰ বাবে চেষ্টা কৰিছো।

শ্ৰীহেমেন দাস— টকাৰ সংখ্যাটো বিশেষ বেছি নহয়। তদুপৰি চৰকাৰৰ ঘোষিত নীতি হ'ল দুৰ্ব্বল শ্রেণীৰ লোকক সহায় কৰাটো। মাত্র চাৰি কোটি টকা খৰচ কৰিবৰ কাৰণে কিয় চৰকাৰ আগবাঢ়ি আহিবলৈ টান পাইছে? যদি ২৫ বছৰৰ পৰা আৰম্ভ কৰিব বিচাৰিছে তেন্তে আজিলৈকে কিয় কৰা নাই? কথা হ'ল চৰকাৰৰ ঘোষিত নীতিৰ সপক্ষে চৰকাৰে কাম নকৰে কিয়?

চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্রী)—ঘোষিত নীতি পালন কৰিব কাৰণে এইখিনি কৰিছো। ১৯৭৯ চনত গবর্ণৰে পাচ বছৰ সম্পূর্ণ কৰা সকলক দিয়া কথা উল্লেখ আছে। গোটেইখিনি কৰাটো সম্ভৱপৰ হোৱা নাই। অসমৰ আর্থিক অৱস্থা টনকীয়াল হৈ পৰা নাই। পাচ বছৰ সম্পূর্ণ কৰা সকলৰ ক্ষেত্ৰতো বিশেষ জোৰ দিছো। যি সকলৰ ২৫ বছৰ সম্পূর্ণ হৈছে সেই-খিনি অতি সোনকালে কৰাৰ কাৰণে চিন্তা কৰিছো।

শ্ৰীহেমেন দাস—এই বছৰত নেকি?

চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্রী)—এই বছৰত।

শ্ৰীমথুৰা ডেকা—গেংলেবাৰ কেইটাৰ অৱস্থা হালৈ কেইটাৰ নিচিনা। পাইখানা চাফ কৰা কামো তেওঁলোকে কৰিব লাগে। এই গেংলেবাৰ সকলৰ চাকৰি

স্থায়ী নকৰাটো অতি দুখৰ কথা। ইঞ্জিনিয়াৰে ৰাস্তা নাবান্ধে। গেং-লেবাৰে ৰাস্তা মেৰামতি কৰে। গতিকে বিষয়া সকলৰ টি, এ আদিৰ পৰা এই সকলৰ চাকৰি স্থায়ী কৰে যেন।

চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী)—মূৰৰ ঘাম মাটিত পেলাই কাম কৰা সকলৰ কথা কৈছে। তেওঁলোকক বিশেষ সুবিধা দিব পৰা যায় নেকি চিন্তা কৰিছো। তেওঁলোকক অন্যান্য সুবিধা দিয়া হৈছে। যি সকলে ২৫ বছৰ সম্পূৰ্ণ কৰিছে তেওঁলোকৰ অতি সোনকালে কৰাৰ কথা চিন্তা কৰিছো। চাৰি কোটি টকা সম্ভৱপৰ হৈ নুঠাৰ কাৰণে অলপ পলম হৈছে। বছৰেকত ১৫ দিনৰ ছুটি, ২৬ জানুৱাৰী, ১৫ আগষ্টত, মাঘ, ৰহাগ বিহুত বিনা কামত পইচা দিয়া হয়। মেডিকেলৰ সুবিধা দিয়া হৈছে। টি, বি, কেন্সাৰ, লেপ্ৰচি লেবাৰ সকলক সুবিধা দিয়া হৈছে। ১০ বছৰ সম্পূৰ্ণ কৰা ৫৮ বছৰ বয়সীয়াল সকলক তিনি মাহৰ দৰ্মহা দিয়া হয়।

শ্ৰীমথুৰা ডেকা—২৯-৩০ তাৰিখে অসম বন্ধ হৈছিল। এই বন্ধৰ সময়ত গেং-লেবাৰ সকলে ৰাস্তাত কাম কৰিছে। চহী লবৰ বাবে কোনো মহৰি বা ইঞ্জিনিয়াৰ নাছিল। গতিকে এই সকলে দুদিন কাম কৰাৰ কাৰণে তেওঁলোকক কেনে ভাবে দৰ্মহা দিব ?

চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী)—যিসকলে কাম কৰিছে তেওঁলোকে পইচা পাব। যোৱা নিৰ্বাচনৰ সময়ত তেনেকুৱা ঘটনা ঘটিছিল। যিসকলে কাম কৰিছে সেই সকলে দৰ্মহা পাইছে।

শ্ৰীপূৰ্ণ বড়ো—২৫, ২০, ১৫ বছৰ চাকৰিত গুৰুত্ব দিছে। যিসকলে পাচ বছৰ সম্পূৰ্ণ কৰিছে সেই সকলক ৰেগুলেৰাইজ কৰাৰ ব্যৱস্থা নকৰে কিয় ?

চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী)—আগতেই কোৱা হৈছে যে প্ৰায় চাৰি কোটি টকাৰ আৱশ্যক। সেইখিনি পাবৰ কাৰণে যথেষ্ট যত্ন লোৱা হৈছে। আৰ্থিক অৱস্থা টনকীয়াল নোহোৱাৰ কাৰণে অলপ পলম হৈছে। এই বছৰ ২৫ বছৰ সম্পূৰ্ণ কৰা সকলক কৰিবৰ কাৰণে চেষ্টা কৰিছো।

শ্ৰীচন্দ্ৰধৰ কলিতা—মই মাননীয়া গড়কাপ্তানী মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো যে এই মাষ্টাৰ ৰোলত কাম কৰা সকল এদিন অনুপস্থিত থাকিলে দুদিনৰ হাজিৰা কাটে, এই কথা মন্ত্ৰী মহোদয়াই জানে নে নাজানে ? যদি জানে তাৰ কি ব্যৱস্থা লৈছে ?

চৈয়দা আনোৱাৰা টাইমূৰ ( গড়কাপ্তানী মন্ত্ৰী )—সেই কথাটো আজি গম পালো। এক দিন অনুপস্থিত থাকিলে দুই দিনৰ হাজিৰা কটা এইটো হব নোৱাৰে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—এই ন হাজাৰ আঠশ আঠাৰন্ন জন মাষ্টাৰ ৰোল লেবাৰৰ কাৰণে বছৰত কিমান টকা মজুৰী লাগে মন্ত্ৰী মহোদয়াই জনাবনে ?

চৈয়দা আনোৱাৰা টাইমূৰ ( গড়কাপ্তানী মন্ত্ৰী )—সাতাইশ লাখ নিৰান্নব্বৈ হাজাৰ তিনিশ ষাঠি টকা।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—আজিকালি মাষ্টাৰ ৰোল লেবাৰৰ দৈনিক হাজিৰা কিমান জনাবনে ?

চৈয়দা আনোৱাৰা টাইমূৰ ( গড়কাপ্তানী মন্ত্ৰী )—আগতে আঠ টকা পঞ্চাশ পইচা আছিল এতিয়া বৰ্দ্ধিত কৰা হৈছে। ২-৯-৮৩ তাৰিখে লেবাৰ কমিচনাৰৰ পৰা পোৱা চিঠি মতে এতিয়া ৩-৯-৮৩ তাৰিখৰ পৰা বঢ়াই দিয়াৰ কথা। বৰ্দ্ধিত হাৰত ন টকা ষাঠি পইচা কৈ পাব।

মৌলানা আব্দুল জলিল চৌধুৰী—মাননীয় অধ্যক্ষ মহোদয়, এই ব্যাপারে ১৯৭৮ ইং থেকে এইসব কর্মীরা হরতাল করেছিল। এটা একটা ক্রনিক ব্যাধি। এই সব কর্মচারীকে কোনও কোনও অফিসার ঘরের কাজে ব্যবহার করে অথচ কোনও কোনও কর্মীকে ৫-৭ বৎসর ধরে ঘরে বসিয়ে রেখে বেতন দেওয়া হয়। এইসব জুলুম বন্ধ করার জন্য মন্ত্রী মহোদয়া ব্যবস্থা গ্রহণ করবেন কি ?

চৈয়দা আনোৱাৰা টাইমূৰ ( গড়কাপ্তানী মন্ত্ৰী )—মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেই বিষয়ক বিশেষ খবৰ দিলে তাৰ ব্যৱস্থা লব পৰা হব। বৰ্ত্তমান আমাৰ হাতত তেনে খবৰ নাই।

## বি: কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ স্থান নিৰ্ণয়

শ্ৰীবৰ্গৰাম দেউৰীয়ে সুধিছে:

*৯৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত হ'ব লগা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ স্থান নিৰ্ণয় কৰা হৈছে নেকি ?

(খ) যদি কৰিছে, ক'ত কৰা হৈছে ?

(গ) যদি কৰা হোৱা নাই কেতিয়ালৈ এই স্থান নিৰ্ণয় কৰা হ'ব জনাবনে ?

শ্ৰীমুকুট শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

৯৪। (ক)—নাই হোৱা।

(খ)—প্ৰশ্ন নুঠে।

(গ)—যিহেতু বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে গতিকে সময়তে কব পৰা নাযায়।

শ্ৰীবৰ্গৰাম দেউৰী—আমাৰ ষ্টেট গভৰ্ণমেণ্টৰ পৰা কিবা ৰিক'মেণ্ডেশ্বন দিয়া হৈছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীমুকুট শৰ্মা (শিক্ষা মন্ত্ৰী)—অসম চৰকাৰৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ আমি লিখিছো যে অসমত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় হ'ব লাগে আৰু সেই হিচাবে কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীবৰ্গৰাম দেউৰী—এতিয়ালৈকে কেন্দ্ৰীয় বিশ্ববিদ্যালয় সংক্ৰান্তত কি ৰিক'মেণ্ডেশ্বন দিছে জনাব নেকি ? কোন ঠাইত হ'ব লাগে বুলি ৰিক'মেণ্ডেশ্বন দিছে জনাবনে ?

শ্ৰীমুকুট শৰ্মা (শিক্ষা মন্ত্ৰী)—কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত হোৱাৰ পিচতহে স্থান নিৰ্ণয়ৰ কথা আহিব।

শ্ৰীৰুক্মিনী কান্ত ৰায়—আমাৰ গোৱালপাৰা জিলা শিক্ষাৰ ক্ষেত্ৰত পিচপৰা। সেই ভাৱে এই ক্ষেত্ৰত আগভাগ দিব নেকি জনাবনে ?

শ্ৰীমুকুট শৰ্মা ( শিক্ষা মন্ত্ৰী )—কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত হলে স্থান নিৰ্ণয়ৰ ক্ষেত্ৰত এই সকলো দিশ বিবেচনা কৰা হব।

Shri Binoy Kumar Basumatary—Is it a fact that one of the Central Ministers have declared that Silchar has been selected for this University ?

Shri Dambarudhar Brahma—What factors will be taken into consideration for commissioning the Central University ?

শ্ৰীমুকুট শৰ্মা ( শিক্ষা মন্ত্ৰী )—স্থান নিৰ্ণয়ৰ ক্ষেত্ৰত বহু কেইটা দিশ চাব লাগিব। অৰ্থনৈতিক, শৈক্ষিক বিকশিত এলেকা, যাতায়াত ইত্যাদি বহু কথাই চাব লাগিব। এই সকলো বিলাক বিবেচনা কৰি চোৱা হব।

শ্ৰীৰমেশ ফুকন—নগাওঁ জিলা মধ্যস্থত হেতুকে নগাওঁ জিলাৰ কথাকে বিবেচনা কৰিবনে ?

শ্ৰীমুকুট শৰ্মা ( শিক্ষা মন্ত্ৰী )—মই কৈছোৱেই যে সিদ্ধান্ত হোৱাৰ পিচত সকলো দিশ স্থান নিৰ্ণয়ৰ পৰ্য্যায়ত বিবেচনা কৰা হব।

মাননীয় অধ্যক্ষ—কেন্দ্ৰৰ পৰা সিদ্ধান্ত নোপোৱালৈকে তেখেতে কব নোৱাৰে।

## Re : A. S. R. T. C. Bus Service between Harisinga and Gauhati.

Shri Binoy Kumar Basumatari asked :

*95. Will the Minister, Transport be pleased to state :

(a) Whether there was a regular ASRTC bus plying between Harisinga and Gauhati since 1980 ?

(b) If so, whether buses still ply ?

(c) If not, whether this bus service will be resumed ?

Shri Jagannath Sinha ( Minister, Transport ) replied :

95. (a)—Yes, A. S. R. T. C. maintained a regular service in between Harisinga & Guwahati daily since 21.9.81, but not from 1980.

(b)—The service has been resumed w. e. f. 25.8.83 after suspension for about six months.

(c)—In view of the reply to (b) above does not arise.

Shri Binoy Kumar Basumatary—What happens to this bus according to which an interruption of six months occurred ?

Shri Jagannath Sinha ( Minister, Transport )—Sir, this service continued till 2.2.83 and on 2.2.83 while returning from Gauhati the vehicle No. ASX 2949 was completely burnt down near Sipajhar along with four other ASTC vehicles by the miscreants. That is why, the service was suspended.

Shri Binoy Kumar Basumatary—Sir, this bus was placed because no private carriers could cover Harisinga for the last 10 years. Will the Minister consider penalilising the private carriers for whom Harisinga was allotted as route ?

Shri Jagannath Sinha ( Minister, Transport )—At the moment, I have no such information. If the hon'ble

member furnishes report to me, it will certainly be examined.

শ্ৰীমথুৰা ডেকা—গোবেশ্বৰ শুক্লাৰ কাৰণে বাচ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজগন্নাথ সিংহ—বেলেগ প্ৰশ্ন কৰিব লাগিব ।

Educational Institutions damaged in disturbance of February, 1983.

Shri Purna Boro asked :

*96. Will the Minister, Education be pleased to state :

(a) The number of educational institutions damaged in the disturbances in the month of February, 1983 in Assam ?

(b) Whether grants for reconstruction of damaged building have been given to those Educational institutions ?

Shri Mukut Sarma ( Minister, Education ) replied :

96. (a) 693 buildings of educational institutions have been damaged during last disturbances.

(b)—Govt. have sanctioned grants for reconstruction/repair of these educational institution.

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহৰ অশান্তিত ৬৯৩ খন শিক্ষানুষ্ঠান বা স্কুলঘৰ জ্বলাই দিয়া হৈছে। ইয়াৰ ভিতৰত এলপি স্কুল কেইখন, এমই স্কুল কেইখন, হাই-স্কুল কেইখন আৰু কলেজ কেইখন মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষা মন্ত্ৰী )—Sir, it is a long list and I can

place this on the table of the House.

শ্ৰীপূৰ্ণ বড়ো—কিমান খনৰ আংশিকভাবে ক্ষতি হৈছে আৰু কিমানখনৰ সম্পূৰ্ণ ক্ষতি হৈছে মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী)—324 schools have been completely gutted and 369 partially damaged.

শ্ৰীপূৰ্ণ বড়ো—এই শিক্ষানুষ্ঠান বিলাকৰ ভিতৰত প্ৰভিনচেলাইজ, এচক আৰু ভেনচাৰো আছে। কোন বিধৰ কিমানখন আছে জনাব নে?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী)—সেইটো বেলেগে বেলেগে দেখুৱাব পৰা নাই কিন্তু প্ৰভিনচেলাইজ এচক সকলো ইয়াত আছে।

শ্ৰীপূৰ্ণ বড়ো—প্ৰভিনচেলাইজ বা এচক স্কুল বিলাক মঞ্জুৰী দিয়া হব কিন্তু ভেনচাৰ স্কুলক দিয়া হব নে নাই মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী)—যিহেতু ভেনচাৰ বিলাক এতিয়ালৈকে চৰকাৰে লোৱা নাই সেই কাৰণে সেইটো বিবেচনা কৰা হোৱা নাই। অৱশ্যে পিচত বিবেচনা কৰি চাব লাগিব।

শ্ৰীৰমেশ ফুকন—ফেব্ৰুৱাৰী মাহতে এই শিক্ষানুষ্ঠান বিলাক ধ্বংসপ্ৰাপ্ত হ'ল আজিলৈকে অনুদান বিলাক যোৱা নাই, আজি ৮ মাহ হৈ গ'ল। গতিকে কোন পৰ্য্যায়ত আছে মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী)—অধ্যক্ষ মহোদয়, আমি পুনৰ সংস্থাপন বিভাগৰ পৰা ৯৮ লাখ ৯২ হাজাৰ টকা পাইছো। এই টকা ইতিমধ্যে ডি পি আই ডি ই ই লৈ পঠিওৱা হৈছে। অতি সোনকালেই ইন্সপেক্টৰ আৰু ডি আই লৈ পঠিওৱা হব।

শ্ৰীৰমেশ ফুকন—কিমান দিনৰ ভিতৰত এই অনুদান বিলাক পাব পাৰে মন্ত্ৰী মহোদয়ে স্পষ্ট উত্তৰ দিব নে?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী)—টকাটো উইড্ৰ কৰাই হৈছে। যোৱাৰ আৰম্ভ কৰিছে নিশ্চয়।

শ্ৰীপূৰ্ণ বড়ো—কিছুমান স্কুল সম্পূৰ্ণ ধ্বংস হৈছে কিছুমান স্কুল আংশিকভাবে ধ্বংস হৈছে। কাক কিমানকৈ অনুদান দিয়া হব মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষা মন্ত্ৰী )—যিবিলাকৰ আংশিক ক্ষতি হৈছে প্ৰাইমাৰী স্কুলক ৫ হাজাৰ, এম ই স্কুলক ১০ হাজাৰ, হাইস্কুলক ১৫ হাজাৰ, হায়াৰ চেকেণ্ডাৰীক ২০ হাজাৰ আৰু কলেজক ২০ হাজাৰকৈ দিয়া হৈছে আৰু সম্পূৰ্ণ ক্ষতিৰ কাৰণে এল পি স্কুলক ১০ হাজাৰ ৮০০, এম ই স্কুলক ৩১ হাজাৰ ২০০, হাইস্কুলক ৬৭ হাজাৰ, হায়াৰ চেকেণ্ডাৰীক ৮৬ হাজাৰ ২০০ আৰু কলেজক ১ লাখকৈ দিয়া হৈছে।

শ্ৰীপূৰ্ণ বড়ো –এই লিষ্টখন প্ৰস্তুত কৰা হৈ গৈছে নেকি ?

শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষা মন্ত্ৰী )—হয়।

শ্ৰীৰমেশ ফুকন—যিবিলাক স্কুলত ৰিফিউজী কেম্প খোলা হৈছিল সেইবিলাক স্কুলকো এই অনুদান দিয়া হব নে ?

শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষা মন্ত্ৰী )–সেইবিলাকক পাৰ্চিয়েল দেমেজত ধৰা হৈছে।

শ্ৰীজগত পাটগিৰী–যোৱা ফেব্ৰুৱাৰী মাহতে এই স্কুলবিলাক ধ্বংসপ্ৰাপ্ত হ'ল ল'ৰা ছোৱালী বিলাকে ক'ত পঢ়ি আছে ? তেওঁলোকৰ ক্লাচ চলা নাই নেকি ?

শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষা মন্ত্ৰী )–ইতিমধ্যে সেই স্কুল বিলাকে অন্যান্য ফালৰ পৰাও পইচা পাইছে তেনেকৈয়ে স্কুলবিলাক চলি আছে।

## বি : গাওঁত বিজুলী যোগানত বিজুতি

শ্ৰীমথুৰা ডেকাই সুধিছে :

*৯৭। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ গাওঁবোৰৰ বিজুলিবাতি ঘনাই ঘনাই নুমাই থকাৰ কাৰণ কি

আৰু এনেদৰে ৰাজ্যৰ বাকীবোৰ চহৰতো বিজুলীবাতি নুমাই থাকে নেকি ?

শ্ৰী এ, এম, মজুমদাৰ ( শক্তি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৯৭। (ক)—গাওঁ সমূহত সমানে বিজুলীবাতি নুমুৱাটো সত্য নহয়। অৱশ্যে বিদ্যুৎ উৎপাদন, প্ৰেৰণ আৰু বিতৰণৰ সাময়িক বিজুতিৰ কাৰণে মাজে মাজে বিজুলী চাকি নুমায়।

একেবোৰ কাৰণতে চহৰ অঞ্চলটো বিজুলীবাতি নুমায়। কিন্তু গাওঁ অঞ্চলবোৰ ঘাই উপকেন্দ্ৰৰ পৰা বহুদূৰ কাৰণে বিজুলীৰ বিজুতি মাত্ৰা কিছু বেছি হয়।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মই এই মন্ত্ৰী মহোদয়ৰ উত্তৰত সন্তুষ্ট হব নোৱাৰিলো। তেখেতে আমাৰ গাওঁলৈ গৈ এৰাতি থাকি আহক মই নিমন্ত্ৰণ জনালো। দিনটোৰ ভিতৰত কেইবাৰ লাইট নুমায় বা কিমান সময় লাইট থাকে সেইটো তেখেতে নিজে গাওঁতগৈ নথকালৈ স্বীকাৰ কৰিব নোৱাৰে। ৰাতি ভাত ৰন্ধাৰ সময়ত, পঢ়াৰ সময়ত, ল'ৰা ছোৱালী পঢ়িব ধৰোতে লাইট নুমায় আৰু আচৰিত ৰাতি বাৰ বজাৰ পাছতহে লাইট জ্বলে। তেখেতে এইটো অস্বীকাৰ কৰোতে আমি দুখ পাইছো। গাওঁ অঞ্চলত লাইট প্ৰায় নুমায়। ঠিক নথকাৰ কাৰণে আমি হাৰিকেনৰ পোহৰতো থাকিব নোৱাৰা হ'লো।

অধ্যক্ষ—আপোনাৰ প্ৰশ্নটো কৰক।

শ্ৰীমথুৰা ডেকা—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো তেখেতে ৰাতি গৈ গাওঁত থাকিবনে ?

শ্ৰীএ, এম, মজুমদাৰ ( শক্তি মন্ত্ৰী )—মাননীয় সদস্য গৰাকীয়ে নিমন্ত্ৰণ জনালে যাম।

শ্ৰীমথুৰা ডেকা—মই আজিয়ে নিমন্ত্ৰণ জনালো। ( সদনত হাঁহিৰ ৰোল )

( উত্তৰ নাই )

শ্ৰীমথুৰা ডেকা—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো গাওঁ অঞ্চলত

যিবিলাক মিটাৰ বক্স আছে বা বহুৱাইছে সেইবিলাক বাহিৰত নাৰাখি ভিতৰত ৰখাৰ ব্যৱস্থা কৰিব নোৱাৰি নে ?

শ্ৰীএ, এম, মজুমদাৰ ( শক্তি )—মই এই বিষয়ে বিভাগীয় বিষয়াৰ লগত পৰীক্ষা নিৰীক্ষা কৰি চাম ।

শ্ৰীমথুৰা ডেকা—এই মিটাৰ বক্স বিলাকত লিকেজ আছে, সেইটো কিহৰ কাৰণে হৈছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীএ, এম, মজুমদাৰ ( শক্তি মন্ত্ৰী )—সেইটো কিবা কাৰণত হব পাৰে কমপ্লেন দিলে চাই দিব ।

শ্ৰীমথুৰা ডেকা—কমপ্লেইন দি থকা হৈছে কিন্তু কোনেও খবৰ নকৰে ।

শ্ৰীএ, এম, মজুমদাৰ ( শক্তি মন্ত্ৰী )—কমপ্লেন দিয়া হৈছে যেতিয়া নিশ্চয় চোৱা হব ।

## Re : Installation of Tube-Wells in Sorbhog

Shri Hemen Das asked :

*98. Will the Minister, Public Health Engg. be pleased to state :

(a) The number of Tube-Wells installed in Sorbhog Assembly Constituency since 1980 ?

(b) Whether the Tube Wells were installed Departmentally or through Contractors ?

(c) If the Tube Wells were made by the contractor/Contractors how many bags of Cement were supplied to them ?

Shri Raghu Nath Pamegum, ( Minister, Public Health Engineering ) replied :

98. (a)—173 Nos.

(b)—Through Contractors.

(c)—35 bags

শ্ৰীহেমেন দাস—এই যে ৩৫ বেগ চিমেণ্ট দিয়া হ'ল কেইটা টিউবৱেলৰ প্লেটফৰ্ম কৰিবলৈ দিয়া হ'ল ?

Shri Raghunath Pamegam—35 bags of cement were is sued for 14 Platforms at the rate of $2\frac{1}{2}$ bags per platform.

শ্ৰীহেমেন দাস—ইয়াৰে কেইটা প্লেটফৰ্ম তৈয়াৰ কৰা হৈছে ? কেতিয়া এই চিমেণ্ট ইচু কৰা হৈছিল ?

শ্ৰীৰঘুনাথ পামেগাম ( জন স্বাস্থ্য মন্ত্ৰী )—এক্‌জেক্ট ইচু দেটতো মোৰ হাতত নাই। মোৰ হাতত থকা তথ্যমতে ১৫৭ খন প্লেটফৰ্ম বনাবৰ কাৰণে দিয়া হৈছিল। তাৰে কাম বৰ্তমান চলি আছে। বাকী বিলাকৰ কাৰণে অৰ্থাৎ অৱশিষ্ট খিনিৰ কাৰণে ঠিকাদাৰ আদিক কাম দিয়া হৈছে। এই ক্ষেত্ৰত আইন শৃঙ্খলাৰ কাৰণে বাধাপ্ৰাপ্ত নোহোৱাওঁ নহয় আনহাতে চুপাৰভাইজৰী ষ্টাফ চৰ্ট হোৱাৰ কাৰণেও কিছু দেৰী হৈছে। যিবিলাক প্লেটফৰ্মৰ কাম বাকী আছে। মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবৰ কাৰণে বিভাগৰ ফালৰ পৰা ব্যৱস্থা লোৱা হৈছে।

## (Undisposed Starred Questions)

### বি : কাৰিকৰী শিক্ষা নথকা লোকৰ প্ৰমোচন।

শ্ৰীবৰ্গৰাম দেউৰীয়ে সুধিছে :

*৯৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি

জনাবনে ?

(ক) জনস্বাস্থ্য বিভাগৰ এজন বিশেষ কাৰিকৰী শিক্ষা নথকা লোকক এচ ডি অলৈ প্ৰমোচন দিয়া কথাটো সঁচা নেকি ?

(খ)—যদি সঁচা হয় কি কাৰণত এনে ধৰণে প্ৰমোচন দিয়া হৈছে জনাবনে ?

শ্ৰীৰঘুনাথ পামেগাম ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৯৯। (ক) হয়, ১৩ ( তেৰ ) জনক দিয়া হৈছে ।

(খ)—কাৰ্য্যকৰী অভিজ্ঞতা আৰু জেষ্ঠতাৰ ভিত্তিত দিয়া হৈছে ।

### Re : Case at Bhoralumukh Police Out Post

Shri Purna Boro asked :

*100. Will the Chief Minister be pleased to state :

(a) Whether a case had been lodged at Bharalumukh Police out Post on 8th August, 1983 by Shri Ramesh Chandra Medhi ?

(b) If so, whether the thief has been arrested ?

(c) If so, whether stolen money and asset have been recovered ?

Shri Hiteswar Saikia, ( Chief Minister ) replied :

100. (a)—Yes.

(b)—Yes.

(c)—Cash amounting to Rs. 543.65 have been recovered.

## Voting on Demands for Grants

শ্ৰীবিমল গয়াৰী – মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগৰ বাজেটৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে সেই প্ৰস্তাৱ সমৰ্থন কৰি মই দুষাৰমান কম। মই যোৱা কালিও এই বিষয়ে আৰম্ভ কৰিছিলো। বন বিভাগৰ বিষয়ে কবলৈ যোৱাৰ লগে লগে মই অসমৰ ভূমি পুত্ৰ জনজাতীয় লোক সকলৰ কথা কবলৈ বাধ্য হলো। অসমৰ এই জনজাতীয় সকল অসমৰ আদিম অধিবাসী। এওঁলোকক অসমৰ ভূমিপুত্ৰ হিচাবে গণ্য কৰা হয়। কিন্তু অসমৰ এই ভূমিপুত্ৰ সকলৰ আজি কি অৱস্থা হৈছে তাৰ বিষয়ে আমাৰ চৰকাৰৰ কোনো কাণষাৰ নাই। এই জনজাতীয় লোক সকলে আজি বদনামৰ ভাগি হৈছে—যে তেওঁলোকে হেনো অসমৰ বনজ সম্পদ ধ্বংস কৰি আইন অমান্য কৰি অসমৰ বনাঞ্চলত সোমাই পৰিছে। এই কথাৰ ওপৰত গুৰুত্ব দি বাস্তৱ দিশৰ প্ৰতি লক্ষ্য ৰাখি মই কব বিচাৰিছো আজি অসমৰ জনজাতীয় বাইজে ভূমিপুত্ৰ হৈও ভূমিৰ পৰা বঞ্চিত হৈ মাটিৰ সন্ধানত পৰ্ব্বতে-গহ্বৰে মাটি বিচাৰি বনাঞ্চলত সোমাই পৰিব লগা হৈছে। গতিকে ইয়াৰ কাৰণ কি তাৰ এটা বিশ্লেষণ কৰি চোৱা উচিত। ইয়াৰ কাৰণবোৰ যদি আমি বিশ্লেষেণ কৰি চাওঁ মূলত দেখিবলৈ পাওঁ যে অসমৰ যি ভূমিনীতি প্ৰক্ৰিয়া সেই প্ৰক্ৰিয়াৰ কাৰণেই আজি তেখেত সকল ভূমিহীন হব লগা হৈছে। এই জনজাতীয় লোক সকল কোনোদিনে ভূমিহীন নাছিল। অতীজৰে পৰা এই লোক সকল কৃষিজীৱি আছিল আৰু কৃষিয়েই তেওঁলোকৰ একমাত্ৰ সম্বল আছিল। কিন্তু আজি চৰকাৰে যি ভূমিনীতিৰ প্ৰক্ৰিয়া গ্ৰহণ কৰিছে তাৰ ফলত তেওঁলোক ভূমিহীন হৈ পৰ্ব্বতে-পাহাৰে ঘূৰি ফুৰিব লগা হৈছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰে যি ব্যৱস্থা লৈছে তাৰ ওপৰতেই বিশ্লেষণ কৰি মই দুআষাৰমান কম। যুগ যুগ ধৰি এই জনজাতীয় লোক সকলে এই বদনাম আৰু এনে সমস্যাৰ সন্মুখীন হৈ আহিছে। কিন্তু ইয়াৰ প্ৰতিকাৰৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে সেইটো মন কৰিবলগীয়া কথা। আমি শুনিবলৈ পাইছো গহপুৰ বনাঞ্চলত, কলাই গাওঁৰ ওচৰৰ বনাঞ্চলত,

লক্ষীমপুৰ আৰু জোনাই এই বনাঞ্চলত বাস কৰা লোক সকলক সময়ে সময়ে উচ্ছেদ কৰা হৈছে। কিন্তু এই লোক সকলক কেনেকৈ আৰু ক'ত সংস্থাপন কৰা হব সেইটো বিবেচনা কৰা হোৱা নাই। এই অনুপ্ৰবেশ-কাৰী সকলক ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা লোৱা আমি দেখা নাই। গতিকে মই সদনত এটা কথা কবলৈ বিচাৰিছো যে যদি এই জনজাতীয় লোক সকলক এনে ধৰণে উচ্ছেদ কৰি থকা হয় আৰু তেওঁলোকৰ পুনৰ সংস্থাপনৰ কাৰণে ব্যৱস্থা হাতত লোৱা নহয় তেনেহলে এটা সময়ত এনে এটা ভয়াবহ অৱস্থা সৃষ্টি হব পাৰে যিটো চৰকাৰে চম্ভালা টান হৈ পৰিব। আজি আমাৰ ভূমি নীতিৰ কাৰণেই হওক বা কৰ্ম্ম সংস্থাপনৰ ভুলৰ কাৰণেই হওক ভূমিহীন স্বত্বেও জনজাতীয় লোক সকল একমাত্ৰ কৃষিৰ ওপৰতে নিৰ্ভৰশীল। সেই জনজাতীয় লোক সকলক পুনৰ সংস্থাপন কৰি যিবিলাক কৃষি উপযোগী মাটি সেই মাটিত তেওঁলোকক বহুৱাৰ ব্যৱস্থা কৰি তেওঁলোকক জীৱিকা নিৰ্ব্বাহৰ পথ উলিয়াই দিয়ক। আজি বিজ্ঞানৰ যুগ, এই যুগতো জনজাতীয় লোক সকল জীৱিকা নিৰ্ব্বাহ কৰিছে হাবিত খৰি কাটি বজাৰত বিক্ৰী কৰি। গতিকে তেওঁলোকক খেতিৰ লগতে কৰ্ম্ম-সংস্থাপনৰ কাৰণে যিবোৰ উপকৰ্ম আছে সেইবোৰতো যাতে তেওঁলোকে সুবিধা পাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। এইখিনিতে মই চৰকাৰক এটা পৰামৰ্শ দিবলৈ ওলাইছো যে যি বিলাক জনজাতীয় লোক খেতিৰ কাৰণে মাটি বিচাৰি পৰ্ব্বতে পাহাৰে ঘূৰি ফুৰিব লগা হৈছে সেই লোক সকলক খেতিৰ উপযোগী মাটিত পুনৰ সংস্থাপন কৰি স্থায়ীভাবে বসবাসৰ সুবিধা কৰি দিব লাগে আৰু সেইবোৰ অঞ্চলত অন্য মানুহে আগলৈ অনুপ্ৰবেশ কৰিব নোৱাৰে তাৰ বাবে এটা কটকটীয়া ব্যৱস্থা হাতত লব লাগে।

এইখিনিতে মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যে আমাৰ যিবোৰ 'ফৰেষ্ট ভিলেজ' আছে সেইবোৰত আমাৰ বন বিভাগৰ পৰা যি ৰক্ষণাবেক্ষণ দিয়াৰ দায়িত্ব আছিল সেই দায়িত্ব তেওঁলোকে

পালন কৰিব পৰা নাই। উদাহৰণ স্বৰূপে জোনাই, লক্ষীমপুৰ কুকলাৰাৰী আদিত যিবোৰ ফৰেষ্ট ভিলেজ আছিল তেওঁলোকক চৰকাৰে সুবিধা দিয়াৰ দূৰৰ কথা তেওঁলোকক উচ্ছেদহে কৰিছে। সেইদৰে এই ফৰেষ্ট ভিলেজবোৰত শিক্ষা-দিক্ষা, ৰাষ্টা-ঘাট, আদিৰ ক্ষেত্ৰত বন বিভাগৰ যি দায়িত্ব আছিল সেই দায়িত্বও তেওঁলোকে পালন কৰিব পৰা নাই। আজি বহুতো ফৰেষ্ট ফিলেজত আমি দেখিবলৈ পাইছো তেওঁলোকৰ মাজত এখন এল, পি, স্কুলোৰ নাই। গতিকে মই অধ্যক্ষ মহোদয় জৰয়িতে আমাৰ বন বিভাগৰ মন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ জনাও যে কেনেকৈ এই লোক সকলক শিক্ষা-দীক্ষাৰ ব্যৱস্থা কৰিব পাৰি আৰু তেওঁলোকৰ যাতায়তৰ কাৰণে ৰাষ্টা-ঘাটৰ আদিৰ ব্যৱস্থা কৰিব পাৰি তাৰ প্ৰতি যেন তেখেতে চকু দিয়ে। আৰু অসমৰ এই ভূমিপুত্ৰ জনজাতীয় লোক সকলৰ জীৱন ধাৰণৰ মানদণ্ড কিছু উন্নত কৰাৰ কাৰণে চেষ্টা কৰে তাৰ কাৰণে অনুৰোধ কৰিলো আৰু বন বিভাগৰ বাজেটৰ ওপৰত বিৰোধী পক্ষৰ পৰা যি কৰ্তন প্ৰস্তাৱ অনা হৈছে সেইটো সমৰ্থন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Binoy Kumar Basumatari—Sir, I rise to support the cut motion moved by my colleague Shri Das. Sir, if we go through the budget we find in the first two lines "Head under which the grant .... .... .... .... ". Sir, this Forst Department is also one of Departments who get grant under the Tribal sub plan. It is a national policy of the Government of India that the tribals be given preferential treatment in the matter of their settlement in the forest areas. But in Assam the tribals are treated very fadly, they have been evicted from their forest settlement. This Forest Department fails to

give protection to the tribal people. Sir, I have an old Government order in my hand. ( Honourable Member read out a Government letter No. FRS. 92/72/71 Dated Shillong the 30th January, 1973, from Shri R. C. Hazarika, Under Secretary, Forest Department to the Deputy Commissoner, Darrang, Tezpur ).

Sub—Dereservation of Gohpur R. F., Charduar R. F. and Balipara R. F.

Ref—This Deptt.'s letters No. FRS. 92/71/24 dt. 2-2-72 and Memo. No. FRS. 92/71/30-A, dtd. 23-10-72.

Sir,

In continuation of this Deptt.'s letters quoted above, I am directed to say that as decided by Government the following groups of people would be accommodated in the Agricultural Farming Corporation to be formed under the New Land Settlement Policy in the areas noted against each group. The cases of other petitioners referred to earlier may also be considered in the Agricultural Farming Corporation if found deserving.

| Name of petitioners | Areas. |
|---|---|
| 1. Shri Achumunda and 300 others | in Dereserved area of Charduar R. F. |
| 2. Shri Amburam Mech and 250 others | in dereserved area of Balipara R. F, |

| | | |
|---|---|---|
| 3. | Shri Take Taleng and 354 others | in dereserved area of (Ranga) of Balipara R. F. |
| 4. | Shri Nera Tao and 20 others (All Daflas) | in deseserved area (Ranga) of Balipara R. F. |

You are requested to take necessary steps to include the above people in the Agricultural Farming Corporation to be formed for the above mentioned area after proper verification of their eligibility.

Sir, these people were given settlement long ago but in the month of June this year they have been evicted from their lands. Why had the Government given them settlement and why now the same Government evicted these people ? Because they are tribal people. This is a great injustice towards the tribal people. This is a Government paper and I have a printed agreement in my hand. (Honourable Member showed a printed agreement to the members). This is an agreement of Tangiya village of the same Balipara R. F with Shri Bangal Miri which was signed on 3rd May, 1960. But surprisingly enough these people got their eviction notices and they were evicted in the month of June. I fail to understand why this Government has ignored the decision of an earlier Government. This is a glaring instance of injustice done to the tribal people. But there is another inte-

resting point, that while on the one hand the tribal people are evicted, on the other hand some non-tribal people are given settlement in those areas. Shri Golap Tamuli, Shri Mangalsing Das and many others are given settlement in these very land from where the tribal people were evicted. There are reports of people dying as a result of eviction operation carried out in Gohpur Reserved Forest. In this connection, I would like to refer to the statement made by Honourable member Shri Das, yesterday regarding D. F. O. who circulated the question papers. He is quilty. He is guilty of insulting the entire state and its culture in such a manner. This officer has underground link with extremists. He has conducted underground training camp in Nonai range and also in Koklabari Reserved Forest. There are many more such officers who are contributing to the national disintegration. Regarding involvement of this officer with underground extremists, I had informed the highest authority, but I do not know what the Forest Minister is doing. I could come to know that this officer was transferred but he said that he would not follow any order signed by this Government or Minister. I have reported this to the Minister, Forests but no action was taken by him. This officer's name was prominently mentioned yesterday by honourable member Shri Das. He is guilty

of going against the decision of Government. I do not know what love is lying between the Govt. and this officer. There is the question of national integrity also. I do not know how the Forest Department can allow this officer to conduct secessional activities against the State Government. Lastly, Sir, so far as my knowledge goes there is a national policy regarding forest and tribals. I would demand that this Government should decide to make an agreement with the tribals in official forms to agree to co-exist peacefully with forest deptt. The forest villages which are predominently inhabited by tribal people should be declared as revenue villages and regularised by giving settlement to the tribal people. Tribals have never destroyed the forest rather they are protecting the forests. Tribal people cannot live without the forests, forest is their livelihood. This Government is making a propaganda that the tribal people are destroying the forests but it is not a fact. These people are giving protection to the forests. I have seen some sal plantation around Salmara. If you go to that side, Sir, you will see hardly 10 or 12 sal trees. Why is this so ? Where has the sal plantation gone. This sal plantation has been cleared and in its place a big commercial firm has been given illegal settlement of these lands to grow a kind of grass which is known as Chitrennela. Gov-

ernment have full knowledge about it. Sir, I suggest that the forest villages which are inhabitated by tribal people should be immediately declared as revenue village and regular land settlement should be granted to them in line with central Govt's policies. Government have already a precedent on this matter and Government cannot turn back from this decision. With these words, Sir, I support the cut motion and suggest that the demand be refused.

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, এই বনাঞ্চল শিতানত আমি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো আৰু ইতিমধ্যে আমাৰ মাননীয় সদস্য কমৰেড হেমেন দাস ডাঙৰীয়াই বক্তব্য ৰাখিছে।

মাননীয় অধ্যক্ষ মহোদয়, বনাঞ্চলৰ প্ৰয়োজন পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষা, ভূমি সংৰক্ষণ আৰু বানপানী নিয়ন্ত্ৰণ কৰাৰ কাৰণে। বনাঞ্চল বৃক্ষৰোপন কাৰ্য্যত জনসাধাৰণক জড়িত কৰিব পাৰিলেহে বনাঞ্চল সংৰক্ষণ তথা বৃক্ষৰোপন সম্ভৱপৰ হব। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে এই বনাঞ্চলৰ যি বিৰাট পৰিমাণৰ ক্ষতি হৈছে এই কথা আমাৰ সকলোৱে জানে। এই প্ৰসঙ্গতে মই এটা খবৰৰ কিছু অংশ পাঠ কৰি দিব খুজিছো, "কোকৰাঝাৰ সংৰক্ষিত বনাঞ্চলৰ ভিতৰ চৰা".....কোকৰাঝাৰ জিলাত থকা চৰকাৰৰ সংৰক্ষিত বনাঞ্চল সমূহত বৰ্ত্তমানে কাঠৰ চোৰাং ব্যৱসায়ৰ দৌৰাত্মত এক জটিল পৰিস্থিতিৰ উদ্ভৱ হৈছে।

নিৰ্ভৰযোগ্য সূত্ৰে প্ৰকাশ যে, বনাঞ্চলৰ চোৰাং কাঠ ব্যৱসায়ী সকলৰ ঘাই কেন্দ্ৰ হৈছে বঙাইগাওঁ চহৰৰ ওচৰতে থকা চাপাগুৰি নামে ঠাইখন। চোৰাং কাৰবাৰী সকলে গৰু-ম'হৰ গাড়ীৰে বনাঞ্চলৰ দুৰ্গম অঞ্চলৰ কাঠবোৰ কঢ়িয়াই আনি পানীৰ তলত নাইবা গাওঁ এলেকাৰ কোনো নিৰাপদ ঠাইত জমা কৰে আৰু পিছত দালালৰ দ্বাৰা কাঠবোৰ

বেছি দামত ট্ৰাকেৰে বিভিন্ন ঠাইলৈ চালান কৰে।

মাননীয় অধ্যক্ষ মহোদয়, বনাঞ্চলৰ কি পৰিমাণৰ ক্ষতি হৈছে সেই কথা খবৰ কাগজত পাই থকা হৈছে। আনহাতে চোৰাং চিকাৰীৰ গড় নিধনৰ খবৰ-বাতৰি কাগজত ওলাইছে। বাতৰি কাগজত ওলোৱা খবৰটো হৈছে, "কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ আশে-পাশে গঢ়ি উঠা কেইটা-মান চোৰাং চিকাৰিৰ চক্ৰই ৰাইজৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। এই দলবোৰে বিভিন্ন পন্থা অৱলম্বন কৰি গড় বধ কৰি খড়্গৰ চোৰাং ব্যৱসায় চলাইছে।

গুলিয়াই গড় হত্যা কৰা কাৰ্য্য বেছি বিপদজ্জনক আৰু ব্যয় বহুল। সেয়ে বৰ্ত্তমান গাত খান্দি গড় হত্যা কৰাটোকে সহজ পন্থা হিচাবে লৈ চোৰাং চিকাৰিয়ে বহুতো গড় নিধন কৰিছে বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰিমতে গাত খন্দা, গড় গাতত পৰিলে তাৰ পৰা খড়্গটো লৈ আহি আন এদলক দিয়া আদি বিভিন্ন স্তৰৰ কামৰ বাবে সংগঠিত আৰু কৌশলী দল আছে। এওঁলোকক হাতে-লোটে ধৰা পেলোৱাটো কষ্টসাধ্য।

যোৱা মাহত ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত গাতত পেলাই এটা গড় বধ কৰিছিল যদিও পহৰাদাৰৰ তৎপৰতাত খড়্গটো বনবিভাগে উদ্ধাৰ কৰিলে। এই পাচটা গাতৰ ভিতৰত এটাত বন বিভাগে উদ্ধাৰ কৰি অনা খড়্গটোৰ গড়ৰ মৃত দেহটোও আছিল।'

মাননীয় অধ্যক্ষ মহোদয়, বনাঞ্চলৰ ওচৰে-পাজৰে থকা যি সকল জনজাতীয় মানুহ আৰু অন্যান্য মানুহে প্ৰজালকৰ বাবে আৰু ঘৰ সজাৰ কাৰণে খুটাৰ বাবে গছ কাটিছে তাৰ দ্বাৰাই বনাঞ্চলৰ এই বিৰাট পৰিমাণৰ ক্ষতি কেতিয়াও হব নোৱাৰে। চোৰাং বেপাৰী আৰু চোৰাং চিকাৰীয়ে ক্ষতি সাধন কৰিছে। বন বিভাগে ৰাজ্যখনত যি পৰিমাণ কাঠৰ চাহিদা আছে সেইটো কিমানদূৰ পূৰণ কৰিব পাৰিছে?

মই এটা হিচাব দিব খুজিছো। অসমত জুইশলা বনোৱাৰ কাৰণে ২৬ হেজাৰ ঘনমিটাৰ শিমলু গছ লাগে। কিন্তু বন বিভাগে মাত্ৰ দিব পাৰে ৫,৫০০ ঘন মিটাৰহে। অসমত ৪০ টা প্লাইউদ ফেক্টৰী আছে। এই প্লাইউদ ফেক্টৰী কেইটাৰ কাৰণে তিনি লাখ চল্লিছ হেজাৰ বাসত্তৰ ঘন মিটাৰ কাঠৰ প্ৰয়োজন। কিন্তু অসমৰ বন বিভাগে যোগান ধৰিব পাৰিছে মাত্ৰ পাচ হেজাৰ, ছশ ষাঠি ঘনমিটাৰহে। অৰ্থাৎ দেখা যায় যে, এই প্লাইউদ ফেক্টৰী কেইটাই অসমৰ হাবিৰ পৰা শতকৰা ১৫ ভাগ কাঠহে পাইছে। ইতিমধ্যে অগৰুৰ কাঠটো অসমৰ হাবিৰ পৰা নাইকীয়াই হৈ গৈছে। এতিয়া এই সমীক্ষাৰ পৰা প্ৰশ্ন হৈছে মূল্যবান কাঠ বিলাক ৰোপন কৰাৰ ক্ষেত্ৰত অসমৰ বন বিভাগে কি ভূমিকা অৱলম্বন কৰিছে? ইতিমধ্যে চোৰাং কাৰবাৰীয়েই প্ৰভূত ক্ষতিসাধন কৰিছে পৰিকল্পনাৰ শিতানত গছপুলিৰ কাৰণে দুই কোটি চাৰি লাখ টকা বিচাৰিছে। প্লাইউদ কাঠৰ খেতি কৰাৰ কাৰণে ২৮ লাখ টকা বিচাৰিছে। এইদৰে একলাখ পোন্ধৰ হাজাৰ স্বাভাবিক শিতানৰ কাৰণে, ষষ্ঠ অনুসূচীৰ প্ৰথম অংশত চৈধ্য লাখ চল্লিশ হাজাৰ টকা। আমি এই টকা দিয়াত আপত্তি নাই যদিহে এই টকাৰ দ্বাৰা অসমত মূল্যবান কাঠ ৰোৱাৰ ব্যৱস্থা হয়। প্লাইউদ ফেক্টৰীৰ আৰু জুইশলা ফেক্টৰীৰ কাঠৰ কাৰণে গছ ৰোৱাৰ পৰিবৰ্তে সামাজিক বনানীকৰণৰ নামত যি কাৰ্য্য কৰিছে ই পৰিতাপৰ কথা। বৰ্ত্তিয়াৰ চিকনিবাৰী বিজাৰ্ভত প্ৰায় বাৰশ বিঘা মাটি ১৯৮২ চনৰ ১৩ মাৰ্চ তাৰিখে তৌজী খাজনা দি থকা ২০।২১ ঘৰ মানুহক উচ্ছেদ কৰা হ'ল। যি সকলে খেতি বাতি কৰি খাই আছিল সেই সকলক সামাজিক বনানীকৰণৰ নামত উচ্ছেদ কৰি বেৰ দিয়া হল। এই বেৰ দিয়া হয় এন, আৰ, পি, শিতানৰ পৰা ৭০ হেজাৰ টকা খৰছ কৰি। ইয়াৰ পিছতো বন বিভাগে লাখ লাখ টকা খৰছ কৰিছে সামাজিক বনানীকৰণৰ নামত। মানুহক উচ্ছেদ কৰা হল, বেৰ দিয়া হল আৰু যত গছ পুলি ৰোৱাৰ কাৰণে ব্যৱস্থা ৰাখিছিল তাত এতিয়া পানী উঠিছে কাৰণ মাটিখিনি দ খেতিৰ মাটি। যিবিলাক

মানুহক তাৰ পৰা উচ্ছেদ কৰা হল সেই মানুহক ৯ বিঘাকৈ মাটি দিয়াৰ কথা আছিল। যত গছ পুলি ৰোৱা হল সেই সকলো বিলাক এতিয়া পানীত জাহ গৈছে।

গতিকে এনেধৰণেবে যদি দুগীয়া খেতিয়ক সকলক সামাজিক বনানীকৰণৰ নামত উচ্ছেদ কৰি থাকে তেতিয়াহলে আমি এই কথাত সমৰ্থন দিব নোৱাৰো। গছ ৰুব বিচাৰিছে পথাৰত গছ ৰোৱক কিন্তু কৃষকক উচ্ছেদ কৰি গছ ৰোৱা কাৰ্য্য নিশ্চয় অপ্ৰয়োজনীয়।

অধ্যক্ষ মহোদয়, আজি প্ৰয়োজন হৈছে বনবিভাগে মূল্যবান কাঠ ৰোপন কৰাৰ ব্যৱস্থা কৰাতো। সামাজিক বনানীকৰণৰ দ্বাৰা এই কাম কৰাটো প্ৰয়োজন হৈ পৰিছে। এই খিনিতে কমৰেড্ হেমেন দাস ডাঙৰীয়াই উল্লেখ কৰা এটা কথা উল্লেখ কৰিব বিচাৰিছো। উত্তৰ কামৰূপৰ ৰঙিয়াত থকা ডিভিজিয়নটোৰ নিয়োগৰ সম্পৰ্কত থকা খেলিমেলিৰ মই এটা প্ৰশ্ন দিছিলো। অৱশ্যে সেই প্ৰশ্নটো এতিয়াও অহা নাই। এই অফিচটোত কেনেধৰণৰ কাম হৈ আছে বা চলি আছে এই বিলাক কথা মই আগৰে পৰাই জানো। এই অফিচটো ৰঙিয়া টাউনৰ পৰা ২ কিঃ মিঃ আতৰৰ চিৰা খুন্দি গাৱত অৱস্থিত। এই অফিচলৈ যোৱা ৰাস্তাটো গ্ৰেভেল ৰোড। অফিচটো আগতেই তাৰ পৰা উঠাই দিয়াৰ প্ৰচেষ্টা চলিছিল। আজিৰ পৰা প্ৰায় ২ বছৰ আগৰে পৰাই এই প্ৰচেষ্টা অব্যাহত আছে। পিচত চৰকাৰক অৱগত কৰোৱাত এই অফিচটো তাতে ৰখা হল। এই অফিচটো ৰঙিয়া টাউনৰ পৰা ভিতৰত বাবে তালৈ অহা যোৱা কৰা অসুবিধা বুলি কিছুমানে ভাবে। গতিকে তাৰ পৰা অন্য ঠাইলৈ নি বহুৱা ভাল হব বুলি আমাৰ বাবু সকলে ভাবে। তেনে ধৰণৰ এটা প্ৰচেষ্টা আগৰে পৰাই চলি আহিছে। এইবাৰ ইনটাৰভিউৰ প্ৰশ্নৰ সম্পৰ্কত হুলস্থুল লাগিল। তেতিয়া কৈছিল যে এই অফিচটো তাৰ পৰা উঠাই নি চাৰিআলিত পতা হব। ইয়াৰ কাৰণে যি ষড়যন্ত্ৰ আৰু দুষ্কাৰ্য চলি আছে আমি সেই বিলাক কেতিয়াও

সমৰ্থন কৰিব নোৱাৰো। ইয়াৰ কাৰণে কঠোৰ ভাষাৰে গৰিহনা দিছো আৰু তদন্তৰ বাবে দাবী জনাইছো। নিবনুৱাই চাকৰি পাওঁক, চাকৰি পোৱাত আমাৰ আপত্তি নাই। কিন্তু নিয়োগৰ সম্পৰ্কত যি বিলাক খেলিমেলি চলি আছে এইবিলাক দুখ লগা কথা। অধ্যক্ষ মহোদয়, মই মোৰ বক্তব্য দীঘলীয়া কৰিব বিচৰা নাই। বন বিভাগত যি বিৰাট পৰিমাণৰ ক্ষতি সাধিত হৈছে এই ক্ষতি কেৱল জনজাতীয় লোকৰ কাৰণেই সাধিত হোৱা নাই। এই বিলাক হৈছে দুৰ্নীতি পৰায়ন বিষয়া আৰু ঠিকাদাৰৰ বাবে। এওঁলোকৰ কাৰণেই এই বিৰাট পৰিমানৰ ক্ষতি সাধিত হৈছে। ট্ৰাইবেল মানুহ অতিজৰে পৰাই বনাঞ্চলৰ ওপৰত নিৰ্ভৰ-শীল। অৰণ্যত অবাধে বিচৰণ কৰাৰ ওপৰিও ফলমূল সংগ্ৰহৰ অধিকাৰ তেওঁলোকে পাই আহিছে। কিন্তু চৰকাৰে বনাঞ্চল বিলাক নিজৰ হাতলৈ নিয়াৰ পিছত বনাঞ্চল আৰু জনজাতীয় লোকৰ মাজৰ সম্পৰ্ক বিনষ্ট হৈছে। এই সম্পৰ্কত যিটো তিক্ততাৰ সৃষ্টি হৈছে এইটো নাইকীয়া কৰিবৰ কাৰণে চৰকাৰে বনবিভাগৰ আইন সংশোধন কৰিব লাগিব। জনজাতীয় আৰু অন্যান্য লোকৰ ইৰ্চ্ছা প্ৰনোদিত অংশ গ্ৰহণৰ অবিহনে বনাঞ্চল ৰক্ষা পৰিব নোৱাৰে। এইটো কৰিবলৈ যাওঁতে চৰকাৰে জনসাধাৰণক কিছু অধিকাৰ দিব লাগিব। বনাঞ্চলৰ কাষত থকা লোকক প্ৰজালকৰ কাৰণে খৰি, নাঙলৰ কাৰণে গছ, বা ঘৰ সজাৰ কাৰণে বছৰত তিনিটাকৈ খুটা কটাৰ অধিকাৰ দিব লাগিব। ইয়াৰ কাৰণে প্ৰয়োজন সাপেক্ষে আইন সংশোধন কৰিব লাগিব। এটা শক্তি-শালী বন ৰক্ষক বাহিনী গঢ়ি তোলাও দৰকাৰ। লগতে অসমৰ বানঞ্চল সমূহত লাভজনক কাঠ বোৱাৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰিছো।

*Shri Dumbarudhar Brahma—Mr. Speaker, Sir, I am on my legs to speak against the cut motion tabled by

---

*Speech not corrected

my hon'ble friend in the opposition. While I support the demand of the Minister at the sametime I would like to speak about something regarding forests. In Assam what was the picture of the forests before independance? It was full of forests; it was full of animals, birds etc. But today after Independence what we see is a tragic picture in the forest area, Sir. The denudation of forest is going to be complete and it is a most tragic thing for a nation. Sir, we all know without forest is not possible to maintain the ecological balance and at the same time it is not possible to have a good rainfall. Also due to lack of sufficient forest even the health of human beings may be badly affected—and that in the scientific opinion, Sir, So, I request the Hon'ble Forest Minister to pay special attention to preservation of forest. I have several times requested our Minister to pay a visit to my area where smuggling and other irregularities in the forest are being carried on. In the House one of our legislator friends just read out a paper about what was going inside the district of Goalpara and in the district of Kokrajhar. So, I request our hon'ble Minister to pay a visit there and gear up the official machinery to look into these matters. Sir, today after Independance we have only 75,500 sq. K.M. of forest. But what is our national policy? Our national policy

is that we should have 30% of the total area of the State under forest. What we have got in Assam is only 21%. So we are to fill up the gaps, and strong social forestry schemes should be taken up to fill up the gaps. There is also a scheme under the 20 Point Programme enunciated by Smti. Indira Gandhi for social forestry. I hope our hon'ble Minister will take a firm decision for implementing the scheme because in the implementation of the scheme we have seen only trees are planted but preservation are not being done. Only plantation will not solve the problem ; what we will have to do, Sir, is to take strong preservation policy. Another thing, Sir, the present law or the present Act of the forest is quite insufficient to deal with the wrong doers. So, I request our hon'ble Minister to repeal the present Act, if necessary, and to legislate again a stringent law by which we will be able to protect our forests which are very near extinction. Sir, in this respect I would like to suggest before the House that we can create a special force wing in the Forest Department, giving them special powers to deal with the miscreants. What we have seen in the Tiger Project, Sir ? Poachers are going there and shooting down the tigers ; these are happening. And what about the National Park ? What is going on inside the Park ? Poaching and hunting, these are going on in commercial basis. So

these should be immediately stopped. Sir, I do not like to take much time but want to say something about revenue. If we want to increase the revenue. we can have some long term programme of planting trees. Teak, Sisu and other important trees can be grown in Assam and the programme for planting these trees can be taken up on a long term basis. There are many factories like plywood factory and we are to feed them and keep them alive and for that will have to plant Hollong, Mekai, Borpak etc. And there is also a match factory. Under the social forestry we can take up programme of planting Simulu, Borpak etc, for supplying raw material for the match factory. These schemes may be taken up with immediate effect, Sir. Another major thing is that Sir, our Minister should stop giving permit for opening of new saw mills in Assam. So, I request our hon'ble Minister to look into these matters so that some persons of our forests may be preserved. Again Sir, I want to say something about our target. What is our target ? We are yet to fill up our national target. So, I request our hon'ble Minister through you Sir, to take a bold step so that the forests, the valuable assets of Assam, may be well protected, well preserved. With these few words I support the demand for grant Sir.

( Mr. Speaker vacated and Mr. Deputy Speaker

occupied the Chair at **11.45 A.M.** )

* শ্ৰীহেম প্ৰকাশ নাৰায়ণ—মাননীয় উপাধ্যক্ষ মহোদয়, বন বিভাগৰ বাজেটৰ ওপৰত আমাৰ বন্ধু সকলে যি আলোচনা দাঙি ধৰিছে আৰু বিৰোধী পক্ষৰ সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ ডাঙি ধৰিছে সেই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য দাঙি ধৰিব খুজিছো । আমাৰ বন্ধুবৰ শ্ৰীব্ৰহ্ম ডাঙৰীয়াই যিটো বক্তৃতা দাঙি ধৰিলে আৰু বিৰোধী পক্ষৰ সদস্য সকলেও এই বিভাগৰ ওপৰত যি আলোচনা আগবঢ়াইছে সেই খিনি কথাত মোৰো দ্বিমত নাই । আজি আমাৰ বন বিভাগত যি বোৰ হানি বিঘিনী হৈছে সেইবোৰত যদি আমি পোনপটীয়াকৈ কাৰবাক জগৰীয়া কৰিবলৈ যাও তেনেহলে আমি বন বিভাগৰ কৰ্মকৰ্ত্তা সকলকে জগৰীয়া কৰিব লাগিব । অসমৰ বন বভাগত যিবোৰ প্ৰাকৃতিক মূল্য-বান সম্পদ আছে সেই সম্পদবোৰৰ ওপৰতেই নিৰ্ভৰ কৰে অসমৰ ভূমি সংৰক্ষণ, বান নিয়ন্ত্ৰণ আৰু পাৰিপাৰ্শ্বিকতা ।

আজি এই বনজ সম্পদবোৰ মানুহৰ জীৱনৰ লগত সম্পৰ্ক থকা এক অতুলনীয় সম্পদ । এই সম্পদ প্ৰকৃতিয়ে নিজে সৃষ্টি কৰিছে । আৰু এই সম্পদবোৰ আজি উদ্ধাৰ কৰাৰ পৰিবৰ্ত্তে ধ্বংসহে কৰিছে । মাননীয় সদস্য ব্ৰহ্ম ডাঙৰীয়াই কোৱাৰ দৰে এই প্ৰাকৃতিক সম্পদ বিলাক নষ্ট কৰাৰ লগতে ধনী ব্যৱসায় মিল মালিক উদক্ৰাফ্ট আৰু ৪০ টাকৈ উদক্ৰাফ্টৰ মালিকক কোনে ধনী কৰিছে ? লাখ লাখ কিউবিক ফুট কাঠ কাটি বিক্ৰি কৰি তাৰ লাভাংশ কোনে পাইছে ? দিয়াচিলাইৰ লাভাংশ চৰকাৰে কিমান পায় ? প্ৰতি বৰ্গ কিলোমিটাৰতে যি বিলাক মিল আজি হব ধৰিছে যিবিলাকে অসমৰ বনজ সম্পদ কাটি শেষ কৰিছে সেই সকলক আজি পামিট কোনে দিছে । উপাধ্যক্ষ মহোদয় আপুনি আচৰিত হব ৰাষ্ট্ৰীয় পথত বোকাখাটৰ পৰা ডেৰগাওঁলৈ প্ৰায় ১৭।১৮

---

* Speech not corrected

মাইল ৰাষ্টাৰ দুয়ো কাষৰ অজস্ৰ কাঠৰ মিল গঢ়ি উঠিছে। তাত মেচিয়-ৰিটি নোহোৱা গছ কাটি খাস্তাং ক'ৰিছে। সেই অঞ্চলত এতিয়া কতো বনাঞ্চল নাই কিন্তু তাত লাখ লাখ কাঠ ক'ৰ পৰা আনি ফালিছে? এই ধৰণে তাত বিৰাট ছাবাং কাৰবাৰ চলি আছে। অথচ বনাঞ্চল বা ৰিজাৰ্ভ বিলাকত বনজ বিষয়া আছে তেওঁলোকক থাকিবলৈ ঘৰবাৰীও বনাই দিয়া হৈছে। তেনেহলে চোৰাং কাৰবাৰ কোনে কৰিছে? এই কাৰবাৰৰ লগত তেওঁলোকৰো হয়তো সম্পৰ্ক আছে। অকল তাতেই নহয় অসমৰ বিভিন্ন ঠাইত কিমান কিউবিক চেন্টিমিটাৰ সেইদৰে কাটি নষ্ট কৰিছে। গতিকে সদ্যহতে যাতে কিছুদিনৰ কাৰণে মিল মালিক সকলে গছ কাটিব নোৱাৰে তাৰ ব্যৱস্থা অনতিপলমে হাতত লব লাগে আৰু এটা কথা সামাজিক বনানীকৰণৰ নামত গছ ৰুইছে ই ভাল হৈছে। এইটো এটা জাতীয় নীতি। কিন্তু বাটৰ দুই কাষে গছ পুলি ৰুই শোভা বঢ়াব বিচাৰিছে নে বনানীকৰণ কৰিব বিচাৰিছে। ভৱিষ্যতে যাতে গছপুলি বিলাকৰ পৰা ৰাইজৰ, সমাজৰ উপকাৰত আহে তালৈ বিশেষ দৃষ্টি দিব লাগে। যিখিনি সংৰক্ষিত বনাঞ্চল আছে সেইখিনি দেখাতহে বনাঞ্চল। তাৰ ভিতৰত একো নাই। হাবি জংঘলেৰে ভৰা কেৱল সন্মুখতে দুই, এঠাইত প্লেন্টেচন কৰা হৈছে। তাত কোনো মূল্যবান গছ নাই। গতিকে উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে বন বিভাগৰ মন্ত্ৰীক অনুৰোধ কৰিছো যাতে সংৰক্ষিত বনাঞ্চল সমূহত মূল্যবান গছ ৰোপন কৰে। যদি আমি তাকে কৰিব নোৱাৰো ভৱিষ্যতে আমাৰ সকলো মূল্যবান কাঠ নাইকীয়া হৈ যাব। গতিকে আইন কৰি হলেও গছ নাকাটি গছ যাতে অধেমধে ধ্বংস নকৰি সমাজৰ আৱশ্যক অনুযায়ী গছ সংৰক্ষণ কৰিব লাগে আৰু আইনমতে গছ কাটিব লাগে। ইতিমধ্যে বহু মাটিহীন মানুহে বিশেষকৈ জনজাতীয় আৰু অনুসূচীত জাতিৰ লোকে সেই বনাঞ্চল সমূহত বহু কষ্ট কৰি হাবি জংঘল পৰিষ্কাৰ কৰি তাত যুগ যুগ ধৰি বসবাস কৰি আহিছে। কিন্তু আজিলৈকে তাত সেই মানুহ বিলাকে মাটিৰ পট্টন পোৱা নাই দিয়াং ৰিজাৰ্ভৰ নগা পাহাৰৰ সীমাই সীমাই

সমগ্ৰ এলেকাত অটব্য অৰণ্য আছিল। তাত হাজাৰ হাজাৰ মাটিহীন মানুহ সেই হাবি জংঘল ভাঙি যুগ যুগ ধৰি তাত বসবাস কৰি আহিছে। কিন্তু তেওঁলোকে এতিয়াও তাত বসবাস কৰাৰ ক্ষেত্ৰত অধিকাৰ পোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ক যি অঞ্চলত বনাণীকৰণৰ ব্যৱস্থা নাই তাত তেওঁলোকক বসবাস কৰাৰ অধিকাৰ দিব লাগে আৰু যি খিনি হাবি জংঘল আছে তাত যাতে ফৰেষ্ট ৰিজাৰ্ভ কৰি তাত যাতে বে-দখল কাৰ্য্য চলিব নোৱাৰে আৰু চোৰাং কৈ কাঠ কাটি বিক্ৰি কৰিব নোৱাৰে তাৰ কাৰণে সম্পূৰ্ণৰূপ সংৰক্ষণ কৰিব লাগে। চৰকাৰৰ আইনে সেইবিলাক ঠাইত ঢুকি পোৱা নাই। গতিকে মন্ত্ৰীমহোদয়ে যাতে সেই-বিলাক ঠাইৰ প্ৰতি বিশেষ দৃষ্টি দিয়ে। ইতিমধ্যে তত্কালীন ব্যৱস্থাৰ কাৰণে নতুনকৈ ম’মিল খুলিবলৈ পামিট দিয়াতো বন্ধ কৰিব লাগে আৰু যিবিলাক মিলে ইতিমধ্যে কাঠ কাটি আছে সেই সকলক কিছুদিনৰ কাৰণে কাঠ কটাতো বন্ধ কৰিব লাগে। উদ্‌ক্ৰাফ্‌ট বিলাকক বৰ দীঘলীয়া লিষ্ট দিয়াৰ ফলত আইনৰ পৰা বাহিৰত গৈ তেওঁলোকে অবাধে বন জংঘল কাটি ধ্বংস কৰিছে। গতিকে দৰকাৰ হলে পুনৰ পৰ্য্যালোচনা কৰি হলেও আইন সংশোধন কৰি বিহিত ব্যৱস্থা লব লাগে। সেইটো কথা ঠিক যে বন বিভাগ পৰিচালনা কৰিবলৈ নিশ্চয় টকা লাগে। এতিয়া যিখিনি টকা বিচাৰিছে সেইখিনি খুব বেচি নহয়। আশা কৰিছো এই টকাখিনি সদ্‌ভাবে খৰচ হব আৰু হেৰাই যোৱা মূল্যবান গছবিলাক আৰু বনজ সম্পদ বিলাক পুনৰ সজীৱ হৈ উঠিব। এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমথুৰা ডেকা—মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আজি কিছুদিন আগতে গুৱাহাটীৰ ৰাজআলিৰ কাষত গছ ৰোৱা দেখিবলৈ পাইছো। পানবজাৰৰ মাজৰ ৰাষ্টাবিলাকৰ কাষত এই গছ গছনিবিলাক কিয় ৰুবলৈ লৈছে সেইটো চিন্তা কৰিব লগীয়া বিষয়। ইতিমধ্যে আমাৰ চিকিৎসা বা বৈজ্ঞানিক সকলে গছগছনী যে ৰুব লাগে সেই কথা বুজা নাছিল নেকি নে আয়ুৰ

কৰিব পৰা নাছিল ? অৱশ্যে ৩৫ বছৰৰ মূৰত বুজাটো বা আয়ত্ব কৰিব পৰাতো ভাল কথা। এই যে পানবজাৰৰ ৰাষ্টাৰ কাষত গছ বিলাক ৰুবলৈ লৈছে এইবিলাকতো ডাঙৰ হলে ঠাল ঠেঙুলি কাটিব লাগিব। সাধাৰণতে গছ গছনী ৰোৱাৰ ক্ষেত্ৰত বৈজ্ঞানীক ভাবে চিন্তা কৰি চাইছে ৰুব লাগে যাতে যিবিলাক গছগছনী ৰোৱা যায় সেই বিলাক ভালকৈ বাঢ়িব পাৰে আৰু তাক যাতে কাটিব লগীয়া নহয়। এনেধৰণৰ কাৰ্য্য-কলাপ আমাৰ বনবিভাগত আৰম্ভ হৈছে। বিভিন্ন ইলেকট্ৰিক টেকনি-কেলৰ টকা থকা অৱস্থাই যতিয়া গছ পুলি ৰুবলৈ লৈছে, সাৱধানে চাব লাগিব। দুই এটা বিভাগে এই বিলাক ৰক্ষণাবেক্ষণৰ কাৰণে নাম জাহিৰ কৰাৰ বাবে চাইন বোৰ্ড দি থৈছে। মই আৰু এটা কথা কব খুজিছো যে আমাৰ চোচিয়েল ফৰেষ্ট নামৰ বিভাগটোৱে যেনে ধৰণে গছ পুলি বিলাক ৰুবলৈ লৈছে তেখেত সকলে যেন অসমত এখন ফুলৰ বাগিছা কৰিবলৈহে লৈছে। আমাৰ যি সকল মানুহে গৰু চৰা-ইছিল সেইটো বন্ধ কৰিবৰ কাৰণে এই ফুলৰ বাগিছা সমূহ কৰা হৈছে নেকি ? মই অৱশ্যে বহুদূৰ বাট যোৱা নাই। গুৱাহাটীৰ পৰা বণিয়ালৈ যাওঁতে ৰাস্তাৰ দাতিত আলিবাট যিবোৰ আলিবাটৰ দাতিৰ মাটি আছে সেইবিলাকত সুন্দৰ ভাবে কাটা তাৰৰ বেৰা দি আবৰি ৰাখিছে। যিয়েই নহওক বাটৰ কাষত গৰু চৰোৱা বন্ধ কৰিছে ইও এটা ভাল কথা। ইয়াৰ ফলত কোম্পানীৰ এজেণ্ট সকল লাভবান হৈছে। মই বিদেশী কিছুমান ৰাষ্ট্ৰৰ প্ৰবন্ধ পঢ়িছো। আমাৰ ইয়াত সেই ৰাজ্যসমূহত গছপুলি বিলাক যেতিয়া ৰোৱা হয় তেতিয়া ওচৰৰ কোনোবা এজন মানুহক সেই বিলাকৰ ৰক্ষণাবেক্ষণৰ কাৰণে আৰু উপযুক্ত ধৰণে গছ গছনী বিলাক ডাঙৰ দীঘল হব পৰাকৈ বন্দবস্ত কৰি ঠিকা দিয়া হয়। ফলত মানুহ কেইজনেও গছগছনি ৰক্ষণাবেক্ষণৰ বাবে টকা পইছা পাই, গছগছনী সমূহৰো কোনো অন্যায় নহয়। তেতিয়া নিবনুৱা সমস্যা বা আৰ্থিক দিশৰ অংশ লাঘৱ হব। এইটো বন বিভাগে কিয় চিন্তা কৰা নাই ? মই যোৱা কালি এটা কথা কবলৈ পাহৰিয়েই গলো। ৰাজ্যত

বাননিয়ন্ত্রণলৈ কোটি কোটি টকা খৰছ কৰিও ফলৱতী হব পৰা নাই। বাননিয়ন্ত্রণৰ ক্ষেত্রত যদি বৈজ্ঞানিক কাৰিকৰী লোক নাই তেতিয়া বিদেশী ৰাষ্ট্ৰৰ সহায় লব লাগিছিল। ঠিক তেনেদৰে বিদেশী ৰাষ্ট্ৰৰ প্ৰবন্ধ বিলাক পঢ়ি চালে আমি এক্সপার্টৰ বিষয়ে কিছু কিছু ধাৰণা কৰিব পাৰো। মোৰ আগতেই আমাৰ বিধায়ক বন্ধু সকলে বন বিভাগ সম্পৰ্কে তেখেত সকলৰ পৰামৰ্শ আগবঢ়াইছে যাতে ইমান টকা পইছা খৰছ কৰি মূল্যবান গছৰ পুলি বিজ্ঞান সম্মত ভাবে ৰোৱে আৰু যাতে অবাধে জধেমধে গছগছনী কাটি খান্তাং কৰিব নোৱাৰে তাৰ বাবে নজৰ দিয়ে। চৰকাৰে কৈছে যে যতেই খালি মাটি থাকে তাতেই গছ ৰুব। কথাটো বামুণ আৰু বৰুৱাৰ গল্পৰ নিচিনা হৈছে। বামুণে বৰুৱাক কলে বস্তি চাফা কৰিবলৈ আৰু সেইমতে বৰুৱাই এফালৰ পৰা সকলো বিলাক গছগছনী কাটি এফালৰ পৰা চাফা কৰি উদং কৰি দিলে। তাৰ মানে বৰুৱাই যে মূল্যবান গছগছনী বিলাক কাটিব নালাগে সেই কথা চিন্তাই কৰিব পৰা নাছিল। চাফা কৰিব দিছে এফালৰ পৰা চাফা কৰি দিছে। ঠিক বন বিভাগৰ কথা বিলাকো এনেকুৱা ধৰণৰ দেখিবলৈ পাইছো। এই গছগছনীবিলাক ৰক্ষণাবেক্ষণৰ কাৰণে যিবিলাক কাটা তাৰৰ বেৰো দিয়া হৈছে ৫ বছৰ পিছত সেইবিলাক বেৰত মামৰে ধৰিব। কিন্তু ৫ বছৰৰ ভিতৰত সেই গছ পুলি বিলাক ডাঙৰ দীঘল হৈ খুঠিবও পাৰে। উপযুক্ত ৰক্ষণাবেক্ষণ আৰু পতি পালক নেথাকিলে গছ পুলি হোৱাও আশা ঠিক মতে কৰিব নোৱাৰি। গতিকে এই গছ গছনী বিলাক উপযুক্ত ভাবে ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে ওচৰৰ ২৪ জন মানুহক চুক্তিবদ্ধ কৰি ললে সেইবিলাক সঠিক ভাবে ডাঙৰ দীঘল হোৱা বা বাঢ়ি অহাত বৰঙণি যোগাব আৰু কোম্পানী বিলাকেও টাৰ কটা বিক্রীৰ সুবিধাৰ পৰা বঞ্চিত হব। এইখিনিতেই মই বন বিভাগৰ মন্ত্রী ডাঙৰীয়াক এটা কথা উন্মুকিয়াই থলো। আমাৰ বন বিভাগৰ কিছুমান আইন হ'ল বনৰীয়া জীৱজন্তু বিলাক মাৰিব নালাগে। সেই আইন খন হ'ল এনেধৰণৰ। বাঘে আহি মানুহ খায় তথাপি বাঘ মাৰিব নালাগে।

মাণ্ডাকাটা পাহাৰত বাঘে গৰু খোৱাত বাঘটো মাৰিলে। এদিন এটি গৰু মৰা নহয় পাৰৰ বহু কেইটি গৰু মাৰিলে। বাধ্যহৈ বাইজ লগ হৈ বাঘ মাৰিলে। ফলত বাঘ মাৰোতা সকলক ধৰি আনি জেইলত ভৰাই থলে। বন বিভাগৰ এই বনৰীয়া জন্তুবোৰে যাতে মানুহৰ অন্যায় কৰিব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা লব লাগে। বাইহাটা চাৰিআলিত মানুহ ৰাতি বাহিৰত নোলায় বা ওলাব নোৱাৰা হৈছিল। তেওঁলোকে ৰাতি চৰিয়াত পেচাব কৰিবলৈ বাধ্য হ'ল। বাঘ সন্ধিয়াৰ পৰা মানুহৰ নওলাই নওলাই ফুৰা হ'ল। ঘৰৰ বাহিৰত ওলাবলৈ সাহস নাইকীয়া হ'ল। গতিকে আমি এই সকলোবিলাক কথা চিন্তা কৰি চাব লাগিব। বিভিন্ন ঠাইৰ বিভিন্ন কথা শুনিলো। আৰু এটা কথা শুনিলো আমাৰ ট্ৰাইবেল ভাই সকলৰ ভাষাতো সাহিত্য সভাই স্বীকাৰ কৰিব নোৱাৰে আৰু বনবিভাগেও তেখেত সকলক মাটিৰ পৰা উচ্ছেদ কৰিবলৈ লাগিছে। কথাই কথাই যদি আমি তেখেত সকলক অন্যায় ভাবে উচ্ছেদ কৰো তেতিয়াহলে তেখেতসকলে আমাৰ লগত কেনেকৈ থাকিব? তেখেত সকলক উচ্ছেদ কৰি কোনো মানুহেই যাতে তাত স্থান নাপায় সেইটোৰ ব্যৱস্থা কৰিব লাগিছিল। জনজাতিৰ লোকক বননীৰ পৰা উচ্ছেদ কৰি আকৌ সেই ঠাইত যদি আন মানুহক দখল দিয়া যায় তেনেহলে সহ্য বাৰু কেনেকৈ হয়? এনেধৰণৰ কিছুমান খামখেয়ালী আমি চিন্তা কৰি চাব লাগিব। এনেধৰণে যদি আমি কাম কৰো তেতিয়াহলে দুয়োকুল ৰক্ষা পৰিব। আমাৰ বন্ধু হেমেন দাস ডাঙৰীয়াই এটা কথা যোৱা কালি উথাপন কৰিছে। এই যিটো ঘটনা ঘটিছিল এইটো লজ্জাজনক কথা। চৰকাৰে এই সম্বন্ধে চিন্তা কৰিছে নে নাই নেজানো। আজি আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াও উপস্থিত আছে। ৰঙিয়া বন বিভাগৰ ৰহস্য জনিত কথাবোৰ আপোনালোকৰ আগত বাখ্যা কৰাৰ সুযোগ পাইছো। যোৱা ৩ আগষ্ট তাৰিখে লোগিং এচিষ্টেণ্ট আৰু বন পালক ইত্যাদি পদৰ কাৰণে প্ৰাৰ্থীৰ পৰা আবেদন লোৱা হৈছিল। ৩ আগষ্ট তাৰিখেই আছিল আবেদন

কৰাৰ শেষ তাৰিখ আৰু সেই একেদিনাখনেই ২ বজাত ইণ্টাৰভিউ লব। অধ্যক্ষ মহোদয়, আবেদনকাৰীৰ এই দৰ্খাস্ত ৰেজিষ্টাৰ কৰাৰ নিয়ম আছে নে নাই, নাই যদি বেলেগ কথা। কোনো কোনো বিভাগত আবেদন সমূহ ৰেজিষ্টাৰ কৰাৰ নিয়ম আছে বুলি জানো। সেই কাৰনেই মই কথাটো উথাপন কৰিছো। এই ধৰণৰ যিবিলাক দৰ্খাস্তকাৰী ৩ আগষ্টত গৈছিল তেওঁলোকক কলে ঠিয় হোৱাগৈ মই ইণ্টাৰভিউ লম। প্ৰাৰ্থী সকল ভৰ ৰ'দত গৈ থিয় হ'ল। পৰীক্ষাৰ প্ৰশ্নত কি আছে মোৰ বন্ধু হেমেন দাস ডাঙৰীয়াই কৈ গৈছে। ইমান অশ্লীল আৰু লজ্জাজনক কথা বা মন্তব্য এনে কাৰ্য্যৰ দ্বাৰা চৰকাৰক উপলুঙা কৰা হোৱা নাইনে? এনেবিলাক কথা পৰ্য্যালোচনা কৰি চোৱাটো উচিত।

অধ্যক্ষ মহোদয়, ৭ হেজাৰ প্ৰাৰ্থী। তাৰে কেইজনমানে প্ৰশ্নকাকত পালে কেইজনমানে নেপালে। নোপোৱা বিলাক ডি, এফ. ও, ৰ ওচৰলৈ আহিছে। তেওঁলোকে প্ৰশ্ন-কাকত বিচৰাত ভৰিৰ বুটেৰে গুৰিয়াই দিয়ে কেইজনমানক। এজন চৰকাৰী বিষয়াই যদি নিবনুৱাক এই ব্যৱহাৰ কৰে তেনেহলে এটা চৰকাৰ তিষ্ঠিব কেনেকৈ? ভৰিৰ বুটেৰে গুৰিউৱাৰ পাচত প্ৰাৰ্থী সকলক আতৰ কৰাৰ বাবে ভিতৰৰ পৰা পানী মাৰিবলৈ ধৰিলে। তাৰ পাচত অতিষ্ঠ প্ৰাৰ্থী হৈ সকলে শিল দলিয়াব ধৰিবলৈ ধৰিলে। ফলত ঘৰটোৰ যি ক্ষয় ক্ষতি হল তাৰ ক্ষতিপূৰণ এই বিষয়া জনৰ পৰা আদায় কৰিব লাগে কিয়নো এই বিষয়া জনৰ উদ্ভগুলিৰ কাৰণে এই খিনি হবলৈ পালে। তাৰ পিচত সেই বিষয়া জনে নিজক ৰক্ষা কৰাৰ বাবে ৰঙিয়ালৈ টেলিফোন কৰি জনোৱাত লগে লগে চি, আৰ, পি, গৈ ল'ৰাবিলাকক উধাই মুধাই মৰিয়াব ধৰিলে। যোৱা ১৫ আগষ্টৰ স্বাধীনতা দিবসৰ কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিবলৈ মইও ৰঙিয়ালৈ গৈছিলো। তাত মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মণ দেবক আমি লগ ধৰি এই ঘটনাৰ আদ্যপান্ত বিবৰি কৈছিলো। ইয়াৰোপৰি অঞ্চলৰ ভালেমান লোককে ধৰি প্ৰায় এহেজাৰমান লোকে এই ঘটনাৰ কথা মাননীয় মন্ত্ৰী

মহোদয়ক অবগত কৰি এই দোষী বিষয়া জনৰ বিৰুদ্ধে ব্যৱস্থা কৰিবলৈ টানি অনুৰোধ কৰাত মাননীয় মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল যে ইমান মানুহে যেতিয়া এক মুখে একেটা কথাকে যেতিয়া কৈছে গতিকে ইয়াৰ সত্যতা আছে আৰু তাৰ ভিত্তিতে তেখেতে বিষয়াজনৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হব বুলি প্ৰতিশ্ৰুতি দি আহিছিল আৰু মাননীয় মুখ্যমন্ত্ৰীক এই বিষয়ে জনাব বুলিও কৈছিল মই নিজেও তুজন মাননীয় মন্ত্ৰী মহোদয়ক লগ কৰিছিলো। মন্ত্ৰী মহোদয়ে মোক লিখিত ভাবে দিবলৈ জনোৱাত মই লগে লগে লিখি দিলো। ইয়াৰ পিছত মাননীয় মন্ত্ৰী মহোদয়ে লিখিত ভাবে এই নিযুক্তি বন্ধ হবলৈ জনালে। তাৰ পিছত শুনিলো টেলিগ্ৰাম গৈছে নিযুক্তি বন্ধ কৰাৰ কাৰণে। ইয়াৰ পিছত গম পালো ডি, এফ, ও, ছুটিত গৈছে আৰু সেই ছুটিৰ ভিতৰতে নিযুক্তি হবলৈ আৰম্ভ কৰিলে। এই নিযুক্তি অফিচাৰৰ পৰা পোৱা নাই বাইহাটা চাৰি-আলি আদি কৰি কেইবা ঠাইতো কেইজনমান নিৰ্দিষ্ট দালালৰ হাতৰ পৰা এই নিযুক্তিপত্ৰবোৰ যাব ধৰিছে। আমি গম পালো যদিও প্ৰথমতে বিশ্বাস কৰিবলৈ টান পাইছিলো, কেইজনমান চাকৰি পোৱা ল'ৰা আৰু তেওঁলোকৰ অভিভাৱকৰ পৰা গম পালো যে প্ৰত্যেক প্ৰাৰ্থীৰ পৰা একোটা নিযুক্তিৰ কাৰণে ৩ হেজাৰকৈ টকা ভেটি লৈছে। এই হিচাবে অংক কৰি চালে দেখা যায় প্ৰায় ৯ লাখ মান টকা তেওঁ উপাৰ্জন কৰিলে। এই কথা আমি সকলোৱে স্বীকাৰ কৰিছো, আমাক এখন সুস্থ চৰকাৰ লাগে। আমি চৰকাৰ কিয় বিচাৰিছিলো ? ইমান যুজ ৰাগৰ কৰি আমি কিয় চৰকাৰ গঠন কৰিছিলো ? আমি নিজৰ জীৱন মৃত্যুৰ মুখলৈ ঠেলি দিও নিৰ্বাচন এই কাৰণেই পাতিছিলো যে ৰাষ্ট্ৰপতিৰ শাসন চলিলে আমি আমাৰ মনৰ ভাব প্ৰকাশ কৰিব নোৱাৰিম। আমাৰ অভাৱ অভিযোগ কাৰো ওচৰত ডাঙি ধৰিব নোৱাৰো, কোনো সমস্যাকে আমি প্ৰকাশ কৰিবলৈ কোনো এজনক নেপাও গতিকে নিৰ্বাচন সমৰ্থন কৰিলো। এনে এক জীৱন মৰণৰ খেলা খেলি নিৰ্বাচন পতাৰ পিচতো আমি দেখিলো যে এনেকুৱা এজন ডি, এফ, ও, ই অৰাজকতাৰ

সৃষ্টি কৰিছে। এই বিষয়াজনে পোছাক পিন্ধাই দালালৰ ঘৰৰ গেটত মানুহ ৰাখি থয় আৰু ভিতৰত মদে ভাতে খাই নাচ-গান কৰি মজগুল হৈ থাকে। অৰ্থল নিজেই নেনাচে—হায়াৰ কৰি মানুহ লৈ যায়। মাননীয় স্বাস্থ্য মন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দি অহাৰ কাৰণে লাজতে ইমান দিনে মুখ্যমন্ত্ৰীক এই কথা বিলাক কোৱা নাছিলোঁ।

Expunged oder unders from the Chair.

শ্ৰীৰমেশ ফুকন—মাননীয় অধ্যক্ষ মহোদয়, কিবা এটা অভিযোগ আনিলে তাক তথ্য সহকাৰে প্ৰমাণ কৰিব পৰিলে ভাল হয়।

Shri Altaf Hussain Mazumdar—Point of order. The hon'ble member has got the right to criticise a definite officer. But he has done something wrong by implicating the Minister. There should be proof and other things must be placed before the Hon'ble Speaker according to the rules.

Sir, it is alleged that the hon'ble Minister has forwarded some petitions. Sir we know that whenever some persons come with applications the Minister do forward the same to the officer concerned but they do not do it with certain purpose. Even if there is any allegation against any Minister certain proofs and other things must be placed before the House or the Speaker and the Speaker should be convinced that there is truth in such allegations and with the permmision of the Speaker such matter can be raised in the House. So, Sir, this part of allegation

against the Minister should be deleted from the proceedings.

( Voices—Yes, Yes )

noise .... noise in the House

( at this stage Mr. Speaker took the Chair )

Mr. Speaker—Order, order ; there should be order in the House ; there should not be any inference. There might be someting right or wrong but there should not be any inference drawn. If there is any allegation atleast the Chair should be informed earlier. The portion spoken without informing the Speaker and which was spoken against the Minister or anybody that partcular portion should be expunged from the proceedings.

( noise .... noise )

If the hon. members go on speaking in this way, then it will not be possible on my part to allow the members to continue. There might be smething right or wrong and whenever you want to speak against anybody that must have proof as it has got certain procedures which are to be followed. Hon'ble members have right to speak in different ways but everything should be done with dignity and decorum.

মাননীয় অধ্যক্ষ—মাননীয় সদস্যই কণ্ঠতে এই কথা মনত রখা উচিত হব যে

সদায় স্পেচিফিক পইণ্টটোহে কব লাগে।

শ্রীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, যি সকল ডেকা লৰাই সেই বিষয়াজনক টকা দিছে সেইটো সত্য মই প্ৰমাণ কৰিব পাৰিম।

শ্রীচন্দ্ৰধৰ কলিতা—মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ—এতিয়া চাপলিমেণ্টৰী সোধাৰ সময় নহয়।

শ্রীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, এতিয়া বিশ্বস্তসূত্ৰে গম পাইছো যে ৰঙিয়াৰ পৰা সেই কাৰ্য্যালয়টো স্থানান্তৰিত কৰাৰ ব্যৱস্থা চলিছে। কোনোৱাই যদি চি, পি, আইৰ বিধায়কৰ পৰা ফৰোৱাৰ্ড কৰি লৈ গৈছে তেন্তে তেওঁক বেয়া ধৰণেৰে কৈছে আৰু যদি কোনোবাই চি, পি, এম সদস্যৰ পৰা ৰিক'মাণ্ড কৰাই লৈ গৈছে আৰু যদি তেনেকৈ কোনোবাই আই কংগ্ৰেছৰ সদস্যৰ পৰা লৈ গৈছে তেন্তে তেওঁকটো একেবাৰে বহিৰ কৰিয়েই দিবলৈ বিচাৰে। এনেদৰে এই বিভাগত এক শ্ৰেণীৰ দালালৰ নিযুক্তি হৈছে। আমাৰ সন্দেহ হয় বিধায়ক হলেও আমি কিজানি ডি, এফ, অ'ৰ ওচৰকে চাপিব নোৱাৰিম।

(সদমত হাঁহিৰ ৰোল উঠে)

মন্ত্ৰী মহোদয়ে টকা খোৱা কথাটো সত্য নহলেও বাকী বিলাকে যে খাই এইটো সত্য। এই কথাবিলাক কবলৈ আজি আমাক বাধা দিছে, আমাৰ মানুহ কম কাৰণেই বাধা দিছে নেকি? আমাৰ মানুহো নাই। অধ্যক্ষ মহোদয়, আমি নতুনকৈ আহিছোঁ। এবছৰমান যোৱাৰ পিচত ইয়াৰ নিয়ম-নীতি হয়তো শিকিব পাৰিম।

অধ্যক্ষ মহোদয়, এই কথাৰ এটা বিচাৰ আমাক লাগে। আপোনাৰ আসনৰ পৰাই বিচাৰ কৰি সেই অফিচাৰ জনক তাৰ পৰা আতঁৰাব লাগে। অধ্যক্ষ মহোদয়, যি জনৰ তামোল-পানৰ বাৰীৰ বাবে দুকঠা মাটি নাই তেৰোঁ এতিয়া টি, ভি অৰ্দাৰ দিছে। এই দালাল জনৰ কথা বহুত বাৰ

পুলিচক জনোৱা হল তেওঁলোকে একো নকৰে চৰকাৰী বিষয়া সকলে এনেভাবে এক শ্ৰেণীৰ দালালৰ জন্ম দিছে। আমাৰ ফৰেষ্টৰ যিবিলাক খয়াৰ কোপানি আছে তেওঁলোকৰ দুৰ্নীতিৰ ফলত অনেক মূল্যবান গছ কাটি পেলোৱা হৈছে। অকল ট্ৰাইবেল মানুহখিনিৰ ওপৰতে প্ৰতিশোধ ললে নহব। আমাৰ আগৰ বাজেট অধিবেশনত এজন বিধায়কে কৈছিল যে গছ পুলি ৰুব লাগে। গছ-গছনি বেছি হলে বৰষুণ হয়। আমিও কওঁ গছ পুলি ৰুব লাগে কিন্তু পুৰণি গছবিলাক কাটি পেলাব নালাগে। অসমৰ মানুহে যদি চুলাজ ভাত খৰিৰে বান্ধিলেহেতেন তেন্তে অসমত গছেই নাথাকিলেহেতেন। আমাৰ কথা হল, পি, ডব্লিউ, ডিৰ অভাৰচিয়েৰ সকল গছ কটাত ওস্তাদ। আলি বাটৰ দাঁতিৰ গছবোৰ যেন তেওঁলোকৰ নিজা গছ, ঠিক তেনেভাবে কটা মেলা কৰে।

( সময়ৰ সংকেট )

সময় নাই আৰু মোক কবলৈ নিদিয়ে যেতিয়া মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি বহিছোঁ।

( After Lunch )

The House re-assembled with Mr. Deputy Speaker in the Chair.

* শ্ৰীজগত পাটগিৰি—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বন বিভাগৰ মন্ত্ৰী মহোদয়ে যি ডিমাণ্ড দাঙি ধৰিছে তাৰ সমৰ্থন কৰিছো আৰু বিৰোধী পক্ষই দাঙি ধৰা কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি দুষাৰ কবলৈ ওলাইছো। অসমৰ বনজ সম্পদ আজি আপুৰুগীয়া সম্পদ। শ্ৰীডম্বৰু বৰাই কৈছে অতীতত অসম অটব্য হাবিৰে পৰিপূৰ্ণ আছিল। অসমৰ হাবিত গছ-গছনিকে আদি কৰি বহু আপুৰুগীয়া সম্পদ আছে। অসমৰ হাবিত জীৱ-জন্তু, পখিলা, পোক-পৰুৱা, ফৰিং আদি মূল্যৱান সম্পদ আছিল। আজি ১৯৮৩

* Speech not corrected.

চনত কি ছবি আমি দেখিবলৈ পাইছোঁ। বৰ্তমান ই এটা হতাশজনক অৱস্থা। দেশখন পৰাধীন অৱস্থাত থাকোতে হাবি বননি সংৰক্ষণৰ ব্যৱস্থা আছিল। নিজে বাচি দিয়া এখন গণতান্ত্ৰিক চৰকাৰ থকাৰ পিচত কব লাগিব বনজ সম্পদ সংৰক্ষণৰ নিয়ম নীতি বিলাক ঢিলা হৈ গৈছে। সৰু থাকোতে দেখিছিলো আমাৰ গাওঁখন অটব্য হাবিৰে ঘেৰি আছিল। ৰাস্তাৰে খোজ কাঢ়ি যাব নোৱাৰি-বাঘৰ গোজৰণি, শিয়ালৰ শব্দ। বনৰীয়া জন্তুৱে ভয়ানক অৱস্থাৰ সৃষ্টি কৰিছিল। এতিয়া চাৰিওফালে চপা। জীৱ, জন্তু গছ-গছনি সকলো মূল্যবান সম্পদ শেষ হৈ গৈছে। অমূল্য বনজ সম্পদ সংৰক্ষণ কৰাৰ কাৰণে কুবিদফা আঁচনিত ব্যৱস্থা দিয়া আছে। তত্ৰাস বনজ সম্পদ সংৰক্ষণৰ নামত আজি দুৰ্নীতি চলিছে, চিএৱ বাধৰ লাগি আছে। বনজ সম্পদ কেনেকৈ সংৰক্ষণ কৰিব পাৰি এইটো অকল চৰকাৰৰেই দায়িত্ব নহয়। এই সংক্ৰান্তত চৰকাৰৰ লগত ৰাইজৰো সহযোগিতাৰ প্ৰয়োজন হৈ পৰিছে। আজি বক্তাই কৈছে যে চৰকাৰ আৰু ৰাইজৰ মাজত সম্পৰ্ক লোহোৰা হৈ গৈছে। বিভিন্ন ঘটনা প্ৰৱাহৰ দ্বাৰা বিভেদৰ সৃষ্টি হৈছে। আগতে দক্ষিণ গোৱালপাৰাত যিজন ফৰেষ্টাৰ আছিল তেওঁক দেখি সকলোৱে ভয় কৰিছিল। কিন্তু আজি ৰেঞ্জ অফিচ, চেক পোষ্ট থকাৰ সত্বেও গছ-গছনি কিয় ৰাখিব পৰা নাই। নিশ্চয় আইনৰ কিছুমান ফাঁক আছে আৰু এই ফাকে সাৰি গৈছে। চোৰাং চোৰা কিভাগে নিজৰ চাল কাটি লৈ যোৱা বস্তু ধৰিব পাৰিছিল ছোৱালীৰ চুলিৰ খোপাৰ পৰা বস্তু ধৰিব পাৰিছিল। চোতাৰ হাইহিলৰ পৰা বস্তু ধৰিব পাৰে, লড়িকে লড়িয়ে কাঠ লৈ গৈ থাকে ফৰেষ্ট বিভাগৰ চকুত নপৰাৰ কিয় ? দেখিও নেদেখাৰ ভাও জুৰিব লগা হৈছে। আমি অকল ব্যক্তি কেন্দ্ৰীক হলে নহব। প্ৰাকৃতিক সম্পদৰাজি সংৰক্ষণ কৰিলেহে জয় আই অসমৰ চিনাকি দিব পাৰিম। জনজাতীয় অজনজাতীয় সকলো ৰাইজ সংঘবদ্ধ হৈ ৰক্ষণা-বেক্ষণ দিব লাগিব। দক্ষিণ গোৱালপাৰাত ফৰেষ্ট ৰেঞ্জ আছে, কৃষ্ণাইত ফৰেষ্ট ৰেঞ্জ আছে, ৰংজুলিত ফৰেষ্ট ৰেঞ্জ আছে। ৰং-জুলিত সকলোৱে চকু পৰিছে। অফিচাৰ সকলক বদলি কৰিলেও লক্ষী-

পুৰ, কৃষ্ণাইলৈ যাব নিবিচাৰে। সকলোৱে ৰংজুলিলৈ যাব বিচাৰে। কাৰণ ৰংজুলিত ইনকাম বেছি হয়। এই ক্ষেত্ৰত চৰকাৰে সাৱধানতা অৱলম্বন কৰিব লাগে।

ৰাভা মানুহ বিলাকক মাতি অনিলে আৰু পেট্ৰল পাৰ্টি মাতি আনিলে তেতিয়া ব্লেংক ফায়াৰ কৰিছে। আমাৰ মানুহক কোবালে, মূৰ ফালি দিলে বহুতৰ আৰু গোটেই নিশাটো বন্ধ কৰি ৰাখি এৰি দিছে। সেই কাৰণে ৰাইজ আৰু ফৰেষ্ট ডিপাৰ্টমেণ্টৰ লগত বিবাট ফাক হৈ গৈছে। ফৰেষ্ট বিভাগৰ লোক সকলৰ চোৰাং কাৰবাৰীৰ লগত যোগাযোগ আছে। আচলতে ধৰিবলৈ গৈছিল কিন্তু নধৰে। ফলত কাঠ বিলাক ৰাইজে ফৰেষ্ট বিভাগ তথা বীট অফিচৰ ওপৰত নাৰাজ হৈ নিজেই কাটিবলৈ লাগি যায়। ইয়াৰ ফলত কৃষ্ণাই ৰেঞ্জৰ কাঠ প্ৰায় নোহোৱা হৈ গৈছে। ফৰেষ্টাৰ, ৰেঞ্জাৰ কাৰো ওচৰত কৈ একো লাভ নাই। পুলিচে চীজ কৰি নিয়ে যদিও বাহিৰে বাহিৰে মিললৈ লৈ যায় আৰু তাত চীল-মোহৰ মাৰি নিজৰ কৰি পেলায়। ঘৰ দুৱাৰ বান্ধি থাকে। ইয়াৰ পিচত হোম গাৰ্ডক খবৰ দি ৰখা হ'ল। কিন্তু তথাচ একো নহল। হোম গাৰ্ডেও বীট অফিচৰ লগত যোগাযোগ ৰাখিহে কাম কৰা হ'ল।

( সময়ৰ সংকেত )

উপাধ্যক্ষ মহোদয়, এই কাৰণে হাবি কাটিলে কি ৰবগৈ। ফৰেষ্টেচন কৰাৰ কাৰণে চৰকাৰৰ ভালৰ পৰা গছ পুলি ৰোৱাৰ কাৰণে উৎসাহ যোগাব লাগিব। যি সকলৰ মাটি আছে সেই বিলাকত আবাদ কৰাৰ উপৰিও গছ পুলি ৰোৱাৰ কাৰণে ফৰেষ্ট বিভাগৰ পৰা উৎসাহ যোগাব লাগে। মেঘালয়ত তেনে কাম কৰিছে। পাহাৰৰ মাটিত অন্য আহু আদি খেতি কৰাৰ লগতে শাল গছৰ গুটি সিঁচি দিছে আৰু শালগছৰ পুলি ডাঙৰ হৈ আছে বিক্ৰী কৰি টকা পাই আছে। দহ বছৰৰ মূৰে মূৰে তেনে গছ কাটি পইচা লব পাৰিছে। প্লাইউডৰ ক্ষেত্ৰত দেখা গৈছে শতকৰা হাৰত হাবি বিলাক কাটি নোহোৱা কৰিব ধৰিছে।

এইটো চৰকাৰী কৰণ কৰিব লাগে। তেতিয়াহে নিবনুৱা সমস্যা সমাধানতো ই সহায়ক হব।

( সময়ৰ সংকেত )

উপাধ্যক্ষ মহোদয়, প্লাইউড চৰকাৰী কৰণ কৰাৰ লগে লগে জাল-সামাৰ ব্যৱস্থাৰ প্ৰতি চকু ৰাখিব লাগে। ইতিমধ্যে এই ব্যৱস্থাৰে মেঘালয়ৰ কাঠ অসমলৈ আৰু অসমৰ কাঠ মেঘালয়লৈ অহাযোৱা কৰি আছে। এই বিলাক প্ৰটেকচন নিদিলে অৰ্থনৈতিক অৱস্থা বেয়ালৈ ঢাল খাব। চোৰাং কাৰবাৰী সকলকো ধৰাৰ ব্যৱস্থা কৰিব লাগে। অসমৰ বনজ সম্পদ দেশৰ সম্পদ বুলি জাতীয় চেতনা আগৃত কৰ্ম্মচাৰীৰ দ্বাৰাহে কাম কৰিব লাগে। মদ নিবাৰণী বিষয়া সকলে মদ ক'ত ক'ত আছে জানে কিন্তু নধৰে ঠিক তেনেকৈ কোন কোন চোৰাং কাৰবাৰী বন বিভাগৰ কৰ্ম্মচাৰীয়ে জানে কিন্তু নধৰে। অফিচাৰ সকলৰ চিনচিয়াৰিটি চিনচিয়াৰিটি নাই। অসমৰ সম্পদ বুলি চিন্তা কৰিব পৰা ভাব উদৃক কৰাৰ দিহা কৰিব লাগে। এইখিনি কৈয়েই কৰ্তন প্ৰস্তাৱটো বিৰোধীতা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীচিলভিয়াছ কন্দপান—মাননীয় উপাধ্যক্ষ মহোদয়, বন বিভাগৰ মন্ত্ৰী মহোদয়ে উত্থাপন কৰা দাবী সমৰ্থন কৰি আৰু বিৰোধী পক্ষই উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুআষাৰ কথা কব খুজিছো। বন বিভাগৰ বনাঞ্চলৰ লগত লাগি থকা যি বিলাক গাওঁৰ মাটি আছে সেই মাটি বিলাক বনাঞ্চলৰ ফালৰ পৰা অৰ্থাৎ বন বিভাগৰ দ্বাৰা সীমা নিৰ্দ্ধাৰণ নকৰা কাৰণেই আমাৰ নিৰীহ খেতিয়ক সকল বহুবাৰ নজনাকৈয়ে বেদখল কৰি বিভিন্ন সমস্যাৰ উদ্ভাৱন কৰে। এই কাৰণেই বনাঞ্চলৰ লগত লাগি থকা অঞ্চল যিবিলাকত খেতিয়কে খেতি কৰি আছে সেই অঞ্চলৰ সীমা নিৰ্দ্ধাৰণ কৰাৰ ব্যৱস্থা দ্ৰুতগতিত কৰিব লাগে। দ্বিতীয়তে আমাৰ বন বিভাগৰ পৰা সামাজিক বনানীকৰণ

যিটো আঁচনি লৈছে সেইটো আঁচনি ঠাই বিশেষে ভাল ভাবে ৰূপায়ন কৰা দেখা যায় যদিও বেছি ভাগ ঠাইতেই ইয়াৰ ৰূপায়ণ হতাশজনক অৱস্থা দেখা যায়। গছ পুলি ৰুই দিয়ে আৰু সেই বিলাক দুদিনৰ পিচতেই মৰি যায়। তাৰ কাৰণে কোনো আপদাল নকৰে আকৌ কিছুদিন পিচত দেখা যায় আকৌ সেই একে ঠাইতে গছ পুলি দিছে কিন্তু আপদালৰ অভাৱত আকৌ মৰহি যোৱা দেখা যায়। আমাৰ অঞ্চলত বিশেষকৈ ওৰাং, মাজবাট, ৰৌতা, ভদালগুৰি আদি অঞ্চলত এই আঁচনিৰ মুঠেও কাৰ্য্যকৰী কৰা হোৱা নাই বুলি কলেও ভুল কোৱা নহব। সামাজিক বনানীকৰণ আঁচনিৰ অন্তৰালত এক মহৎ উদ্দেশ্য নিহিত আছে। প্ৰাকৃতিক বাতাবৰণ দূষিত হোৱাৰ কাৰণে আজি আমাৰ দেশে যোৱা পোন্ধৰ বিশ বছৰ দেশবাসীয়ে দুৰ্ভোগ ভুগিছে। দেশবাসীয়ে কষ্ট পাইছে। এইটো পুনৰ উজ্জীৱিত কৰিবলৈকে এই আঁচনি লোৱা হৈছে বুলি আমি জানো কিন্তু আঁচনি ৰূপায়নৰ দিশত বহুত বিলাক দোষ-ত্ৰুটি আছে সেই বিলাকৰ প্ৰতি মনোযোগ দিয়া দেখা নাই। এই বিভাগে এই আঁচনি ৰূপায়ন কৰিবলৈ বৈজ্ঞানিক পদ্ধতিৰে ব্যৱস্থা লবলৈ মই আজি সদনত পৰামৰ্শ আগবঢ়াইছো। তৃতীয়তে আমাৰ বনাঞ্চলৰ সম্পদ ৰক্ষা কৰিবৰ কাৰণে যি সকল মানুহ ৰখা হয় তেওঁলোকক কোনো অস্ত্ৰ-শস্ত্ৰ দিয়া নহয়। পহৰাদাৰী লোক-সকলক পৰ্য্যাপ্ত পৰিমাণে অস্ত্ৰ আদি দি বলীয়ান নকৰা কাৰণে সুবিধাবাদী এচাম চোৰাং কাৰবাৰীয়ে সুবিধা লোৱা দেখা গৈছে।

কাজিৰঙা অঞ্চলত ৰাষ্টাই ৰাষ্টাই পহৰা দি আছে কিন্তু বনাঞ্চলত অবাধে কাঠ চোৰাং হৈ আছে, পছু চিকাৰ হৈ আছে, ভিতৰুৱা অঞ্চলৰ পৰা মাছ চুৰ কৰি নিছে ধৰোতা নাই। তাৰ কাৰণে বন বিভাগৰ পাবলগীয়া যথেষ্ঠ ৰাজহ নষ্ট হৈছে। বন বিভাগে এনে কথাত নজৰ দিব লাগিব আৰু তাৰ কাৰণে ব্যৱস্থা লব লাগিব যাতে এই ধৰণে বন বিভাগৰ ৰাজহ অবাধে নষ্ট নহয়। আমাৰ বন বিভাগে ৰাষ্ট্ৰীয়

নীতি বা ৰাজ্যিক পৰ্য্যায়ৰ নীতিয়ে হওঁক জীৱ-জন্তুক ৰক্ষণা বেক্ষণৰ কাৰণে আইন কৰিছে আৰু সেই আইনৰ ফলতে পশু বধ কৰিব নোৱাৰে, বাঘ বধ কৰিব নোৱাৰাটো ভাল কথা। হাতী চিকাৰ আগতে কৰিছিল কিন্তু এতিয়া হাতী চিকাৰও কৰিব নোৱাৰে। কিন্তু বনাঞ্চল বিলাকৰ ওচৰতে যিবিলাক দুখীয়া খেতিয়ক আছে। যি সকলে যথেষ্ট পৰিশ্ৰম কৰি কষ্ট স্বীকাৰ কৰি খেতি-বাতি কৰি নিজৰ জীৱন ৰক্ষা কৰি আছে সেই বিলাক অঞ্চলত বন বিভাগৰ চোকা পহৰা নথকাৰ কাৰণে এই খেতিয়ক সকলৰ খেতি-বাতি হাতীয়ে খায় আৰু নষ্ট কৰে। দেখা যায় মই নিজে আজি তিনি বছৰ ধৰি বন বিভাগক কৈ আহিছো নৈনে, মাজবাট, বাতাচিহৰ, বালিতাৰা ৰেঞ্জ আদিত বনৰীয়া হাতী জাকে জাকে আহে আৰু খেতি খায়। ভাদ মাহৰ পৰা আৰম্ভ কৰি আঘোণ পুহলৈ এই হাতী বিলাকে খেতি নষ্ট কৰে। ফলত দুখীয়া খেতিয়ক সকলে দিনত কষ্ট কৰাৰ ওপৰিও আকৌ ৰাত্রি পহৰা দিবলগীয়া হৈছে টোপনি ক্ষতি কৰি। তেনেকৈয়ো তেওঁলোকে খেতি ৰক্ষা কৰিব পৰা নাই। বন বিভাগে কয় যে হাতী আমাৰ জাতীয় সম্পদ কিন্তু মানুহ কিবা জাতীয় সম্পদৰ তলত হব নেকি? এইটো চৰকাৰৰ বাউণ্ডেণ্ট ডিউটি মানুহ আৰু মানুহৰ সা-সম্পত্তি ৰক্ষা কৰাটো। অকল বন বিভাগৰ পশু-পক্ষী ৰক্ষা কৰিলেই নহব মানুহৰ কথাও চিন্তা কৰিব লাগিব আৰু তাৰ কাৰণে দৰ্কাৰ হলে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এই কথা বুজাব লাগিব। আজি এই পবিত্ৰ সদনত আপোনাৰ জৰিয়তে বন বিভাগক অনুৰোধ জনাইছো যাতে অসমৰ বেলিকা ৰাষ্ট্ৰীয় নীতিৰ বেলেগ ধৰণৰ হয়। আজি অসমত বনৰীয়া হাতীৰ জনসংখ্যা বৃদ্ধি হৈছে আমাৰ মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ক যদি ধনশিৰিৰ উত্তৰপাৰে লৈ যাওঁ তেনেহলে এতিয়াও তাত ১০০-২০০ বনৰীয়া হাতী দেখিবলৈ পাব। তেওঁলোক ধান বা খেতি খাবৰ কাৰণে আহে। বছৰে এই হাতীয়ে ২০-৩০ জন মানুহ মাৰে। ল'ৰা-ছোৱালী মাৰে,

ঘৰ ভাঙে কিন্তু বন বিভাগে ৰাইজক সহায় কৰাৰ বাবে কোনো ব্যৱস্থা কৰা নাই। ওৱাইল্ড লাইফ প্ৰিজাৰভেচন আইন ৰাজ্যিক বা কেন্দ্ৰীয়ই হওক অসমৰ বেলিকা ইয়াৰ প্ৰয়োগ বেলেগ হব লাগিব। আজি হাজাৰ হাজাৰ লাখ লাখ টকাৰ ধন নষ্ট হৈছে, ঘৰ-দুৱাৰ নষ্ট হৈছে জীৱ নাশ হৈছে, হাতী সংৰক্ষণ কৰিব লাগে আমি বুজিছো কিন্তু আইনৰ দোহাই দি বন বিভাগে অন্য দিশ চিন্তা নকৰাটো অন্যায় কথা হব। গতিকে এই কথাটে, আমাৰ বন বিভাগৰ মন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰক বুজাব লাগিব যে অসমৰ এই হাতীৰ উপদ্ৰৱৰ কাৰণে কিমান ক্ষতি হৈছে আৰু অসমৰ খেতিয়ক ৰাইজৰ সুবিধাৰ কাৰণে এই আইনৰ সংশোধনও কৰিব লাগিব।

উপাধ্যক্ষ মহোদয় বন বিভাগৰ বহুতো বনাঞ্চল আছে, মাত্ৰ কাজিৰঙাই নহয়, কাজিৰঙাক জাতীয় উদ্যান কৰাত আমি সুখী। কাজিৰঙাৰ নিচিনা ওৰাং বনাঞ্চলতো সকলো ধৰণৰ জীৱ-জন্তু আছে আৰু ওৰাঙকো মিনি কাজিৰঙা চেংচুৰী কৰিব পাৰি। ইয়াত টুৰিষ্ট এট্ৰাকচনৰ যথেষ্ঠ সুবিধা কৰিব পৰা যায় কিন্তু সেই দিশ চৰকাৰে কোনো চিন্তা কৰা নাই। মই সদনৰ মজিয়াত আপোনাৰ জৰিয়তে বন বিভাগলৈ পৰামৰ্শ আগবঢ়াব খুজিছো যে ওৰাং চেংচুৰীটো মিনি কাজিৰঙা চেংচুৰী কৰাৰ আঁচনি গ্ৰহণ কৰে।

( সময়ৰ সংকেট )

মই এই কেইটা পৰামৰ্শ দি বন বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো দাবী উত্থাপন কৰিছে তাক সমৰ্থন জনাইছো আৰু মোৰ বক্তৃতাৰ সামৰণি মাৰিছো।

* শ্ৰী মহম্মদ আলি—উপাধ্যক্ষ মহোদয়, মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে যি দাবীৰ ওপৰত মঞ্জুৰী উত্থাপন কৰিছে তাক মই সমৰ্থন কৰিছো। আৰু এই সম্পৰ্কত মই কেইটামান পৰামৰ্শ

* Speech not corrected

আপোনাৰ জৰিয়তে দাঙি ধৰিব বিচাৰিছো। প্ৰথমতে মই কব বিচাৰিছো যে আমাৰ যি কাঠৰ ৰয়েল্টি এই ৰয়েল্টি বঢ়াব লাগে। বহুদিন আগতে বৃটিছৰ দিনতে এই ৰয়েল্টি বঢ়োৱা হৈছিল আৰু তাৰ পিচতো এই ৰেয়ল্টি বঢ়োৱা হৈ'ছ যদিও আজি কিছুদিন ইয়াক বঢ়োৱা হোৱা নাই। তাৰ কাৰণে খোলা বজাৰত এতিয়া শাল কাঠৰ দাম প্ৰতি কিউবিক ফিটত ৩০ টকাৰ পৰা ৮০ টকাৰ ভিতৰত চলি আছে, অথচ ইয়াৰ বাবে চৰকাৰে ৰয়েল্টি পাইছে মাত্ৰ প্ৰতি কিউবিক ফিটত ৩-৪ টকাকৈ গতিকে মুকলি বজাৰৰ কাঠৰ দামৰ লগত সংগতি ৰাখি আমাৰ বৰ্তমানৰ ৰয়েল্টি বঢ়াব লাগে। আনহাতে আমাৰ বন বিভাগৰ যি বেদখলৰ সমস্যা চলি আছে সেই সমস্যাবোৰ অতি সোনকালে সমাধান কৰিব লাগে। স্বাধীনতাৰ পিচৰ পৰাই আমি যেতিয়াৰ পৰা জ্ঞান পাইছো তেতিয়াৰ পৰাই আমি দেখিবলৈ পাইছো কিছুমান মানুহে বননী পৰিষ্কাৰ কৰি বসবাস কৰিবলৈ লয়। কিন্তু এই মানুহবোৰে বননী পৰিষ্কাৰ কৰি বঢ়ে হয় কিন্তু তাৰ কেইদিনমানৰ পিচতে বন বিভাগ আৰু পুলিচ বিভাগৰ মানুহ আহি তেওঁলোকক উচ্ছেদ কৰে। গতিকে এই বিষয়ত মই চৰকাৰক কেইটামান কথা কব খোজো যে আমাৰ যিমানবোৰ বননী আছে সেই বননীৰ প্ৰকৃত মাটি কালি কিমান এই বন বিভাগত কিমান জনসংখ্যা বসবাস কৰিছে, আৰু সেইবোৰত মানুহে বসবাস কৰিব পৰা মাটিকালি কিমান এই আটাইকেইটা দিশতেই পৰীক্ষা নিৰিক্ষা চলাই আমাৰ প্ৰকৃতত্বে যিমান মাটিকালিৰ বননীৰ কাৰণে প্ৰয়োজন সেইখিনি মাটিহে বননীৰ কাৰণে ৰাখি বাকী মাটিখিনি নদীয়ে ভঙা, মাটি নোহোৱা আৰু আমাৰ যিবোৰ ট্ৰাইবেল লোকক বন বিভাগৰ মাটিৰপৰা উচ্ছেদ কৰিছে সেই লোক সকলক পুনৰ সংস্থাপন আৰু পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে। যদি এইটো কৰা নহয়, উদাহৰণ স্বৰূপে মই কব খোজো যে অসমত এনেকুৱা বহুতো বননী আছে য'ত এক কিলোমিটাৰৰ ভিতৰত ৩ জোপা শাল গছ নাইবা অন্যান্য মূল্যবান গছ আছে তাকো ৰিজাৰ্ভ ফৰেষ্ট হিচাব ৰাখি থোৱা আছে। এনেকৈ অতি

কম সংখ্যক গছেৰে অধিক মাটি আবদ্ধ কৰি নেৰাখি য'ত প্ৰকৃততে মাটি আৰু দৰকাৰী গছৰ সামঞ্জস্য আছে তেনেকুৱা ঠাইহে বন বিভাগে সংৰক্ষণ কৰি ৰাখিব লাগে আৰু বাকীবোৰ মাটি মানুহৰ বসতিৰ উপযুক্ত কৰি মুকলি কৰি দিব লাগে আৰু সেইবোৰ ঠাইত নদীয়ে ভঙা মানুহ, উচ্ছেদ কৰা জনজাতীয় লোক সকলক স্থায়ী পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিন্তু তেওঁলোকক স্থায়ী পট্টন দিয়াৰ ক্ষেত্ৰটো আমি আৰু কেইটামান কথা লক্ষ্য কৰিব লাগিব যে এই লোক সকল সেই অঞ্চল সমূহত কিমান দিনৰ পৰা বসবাস কৰিছে সেইটো নিশ্চত কৰিব লাগে। যি সকল লোক এই বননী অঞ্চলবোৰত ১৫-২০ বছৰ বসবাস কৰি আছে তেওঁলোকক স্থায়ী পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু যি সকল লোকে ২-৩ বছৰৰ পৰাহে বসতি কৰিছে সেইসকল লোকক উচ্ছেদ কৰিব লাগে। এইটো যদি আমি নকৰো তেনেহলে বননী ধ্বংস কৰা কাৰ্য্যতো চলিয়েই থাকিব। কিয়নো মানুহৰ অতীজৰে পৰা এটা স্পৃহা আছে বননী ধ্বংস কৰি বসবাস কৰাৰ।

ইয়াৰ পিচত মই সামাজিক বননীকৰণৰ বিষয়ে দুআষাৰ মান কম। সামাজিক বননীকৰণৰ নামত এই বিভাগে যথেষ্ট খৰচ কৰা দেখা গৈছে। কিন্তু তাৰ পৰা আমি কিমান লাভবান হৈছো সেইটো চাবলগীয়া বিষয়। উদাহৰণ স্বৰূপে মই কব খোজো যে গোৱালপাৰাৰ পৰা গুৱাহাটীলৈকে ৰাষ্ট্ৰীয় পথৰ দুয়োপাৰে সামাজিক বননীকৰণ বিভাগে বহুতো গছ পুলি ৰোৱা মই দেখিবলৈ পাইছো। কিন্তু এই গছ পুলিবোৰ ৰোৱাৰ যি নিয়ম সেই নিয়ম দেখিহে মই আচৰিত হৈছো। চ'ত বহাগ মাহত অজস্ৰ ধন খৰচ কৰি ৰাস্তাৰ দুয়োপাৰে গছ পুলি ৰোৱে কিন্তু জেঠ, আহাৰ যেতিয়া বৰষুণ আহে তেতিয়া এইবোৰত পানী উঠি মৰি যায়। গতিকে এনেবোৰ গছ পুলি ৰোওতে কিছুমান কথা লক্ষ্য কৰিব লাগে। প্ৰথম কথা হল—এই পুলিবোৰ ৰোওতে ৰাস্তাৰ পৰা গছ পুলি ৰোৱা ঠাইখিনি কিমান দ সেইটো চাব লাগে আৰু যদি মাটিখিনি দ হয় তেনেহলে তাত ওখ ঢাপৰ ব্যৱস্থা কৰি গছ পুলি ৰুলেহে

তাৰ প্ৰকৃত ফলাফল পোৱা যাব।

ইয়াৰ বাহিৰেও আমাৰ বন বিভাগত যি সকল কৰ্মচাৰী নিয়োগ কৰা হয় তেওঁলোকৰ বহুতৰে কাৰ্য্যক্ষেত্ৰত অৱহেলা কৰা দেখা যায়। মই নিজেই কামৰূপ আৰু গোৱালপাৰাত যিবোৰ বননী আছে সেই বননীবোৰৰ কথা ভালদৰে জানো। বন বিভাগৰ কৰ্মচাৰী সকলৰ অৱহেলাৰ কাৰণে ৰাতিৰ ভিতৰতে চোৰাং কাৰবাৰীয়ে গছ কাটি ট্ৰাকে ট্ৰাকে লোড কৰি লৈ যায়। এইদৰে অসংখ্য কাঠ নিয়াৰ পিচতহে বন বিভাগৰ কৰ্মচাৰীয়ে গম পায়। গতিকে এই ক্ষেত্ৰত মই কব খোজো কামত অৱহেলা কৰা কৰ্মচাৰী সকলৰ ওপৰত বিভাগীয় বিহিত ব্যৱস্থা লব লাগে আৰু ওচৰে পাজৰে যিবোৰ কাঠৰ মিল আছে সেই-বোৰত তদন্ত কৰি যিবোৰ মিলৰ মালিক এনে চোৰাং কাঠৰ কাৰবাৰত লিপ্ত আছে তেনে মিলৰ লাইচেন্স বাটিল কৰিব লাগে। এইখিনিতে মই এটা কথা কওঁ যে আমাৰ বন বিভাগত যি সকল তল খাপৰ চাকৰিয়াল তেওঁলোকৰ দৰমহা আৰু প্ৰমোচনৰ বিষয়টো লক্ষ্য কৰিব লগীয়া। উদাহৰণ স্বৰূপে এজন ফৰেষ্টাৰ আৰু এজন কেৰাণীৰ মাজত যদি তুলনা কৰি চোৱা যায় তেনেহলে দেখা যাব যে কেৰাণীজনতকৈ ফৰেষ্টাৰজনে বহুত কম দৰমহা পায়। সেইদৰে প্ৰমোচনৰ ক্ষেত্ৰটো এজন ফৰেষ্টাৰে ১০-২৫ বছৰ চাকৰি কৰাৰ পিচটো কোনো দিনেই ডেপুটি ৰেঞ্জাৰ হব নোৱাৰে। এই ক্ষেত্ৰত মই এজন মানুহৰ নাম উল্লেখ কৰিব খুজিছো। তেখেতৰ নাম হৈছে শ্ৰীমনমোহন চৌধুৰী। কাম কৰে—গ্ৰেড ওৱান ফৰেষ্টাৰ হিচাবে কৃষ্ণাই ৰিজাৰ্ভত। তেখেতে ২৫ বছৰ চাকৰি কৰা স্বত্বেও আজিলৈকে প্ৰমোচন পোৱা নাই। আনহাতে ওপৰ খাপত ডি. এফ, অ' যিমান আছে কনজাৰভেটৰো সিমানেই আছে। গতিকে তল খাপৰ কৰ্মচাৰী সকলৰ প্ৰতি চৰকাৰে সুদৃষ্টি দিয়া উচিত।

এইখিনিতে আৰু এটা কথা উল্লেখ কৰো যে ফৰেষ্ট বিভাগত চৰকাৰ বিৰোধী লোক বহুতো আছে। উদাহৰণ স্বৰূপে গোৱালপাৰা

জিলাৰ ডি, এফ, অ' অফিচলৈ কেইদিনমান আগতে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা পাচ গাড়ী খৰিৰ কাৰণে বিবেচনা কৰিবলৈ এজন মানুহৰ নামত দৰখাস্ত এখন লিখাই দিছিলো। কিন্তু সেই ডি, এফ, অ' জনে মন্ত্ৰীৰ সেই কাগজখন পায় খণ্ডতে টিঙিবি তুল হোৱাদি হল। আজি সেই অফিচাৰে বৰ কেৰাণীজন মোৰ গুৰিলৈ আহিছে আৰু তেখেতে নিজে মোক সেই ঘটনাটোৰ বিষয়ে কৈছে । মোৰ সেই কাগজখন ডি, এফ, অ' জনে পায় এনেকৈ উক্তি কৰিছে যে খৰি মন্ত্ৰীয়ে দিব খৰি মন্ত্ৰীয়ে দিব।

এই অৱস্থাৰ আৰু এটা ডাঙৰ প্ৰমাণ হৈছে যে, বনবিভাগৰ ওপৰত কেইবাটাও প্ৰশ্ন দিয়া হৈছিল। কিন্তু বন বিভাগৰ কৰ্ম্মচাৰী সকলে সহযোগ নকৰাৰ কাৰণে এটা প্ৰশ্নও সদনলৈ নাহিল। গতিকে এই বন বিভাগৰ কৰ্মচাৰী সকলে যে চৰকাৰৰ লগত সহযোগ কৰিছে তাত আমাৰ সন্দেহ আছে। এয়ে যদি অৱস্থা হয় তেতিয়াহলে, বনজ সম্পদক মূল ধন হিচাবে লৈ ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰাৰ কাৰণে যিটো প্ৰচেষ্টা চলিছে তাত আমি ফলৱতী হব নোৱাৰিম। মাটিৰ খাজনা ইতিমধ্যেই মাফ দিয়া হৈছে। ১০ বিঘালৈকে এই খাজনা মাফ দিয়াৰ ঘোষণা হোৱাৰ পিছতত ই যি বিলাক মানুহৰ ৫০ বিঘাও যদি মাটি আছিল তেতিয়াহলে, তেওঁবিলাকেও নিজৰ অঙহী-বঙহী, নাতি-পুতিৰ নামত মাটি বিলাক ১০ বিঘাকৈ লিখাই দি এই খাজনা মাফৰ সুবিধা গ্ৰহণ কৰিছে। মাটিৰ পৰা পোৱা ৰাজহ আমাৰটো বন্ধ হলেই। এতিয়া যদি ফৰেষ্ট ৰেফিনিউ অহাটোও বন্ধহৈ যাব লগীয়া হয় তেতিয়াহলে ৰাজ্যখনৰ ৰাজহ অহা পথটোৱেই বন্ধহৈ যাব। গতিকে ই এই ৰাজহৰ পথটো যাতে বন্ধহৈ যাব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা কৰাৰ পৰামৰ্শ আগবঢ়াই মই মোৰ বক্তব্যৰ সামৰণী মাৰিছো আৰু কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

*শ্ৰীবৰ্গৰাম দেউৰী—মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি কেইটামান কথা কব খুজিছো।

বনবিভাগৰ ভিতৰত বনজ আৰু বনৰীয়া এই দুয়োটাকেই সোমোৱাই লোৱা হৈছে। এই বিভাগৰ আৱশ্যকীয়তাৰ বিষয়ে কওঁ যে, মানৱ জাতিয়ে দৈনন্দিন জীৱনৰ প্ৰত্যেক খোজতে এই বনজ সম্পদৰ ওপৰত নিৰ্ভৰ নকৰাকৈ অকনো চলিব নোৱাৰে। এই বনজ সম্পদৰ অবিহনে মানৱ জাতিটোৰ জীয়াই থকা অসম্ভৱ হলহেতেন। শিল্প ক্ষেত্ৰতেই হওক বা অৰ্থনৈতিক দিশতেই হওক, বা সাংস্কৃতিক দিশতেই হওক বনজ সম্পদৰ লগত মানুহৰ সম্পৰ্ক ওতঃপ্ৰোত। তাৰোপৰি, জলবায়ুৰ ক্ষেত্ৰটো ইয়াৰ বৰঙণি অতুলনীয়। এনে এটা দিশ নাই য'ত উদ্ভিদৰ বৰঙণি নাই। কিন্তু অপৰিহাৰ্য্যতাৰ ফালৰ পৰা এই বিভাগৰ ওপৰত আমি যিমান খিনি গুৰুত্ব দিব লাগিছিল সেই হিচাবে গুৰুত্ব দিয়া নাই। অতীতত যি পদ্ধতিত আমাৰ হাবিয়ে বননিয়ে বন জংঘল বিলাক গজিছিল এতিয়াও ঠিক সেই পৰ্য্যায়তেই আছে। আন আন ৰাজ্যবিলাকত বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি যি ভাৱে বনজ সম্পদ বঢ়োৱাৰ চেষ্টা চলিছে অসমত সেইদৰে হোৱা নাই। ফলত আমাৰ বনজ সম্পদ বিলাক নাইকীয়া হৈ যাবলৈ ধৰিছে। এই বিভাগত সোমোৱা দূৰ্নীতিৰ কাৰণে বনজ সম্পদ শেষ হৈ গৈছে। একো একোজন ঠিকাদাৰে ১০ জোপা বা ৫০ জোপা গছ কটাৰ পাৰ্মিট লৈ সদায় গছ কাটিয়ে আছে। এই বিলাক দূৰ্নীতি খবৰ কাগজত সদায় ওলাই আছে। গড় আদি মৰা খবৰো বাতৰি কাগজত সদায় পাই আছো কিন্তু দোষী সকলক শাস্তি দিয়াৰ খবৰ হলে আমি কেতিয়াও দেখা নেপাও।

ফৰেষ্টৰ মাটিও সদায়েই বেদখল হৈ আছে। বিভাগীয় লোক সকলেই ফৰেষ্টৰ সীমা চিনি নেপায়। মোৰ নিজৰ জিলা লক্ষীমপুৰৰ এটা বাস্তৱ

---

* Speech not corrected

অভিজ্ঞতাৰ পৰাই দেখিছো যে, ফৰেষ্টৰ ওচৰতে থকা কিছুমান মানুহে হাবি মুকলি কৰি খেতি বাতি কৰি আছিল। গাওঁ-ভূই পাতিলে। যেতিয়া খেতি উঠাবৰ সময় হল হঠাৎ বনবিভাগৰ ফালৰ পৰা তাত পোষ্ট পুটি দিয়া হল। ডি, এফ, অ' অফিচৰ পৰা 'এভিকশ্বন নটিচ' যায়। কিন্তু যেতিয়া তাত উৎপাদিত হোৱা ফচলৰ পৰা অলপ উপ-ঢৌকন আগবঢ়োৱা হয় তেতিয়া আকৌ মুকলি কৰি দিয়ে। এই বিলাক বছৰাৰ হৈ থকাৰ পিছত ৰাজ্যিক চৰকাৰৰ লগত যোগাযোগ কৰাত চৰকাৰৰ ফালৰ পৰা সংশ্লিষ্ট বিষয়া সকল যায়, ৰাইজৰ ফালৰ পৰাও মানুহ আছে। তাতে অলপ গৰম বাক-বিতণ্ডাৰো সৃষ্টি হয়। প্ৰকৃত সীমাৰ বিষয়ে ডি, এফ, অক সোধাত তেখেতেও বৃটিছ চৰকাৰৰ দিনতে ঠিক কৰা সীমা বুলি কলে। তেখেতেও সঠিক ভাবে কব নোৱাৰিলে।

অধ্যক্ষ মহোদয়, তেতিয়া তেখেতে মেপ চালে আৰু ১৯১৮ চনৰ যি বাউণ্ডেৰী বৃটিছ চৰকাৰে কৰিছিল সেইটো দেখুৱালে কিন্তু তাত স্পষ্টভাৱে নাই। তাৰোপৰি মাজে মাজে নেচাৰেল সলনি হৈ থাকে। আনহাতে সেই মাটিবিলাকৰ পৰা তৌজি খাজনা আদায় হৈ আছে। এচ, দি, চিক সোধাত কলে যে, তৌজী খাজনা লোৱা হৈছে কিন্তু ফৰেষ্ট বিভাগৰ পৰা বিলাকৰ পৰা তৌজীবাহী খাজনা লব নোৱাৰে, চিভিলৰ পৰাহে পাৰে। তেখেতে তেতিয়া মণ্ডলক সোধাত মণ্ডলে কলে যে, মই নাজানো, আমাৰ আগৰ মণ্ডলেহে জানে। তেতিয়া আমাৰ লাইলিভিয়াকে সীমা ধৰি এটা প্ৰস্তাৱ দিয়া হল গতিকে দেখা গৈছে যে বাউণ্ডেৰী বিলাক ঠিকমতে হোৱা নাই। ইয়াৰোপৰি আটাইতকৈ ডাঙৰ কথা হৈছে যিবিলাক বনবিভাগত বে-দখলকাৰীৰ গাওঁ আছে সেইবিলাকত হাবি জংঘল কাটিবৰ সময়ত মানুহক উচ্ছেদ নকৰি যেতিয়া খেতি বাতি চপাবৰ হয় তেতিয়া উচ্ছেদৰ নটিছ আহে কিন্তু মই ইয়াৰ কাৰণ কব নোৱাৰো। এই ধৰণেই ফৰেষ্ট বিলাক দিনে দিনে শেষ হৈ গৈছে। বিশেষকৈ ফৰেষ্টৰ মানুহবিলাক অৰ্থাৎ জনজাতীয় লোক সকল বনবিভাগৰ

শত্রু বুলি প্ৰচলিত আছে। তেওঁলোকৰ কাৰণে জংঘলেই মংগল। তেখেত সকলে হাবিত থাকি ভাল পায় আৰু আনহাতে তেওঁলোকৰ বন বিলাকো সংৰক্ষন কৰি আছে। গতিকে এই সীমা বিলাক এতিয়াই ভালকৈ নিৰ্দ্ধাৰণ নকৰিলে ভৱিষ্যতে আৰু গন্দগোল হোৱাৰ সম্ভাৱনা আছে। জীৱ জন্তুৰ ক্ষেত্ৰতো মই কবলৈ বিচাৰো যে, প্ৰায় বিলাক বাউণ্ডেৰী অঞ্চলত থকা জীৱ-জন্তু অৰুণাচল, মেঘালয়, নগালেণ্ড আদিলৈ গুচি গৈছে তাৰ হিচাব আমাৰ হাতত নাই। আমি মাথোঁ আমাৰ কাজিৰঙাত থকা জীৱ-জন্তু কেইটাকে হিচাবত ৰাখি আছো। গতিকে এইবিলাক বিষয়তো আমাৰ বন বিভাগৰ সহকাৰী সকলে দৃষ্টি ৰাখিব লাগে। ইয়াৰোপৰি যিবিলাক বিল বা ফিচাৰি বন্য অঞ্চলত আছে সেইবিলাকো ৰক্ষনা বেক্ষন কৰিব লাগে। কাৰণ এইবিলাক ফিচাৰি চেটেলমেণ্ট নিদিয়ে আৰু ফলত ৰাজ্যই ইয়াৰ পৰা ৰাজহ আদায় কৰিব নোৱাৰে আৰু বন বিভাগৰ কিছুমান মানুহে এই বিল বিলাকৰ পৰা লাখ লাখ টকা উপাৰ্জিন কৰি আছে। আমাৰ বনজ সম্পদ বিলাকৰ পৰা আজি নানা ঠাইত স্ব-মিল, তৈয়াৰ হৈছে, বনৰ পৰা কাঠ আদি আনি এই মিল বিলাকলৈ পঠোৱা হয়। এইবিলাকো ৰেচট্ৰিকচন কৰি দিব লাগে। আজি টাটা, বিৰলা আদিয়ে হাজাৰ হাজাৰ টকাৰ কাঠ নি আছে সেই বিলাকৰ কোনো হিচাব আদি নাই। গতিকে এইবিলাক চেক কৰিব লাগে। নহলে এই কামবিলাকৰ মাজতো দুৰ্নীতি সোমাইছে। গতিকে এই সকলো বিলাক বিষয়ৰ প্ৰতি দৃষ্টি দিবলৈ অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰণি মাৰি কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰিলো।

* শ্ৰীচিৰাজ উদ্দিন—মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগৰ মন্ত্ৰী মহোদয়ে যি ধন বিচাৰিছে তাক সমৰ্থন দি মই দুআষাৰ কবলৈ বিচাৰিছো। এই চলিত বিধান সভাৰ যি বাজেট তাৰ ওপৰত বিতৰ্কৰ সময়ত মই অংশ গ্ৰহণ কৰি বন বিভাগৰ বিষয়ে দুষাৰ কথা কৈছিলো। আজি আকৌ দুষাৰ

* Speech not corrected

কৰলৈ আগবাঢ়িছো। মই যিখিনি কথা বাজেট বিতৰ্কত দাঙি ধৰিছিলো আজি দেখিবলৈ পাইছো যে প্ৰতিজন মাননীয় সদস্যই ইয়াৰ গুৰুত্ব উপলব্ধি কৰিছে আৰু ইয়াৰ ওপৰত নানা পৰামৰ্শ আগবঢ়াইছে। বন বিভাগত যি দুৰ্নীতি চলি আছে এই কথাটো সকলোৱে দেখিছে। বিশেষকৈ গোৱালপাৰাত এই দুৰ্নীতি কিমান চৰম আকাৰত চলি আছে তাৰ দৃষ্টি আকৰ্ষণ কৰি মই কবলৈ বিচাৰিছো। আজি দেখা গৈছে যে, সাপ আৰু নেউল একে হৈছে যিবিলাক বিদেশী বুলি অভিহিত কৰা হৈছে আৰু যিবিলাক আন্দোলন কাৰী বুলি কোৱা হৈছে সেইবিলাক একে লগ হৈ দুৰ্নীতি কাৰ্য্যত লিপ্ত হৈছে। এই সংক্ৰান্তত মই বাতৰি কাকতত ওলোৱা "গোৱালপাৰা বনাঞ্চলৰ ওপৰত শোষণ" বাতৰিটো পঢ়ি দিব বিচাৰিছো। ইয়াত লিখিছে— সম্পাদক ডাঙৰীয়া, ধুবুৰী জিলাৰ বিলাসী পাৰা থানাৰ ৯ কিঃ মিঃ দূৰত শালকোচা বনাঞ্চল অৱস্থিত। এই বনাঞ্চলৰ জাতীয় উৰ্চ্চ আলিবাটৰ কাষৰ ঠাই ডোখৰত এক বছৰ আগতে দুটা বাংলা দেশী থকাৰ ঘৰ দেখা গৈছিল কিন্তু কিছু দিন ধৰি তাত কেইবাজনো বাংলাদেশীয়ে দোকান আৰু থকা ঘৰ বান্ধিছে। ঠাইখনৰ নাম দিয়া হৈছে নিউহাতী পোটা। তাৰ ওচৰতে প্ৰায় আধা মাইল দূৰত হাতী পোটা বুলি এটা পুৰণি ঠাইও আছে। যোৱা কিছুদিনৰ পৰা বিলাসী পাৰাৰ পৰা প্ৰতি মাহে প্ৰায় ১০ খনৰ পৰা ১২ খন অবৈধ কাঠৰ ট্ৰাক বিহাৰ, হাৰিয়ানা, উত্তৰপ্ৰদেশ আদি ঠাইলৈ গৈ আছে। এই কাঠবিলাক যোগান ধৰিছে কিছুমান বাংলাদেশী আৰু কেইবাজনো অসম আন্দোলনকাৰীয়ে। যিবিলাকে এদিন বাটেদি চিঞৰি চিঞৰি গাইছিল 'অসম মৰিলে' আমিও মৰিম। আৰু এই কাঠ বিলাক সংগ্ৰহ কৰাত টকা যোগান ধৰি আছে বিলাসী পাৰাৰ কেইবাজনো বিশিষ্ট ব্যৱসায়ীয়ে। লগতে সহায় কৰি আছে বন বিভাগৰ কৰ্মচাৰী সকলে। বিলাসীপাৰাৰ পৰা পশ্চিমবঙ্গৰ সীমান্তলৈকে কেইবাটাও আৰক্ষী চকি আৰু চেক পষ্ট থকাৰ পিচতো আজিলৈকে কিয় এনেধৰণৰ অবৈধ কাঠ যোৱাৰ কোনো

বাধা নাপালে। এই দুষ্কৃতিকাৰী ব্যৱসায়ী সকলে এনেধৰণৰ কথাও উচ্চাৰণ কৰি থাকে যে, তইঁতে কাঠ আনিবলৈ কোনোবাই বাধা দিলে আমাক কবিচোন, আমি চাম নহয় কোনে ইহঁতক বাধা দিয়ে। অন্যায় কাৰ্য্যত এনেদৰে সাহস দেখাবলৈ সক্ষম হৈছে কেৱল মাত্ৰ উশৃংখল আৰু ঘোচ-খোৰা কৰ্মচাৰী সকলৰ বাবে। এনে ধৰণৰে ৰাষ্ট্ৰীয় সম্পত্তি, প্ৰকৃতিক নিৰ্ম্মম ভাবে শোষণ কৰাৰ ফলত আমি প্ৰকৃতিৰ দানৰ পৰা বঞ্চিত হৈ আছো, বায়ুমণ্ডলৰ দূষ্টি হৈছে। এনে ধৰণে শোষণকাৰ্য্য অবিৰত চলি থাকিলে প্ৰকৃতিয়ে ভাবসাম্যতা হেৰুৱাব লাগিব আৰু কেৱল মনুষ্যই নহয় জীৱ জগতৰ বাবে নামি আহিব পৃথিবীলৈ মৃত্যুৰ ঘন ক'লা মেঘ।

অধ্যক্ষ মহোদয়, আমাৰ অসমৰ পৰা যে প্ৰতি দিনে বনসম্পদ অসমৰ বাহিৰলৈ যাব লাগিছে ইয়াৰ বাহিৰে আৰু কি সঁচা প্ৰমান লাগে। আৰু মই যোৱা বাজেট অধিবেশনত যি বিলাক অভিযোগ আনিছিলো সেই বিলাকে এইটোৱেই প্ৰমান নকৰেনে? অধ্যক্ষ মহোদয়, আমাৰ গোৱালপাৰা জিলাৰ কচি, কচুগাওঁ, ফলাঘাট ৰেঞ্জত আজি বহুত দিনৰ পৰাই দূৰ্নীতি চলি আহিছে। বানপানীৰ সময়ত দেখিবলৈ পাই-ছিলো যে দিনে কেইবা ট্ৰাককৈ বস্তু অসমৰ বাহিৰলৈ যাব লাগিছে। দিনে ৰাতিয়ে বস্তু নিয়েই আছে এই বিলাকত বাধা দিবলৈ কোনো নাই। চৰকাৰী চাকৰিয়ালৰ আগেদিয়েই এই বিলাক বস্তু কলৈ যাব লাগিছে আমি কব নোৱাৰো। অসম পশ্চিমবংগ সীমান্তত সীমালৈ অল-পতে আমাৰ বনবিভাগৰ কৰ্মচাৰীৰ লগত গুলিয়াগুলি হৈছিল। মই ভাবো ইয়াৰ কাৰণে আমাৰ বনবিভাগৰ কৰ্মচাৰীয়েই জগৰীয়া। মই কথাটো এই কাৰণেই কবলগীয়া হৈছো যে এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ যি দায়িত্ব আছিল বা আমাৰ বনবিভাগৰ কৰ্মচাৰী সকলৰ যি দায়িত্ব আছিল সেই দায়িত্ব পালন কৰা নাই। সিদিনা মই এই বিধান সভাৰ মজিয়াতে কৈছিলো যে যদি আমাৰ বন বিভাগৰ আইনৰ সংশোধন নঘটায় তেতিয়াহলে আমাৰ বন বিভাগটো ৰক্ষা নপৰে। বন বিভাগৰ কাৰণে যি খন আইন

ৰচনা কৰা হৈছিল সেই খন ৰচনা কৰা হৈছিল ১৮৯১ চনতে। তেতিয়া ১ চি এফ টি কাঠৰ মূল্য আছিল ·৫০ পইচা। আৰু তাৰ কাৰণে ফাইন কৰা হৈছিল ৫০ টকা। কিন্তু আজি এক চি এফ টি কাঠৰ মূল্য হৈছে ৮০ টকা। কিন্তু ফাইন হৈছে ৫০ টকা। সেই দৰে আজি ৫০০ চি এফ টি কাঠ চুৰি কৰি নিলেও ধৰা পৰিলে ফাইন দিব লাগিব ৫০ টকা। গতিকে কাঠ চুৰ কৰি ৫০ টকা ফাইন দিবলৈ কোনোৱে বেয়া নাপায়। এই পৰিমানৰ দ্বাৰা কাঠ চুৰি কৰিবলৈ প্ৰকাৰন্তৰে উৎসাহহে দিয়া হৈছে। গতিকে মই ভাবো এই আইনৰ যদি সংশোধন নহয় তেতিয়াহলে আমাৰ বন সম্পদ কেতিয়াও ৰক্ষা পৰিব নোৱাৰিব। আৰু এটা কথা হৈছে যে চ' মিল বিলাকক কাঠ কাটিবলৈ নিদিয়া সম্পৰ্কত ইংজাংচন জাৰি কৰা। গোৱালপাৰা জিলাত তেনেকৈ দুটা কাঠৰ মিলে ইংজাংচন আদি কৰাই থৈছে। উদাহৰণ স্বৰূপে সাপতগ্ৰাম আৰু কামাল চ' মিলৰ কথা কব পাৰি। মই দাবী জনাইছো যে এই কেচ বিলাক ডিল কৰিবৰ কাৰণে এটা বিশেষ শাখা গঠন কৰিব লাগে। যিমানেই কাঠ নাকাটক কিয় ৫০ টকাহে ফাইন হোৱাৰ ব্যৱস্থা ৰহিত কৰিব লাগে।

মই আৰু এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সেইটো হৈছে নিয়োগৰ সম্পৰ্কত। যিটো কথাৰ কাৰণে অলপতে সদনত হুলস্থুল হৈ গৈছে।

মিঃ স্পীকাৰ—ড'ণ্ট ৰিপিট।

শ্ৰীচিৰাজুদ্দিন—বনবিভাগৰ চাকৰি খালি হলে কোনো দিনেই বিজ্ঞাপন দিয়া আমি দেখিবলৈ পোৱা নাই। চি, চি, এফ আৰু ডি এফ অ' সকলে যাকে যেনেকৈ ইচ্ছা তাক তেনেকৈয়ে নিযুক্তি দি আহিছে। বন বিভাগত কৰ্মচাৰী লবলৈ হলে নীতিগত ভাবে বিজ্ঞাপন দিয়াটো আমি বিচাৰো। মুখ্যমন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো, যেহেতু ইতিমধ্যে কেইবাটাও বলিষ্ঠ পদক্ষেপ লোৱা দেখা পাইছো, তেখেতক আৰু এটা

বলিষ্ঠ পদক্ষেপ লবলৈ অনুৰোধ কৰিছো সেইটো হৈছে বনবিভাগৰ আইনৰ সংশোধন। ইয়াকে কৰিবলৈ অনুৰোধ কৰি মই কৰ্ত্তন প্ৰস্তাবৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীধনীৰাম ৰংপি—মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত বন বিভাগৰ শিতানত যি টকাৰ পৰিমাণ দাঙি ধৰা হৈছে আৰু এই সদনৰ মাননীয় সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে এই সন্দৰ্ভত মই এই পৱিত্ৰ সদনত মাননীয় সদস্য সকলক মই অসমৰ যি বনজ সম্পদ, এই সম্পদ কেনেকৈ ৰক্ষণা বেক্ষণ কৰিব লাগে, আৰু ইয়াৰ কাৰণে আমি যি নীতি অৱলম্বন কৰিব লাগে আৰু আইন আদি সংশোধন কৰিব লাগে এই সম্পৰ্কত মাননীয় সদস্য সকলে বলিষ্ঠ পৰামৰ্শ আগবঢ়াইছে। এই কাৰণেই এই বিলাক পৰামৰ্শ আগবঢ়াইছে যে আমাৰ ৰাজ্যত বন বিভাগটো এটা অত্যন্ত গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগে আমাৰ ৰাজ্যৰ বিত্তিয় ক্ষেত্ৰত যথেষ্ট অৰিহণা আগবঢ়ায়। অকল এইটোৱেই নহয় গছ গছনি কটাৰ ফলত আমাৰ জলবায়ুৰ পৰিবৰ্ত্তন হোৱাটোও নোহোৱা নহয়। আমাৰ ৰাজ্যৰ অৰ্থনীতি, জলবায়ু আদি সকলোৰে লগতেই বন বিভাগ জৰিত আছে। বন জংঘল নোহোৱা হৈ যোৱাৰ ফলতেই যে আমাৰ ৰাজ্যত বৰষুণৰ পৰিমান কমি গৈছে সেই কথা আমাৰ বৈজ্ঞানিক সকলে প্ৰমাণ কৰিছে।

সেই কাৰণে আমাৰ সকলো নাগৰিকে আমি যি দেশত বা যি ৰাজ্যত বাস কৰিছো সেই নাগৰিক সকলেও বৰ্তমান সমাজৰ লগত খাপ খোৱাকৈ চলিবলৈ যত্ন কৰা উচিত। আমাৰ অসমখনত বননীৰ বাহিৰেও নদী আৰু বিলেৰে পৰিপূৰ্ণ আছিল আৰু সেই বোৰত মাছৰ উভৈনদী আছিল। আৰু সেই কাৰণে অসম এখন ভোগ্য ৰাজ্য হিচাবে পৰিগণিত হৈছিল। গতিকে এই ভোগ্য ৰাজ্যৰ যিটো নাম সেইটো ৰক্ষা কৰিবলৈ আমাৰ চৰকাৰে গুৰুত্ব দিব লাগিব। অৱশ্যে এইটো কথা ঠিক যে আমাৰ জনসংখ্যা বঢ়াৰ লগে লগে আৰু অৰ্থনীতিয়ে

বেলেগ ৰূপ ধাৰণ কৰাৰ লগে লগে আমাৰ বাইজে এই বনানীৰ ওপৰত আক্ৰমণ কৰাৰ মনোভাৱ লবলৈ বাধ্য হৈছে। ইয়াৰে এচামে হাবি জংঘল কাটি উলিয়াই তাত খেতি কৰি জীৱিকা নিৰ্বাহৰ পথ উলিয়াবলৈ চেষ্টা কৰিলে আৰু এচামে হাবি জংঘল কাটি তাৰ পৰা অৰ্থোপাৰ্জনৰ পথ অৱলম্বন কৰিবলৈ ধৰিলে। সেই কাৰণে আমাৰ মাননীয় সদস্য সকলে এই ক্ষেত্ৰত উৎবিগ্ন হৈ পৰিছে আৰু গভীৰ চিন্তা কৰিছে যে হয়তো এটা সময়ত আমাৰ এই সম্পদৰাজীবোৰ একেবাৰেই নাইকীয়া হৈ যাব। এই সম্পদবোৰ কেনেকৈ ৰক্ষা কৰিব পাৰি আৰু তাৰ দ্বাৰা কেনেকৈ পাৰিপাৰ্শ্বিকতা ৰক্ষা কৰিব পাৰি তাৰ কাৰণে এই চৰকাৰৰ দায়িত্ব আছে আৰু সেই দায়িত্ব এই চৰকাৰে গুৰুত্ব সহকাৰে পালন কৰিব। ইয়াৰ লগত মই আমাৰ যি সকল মাননীয় সদস্য এই পৱিত্ৰ সদনলৈ এই নিৰ্বাচিত হৈ আহিছে তেওঁলোকৰ পৰাও দিহা পৰামৰ্শ আৰু সহায় সহযোগ আশা কৰিছো। মই ইয়াৰ আগতেও উল্লেখ কৰিছো যে আমাৰ বনাঞ্চল আৰু মূল্যবান সম্প্ৰদবোৰ দুচাম মানুহে ধ্বংস কৰাত লিপ্ত হৈছে। তাৰে প্ৰথমটো হ'ল—ৰিজাৰ্ভৰ মাটি দখল কৰি সেইবোৰত খেতি বাতি কৰিবলৈ লোৱা আৰু দ্বিতীয়টো হৈছে—আমাৰ যিবোৰ সংৰক্ষিত বনাঞ্চল আছে সেইবোৰৰ পৰা এচাম মানুহে গছ গছনি কাটিবলৈ লিপ্ত হোৱা। এই চাম মানুহৰ লগত ওচৰে পাজৰে যিবোৰ ফৰেষ্ট ভিলেজৰ মানুহ আছে তেওঁলোকেও হাত মিলাই ব্যৱসায়ত নামি অৰ্থোপাৰ্জনৰ পথ মুকলি কৰিছে।

আমাৰ অসমখনৰ স্বাধীনতা পোৱাৰ আগলৈকে ভৌগলিক পৰিবেশ লক্ষ্য কৰিব লাগিব। যেতিয়া আমাৰ ৰাজ্যখন অৰ্থনৈতিক ভাৱে বেলেগ বেলেগ ৰাজ্যত খণ্ড বিখণ্ড হোৱা নাছিল। আমাৰ অসমৰ ভৌগলিক চাৰিসীমা পূবে—ব্ৰহ্মদেশ, উত্তৰে—ভূটান, চীন, নেপাল, দক্ষিণে—বাংলাদেশ আৰু পশ্চিমে—পশ্চিম বঙ্গ আছিল। এই বিৰাট অসমখন বিভক্ত

হোৱাৰ আগতে এফালে নগা পাহাৰে আৰু এফালে অৰুণাচলে আমাৰ বননী সংৰক্ষণ কৰিছিল। কিন্তু ৰাজনৈতিক কাৰণত যেতিয়া অসমখন খণ্ড বিখণ্ড হৈ কেইবাখনো ৰাজ্যত পৰিণত হ'ল তেতিয়া এই বননী-বোৰ সংৰক্ষণ কৰাৰ ক্ষেত্ৰত আমি বহুতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হ'ল। আমাৰ ওচৰতে যিখন মেঘালয় ৰাজ্যৰ সৃষ্টি হ'ল সেই ৰাজ্য-খনৰ বনজ সম্পদ সংৰক্ষণ কৰে ডিষ্ট্ৰীক কাউন্সিলে। গতিকে তেওঁলোকে বনসম্পদৰ যি ট্ৰেনজিট পাৰ্মিট দিয়ে সেই পাৰ্মিটৰ পৰাও আমাৰ বনজ সম্পদত নানাবোৰ সমস্যাৰ সৃষ্টি কৰে।

আমাৰ মাননীয় সদস্য শ্ৰীহেম প্ৰকাশ নাৰায়নে তেখেতৰ সমষ্টিৰ ওচৰৰে দৈয়াং বনাঞ্চলত যিবিলাক মানুহে বসবাস কৰি আছে সেই লোক সকলৰ আজিও মাটিৰ কোনো স্থায়ী নিষ্পত্তি নোহোৱাৰ কথা উল্লেখ কৰিছে আৰু যি সকল লোকে তাত মাটি বাৰী দখল কৰি আজি বহু বছৰৰ পৰা বসতি কৰি আছে তেওঁলোকক পট্টন দিব লাগে। এই ক্ষেত্ৰত মই তেখেতক এটা কথা জনাবলৈ বিচাৰিছো এই বনাঞ্চলটো অসম আৰু নগালেণ্ডৰ সীমাত অৱস্থিত হোৱাৰ কাৰণে আৰু তাত সীমা বিবাদ চলি থকাৰ কাৰণে ইয়াৰ আগতেও কেইবাটাও গণ্ডগোলীয়া ঘটনা হৈ আছে। সেই কাৰণে আমাৰ মুখ্যমন্ত্ৰী আৰু নগালেণ্ডৰ মুখ্যমন্ত্ৰী দুয়োৰো মাজত আলোচনা বিলোচনা চলাই থকা হৈছে যাতে এই সীমা মুৰীয়া অঞ্চলটোত ভৱিষ্যতে তেনে ধৰণে গণ্ড-গোল নহয় আৰু অতি সোনকালে সীমা বিবাদৰ এটা মীমাংসা কৰি আমাৰ এইবোৰ সমস্যাৰ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছো।

দ্বিতীয়তে স্বাধীন হোৱাৰ আগলৈকে আমাৰ ৰাজ্যখনত ৰাস্তা-পদূলী বিশেষ উন্নত নাছিল। ফলত হাবিতলীয়া অঞ্চললৈ বা বনাঞ্চল বিলাকলৈ দুই এঠাইৰ বাহিৰে যাতায়ত কৰাটো অসম্ভব আছিল। ফলত সেই ঠাইবিলাকত আৰু বনাঞ্চল বিলাকত সংৰক্ষণৰ ব্যৱস্থা নিজে নিজেই হৈছিল। কিন্তু স্বাধীন হোৱাৰ পিচত আজি ৩৫ বছৰৰ পিচত ৰাস্তা-পদূলী উন্ন

হ'ল আৰু গাড়ী-ঘোঁৰা ভিতৰুৱা অঞ্চললৈ যাব পৰা হ'ল আৰু বনাঞ্চল বিলাকত সহজে সোমাব পৰা হ'ল । ফলত দুস্কৃতিকাৰী আৰু চোৰাং কাৰবাৰী সকলে বনাঞ্চলৰ ভিতৰত সোমাই ট্ৰাকেৰে এঠাইৰ পৰা আন ঠাইলৈ কাঠৰ চোৰাং কাৰবাৰ আৰম্ভ কৰি দিলে আৰু তেওঁলোকক বাধা দিবলৈ আমাৰ অসুবিধা হৈ পৰিল আৰু তেওঁলোকক সহজে ৰোধ কৰাটো দুৰূহ হৈ পৰিল । আজি আমাৰ ইয়াত নিবনুৱাৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে । আমি সেই নিবনুৱা সকলক সংস্থান কৰিব পৰা নাই । সেই সকলে সহজে অৰ্থ উপাৰ্জন কৰিবৰ কাৰণে কিছুমান দুস্কৃতি-কাৰীৰ লগত লগ লাগি পৰিস্থিতি বিলাক আৰু জটিল কৰি তুলিছে । বিদেশী নাগৰিক বিলাকো এনেকুৱা বিলাক কামত সোমাই পৰিছে । কেতিয়াবা ট্ৰাক ধৰিলেও কাঠ উদ্ধাৰ কৰিব নোৱাৰি । এনেধৰণৰ এটা, আই ভেলী ডিভিজনত ডাঙৰ ঘটনা সংঘটিত হ'ল । ডি, এফ, ও জনে ট্ৰাক ধৰিবলৈ যাওতে হঠাৎ অতৰ্কিতে ৬০।৭০ জন মানুহে তেওঁক ঘেৰি ধৰিলে । কিন্তু সেই বিষয়াজনৰ হাতত বন্দুক থকাই আৰু সাহস থকাই তেওঁ আক্ৰমণৰ পৰা ৰক্ষা পৰিল । তেওঁৰ হাতত মাত্ৰ দুটা গুলি আছিল । তাৰ পাচত এখন ট্ৰাক আহিল । তাত দুজনমান কনিষ্টবল আছিল । তেওঁলোক ট্ৰাকৰ পৰা নামি অহাৰ লগে লগে সেই মানুহ বিলাকে দিহা দিহি পলাল । কোনোমতে তেওঁ এই ভয়াবহ অৱস্থাৰ পৰা ৰক্ষা পৰিল । আজি ২ বছৰ মান আগৰে পৰা এই কাৰ্য্য অলপ বেচি ধৰণে সংঘটিত হৈছে । আজি দেশত আন্দোলনৰ সুবিধা লৈ বহুতো দুস্কৃতিকাৰী আৰু চোৰাং কাৰবাৰী সকলে এই অৱস্থাৰ সুযোগ সুবিধা বিলাক লৈ আছে । আন্দোলনৰ বন্ধ আৰু গইনা লৈ এচাম দুস্কৃতি-কাৰীয়ে গোপনে এঠাইৰ পৰা আন ঠাইলৈ কাঠ চোৰাংকৈ যোৱা কাৰ্য্য চলাই আছে । মই আশা ৰাখিছো বিদেশী সমস্যা সমাধান হলে, আ-ন্দোলন বন্ধ হলে চোৰাং কাৰবাৰ ৰোধ কৰাৰ ব্যৱস্থা বিলাক কাৰ্য্যকৰী কৰাৰ সুবিধা হব আৰু তেতিয়া আমাৰ এই আপুৰুগীয়া বনজ সম্পদ ৰক্ষা কৰিব পাৰিম । তাৰ পাচত কাজিৰঙাৰ নিচিনা ঠাইত বহু গড়

মাৰিছে, ওৰাং আৰু লাউখোৱাটো অন্যান্য জন্তু মাৰিছে। কিছু বছৰৰ পৰা এইবিলাক বেচিকৈ হৈছে। কিয়নো ইয়াৰ কাৰণ হ'ল আমাৰ হাতত আৰ্মচ এণ্ড এমোনেচন কমি গৈছে। কাৰণ কেন্দ্ৰীয় চৰকাৰে এইটো বেষ্টনীকচন কৰিছে। ফলত গড় মৰা আৰু অন্যান্য জন্তু ইত্যাদি মৰাৰ সংখ্যা বাঢ়িছে গৈছে। মাননীয় সদস্য সকলে সুপ-ৰামৰ্শ আৰু মতামত আগবঢ়াইছে। আজি ধৰক আমাৰ ল এণ্ড অৰ্ডাৰ মেইনটেইন কৰিব লাগে। এইদৰে অবাধে বেদখল চলি থকাৰ কাৰণে বিভিন্ন ঠাইত দুস্কৃতিকাৰী বিলাক সোমাই জীৱ জন্তু বিলাক অবাধে হত্যা কৰিছিল। মুখ্যমন্ত্ৰী মহোদয়ে আমাক যি মতে দিহা পৰামৰ্শ দিছে আৰু এইক্ষেত্ৰত তেখেতে বিশেষ দৃষ্টি দিলে আমি নিশ্চয় এই জীৱজন্তু মৰাৰ পৰা কিছু পৰিমাণে বাধা দিব পাৰিব আৰু সেই কাৰণেই এই বিভিন্ন সমস্যা বিলাক সমাধান কৰিবলৈ আৰু জীৱজন্তুক ৰক্ষা কৰি-বলৈ কাৰ্য্য ব্যৱস্থা হাতত লৈছো। সেই কাৰণেই আমাৰ ৰাজ্যৰ এই বনজ সম্পদ বিলাক ৰক্ষা কৰিবৰ কাৰণে বিজ্ঞান সন্মতভাবে যথেষ্ট কাৰ্য্য পন্থা হাতত লোৱা হৈছে আৰু সেইবিলাক লক লাগিবও। অৱশ্যে আমাৰ কিছুমান সদস্যই উল্লেখ কৰিছে যে আমাৰ ফৰেষ্টৰ যিখন আইন সেই আইনখন বহুত পুৰণিকলীয়া হৈছে। সেইটো সঁচা কথা। সেইখন ১৮৯১ চনৰেই আইন। সেই আইন মতে মাত্ৰ ৫০ টকাহে জৰিমনা কৰিব পাৰে। গতিকে এই ৫০ টকা জৰিমনা দিয়াটো একো ডাঙৰ কথা নহয়। গতিকে তেওঁলোকে ৫০ টকাতো দিবই আৰু কামতোও কৰিব। দহবাৰ টকা দিব আৰু দহ ডাল গছ কাটিব। গতিকে গাত একো নালাগে। সেই কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত অসম চৰকাৰে বিবেচনা কৰি আছে। যাতে এই আইন সংশোধন কৰিব পাৰি। আৰু টকাৰ পৰিমানতো যেন ৫০ টকাৰ পৰা ৩।৪ হাজাৰ মান কৰে আৰু পেনাল্টি কৰে। তেতিয়া হলে এজন মানুহে অন্ততঃ এডাল গছ কটাৰ আগতে এবাৰ চিন্তা কৰি চাব। যে গছ ডাল কাটিলে যদি

নাপাও তেতিয়া ৩।৪ হাজাৰ মান টকা ভৰিব লাগিব। তেতিয়া এটা মোৰেল অবলিগেচন আহি যায়। আমাৰ আইন যিখন আছে তাৰ ক্লজ ৪৯ ত ভেহিকুলৰ কোনো উল্লেখ নাই। অৰ্থাৎ ভেহিকুল বা ট্ৰাক অনাৰ কথা উল্লেখ নাই। কিন্তু হাতীৰে টনা বা গৰুৰ গাড়ীৰে অনা ব্যৱস্থাৰ উল্লেখ আছে। গতিকে এনেক্ষেত্ৰত ট্ৰাক ধৰিলে বা অন্য কাৰণত লিগেলি কৰ্মচাৰী সকল বিপদত পৰিবলগীয়া হয়। বস্তুতে কৰ্টত চলেঞ্জ কৰিছে। ইয়াৰ ইণ্টাৰপ্ৰিটেচন বেলেগ হৈ যায়। আগতে গছগছনী বিলাক হাতীৰে টানি ফালি লৈ যায়। কিন্তু এতিয়া ট্ৰেইনৰ, ৰেলৰ সুবিধা হোৱাৰ কাৰণে আজিকালি বেচিভাগেই ট্ৰাক বা ট্ৰেইনত এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ অনা নিয়া হয়। সেই কাৰণে ৰেল বিভাগৰ লগত আলোচনা কৰি যাতে চেক ইত্যাদি পৰীক্ষা কৰা কাৰণে যাতে ট্ৰেইন বিলাক বেচি সময় ৰাখে তাৰ কাৰণে আলোচনা বিলোচনা কৰা হৈছে। আৰু তেতিয়া আমি কাঠবিলাক বোজাই কৰাৰ আগতে ভাল ধৰণে পৰীক্ষা কৰিব পাৰিম। আজিকালি বেচি বেত, বাহ ইত্যাদি ট্ৰাকতহে অনা নিয়া কৰে। কিন্তু কিছুমান চোৰাং ব্যৱসায়ীয়ে নানা ধৰণৰ কৌশল উদ্ভাৱন কৰিছে। তেওঁলোকে ভিতৰত কাঠ, মূল্যবান বেত বাহ ইত্যাদি দি ওপৰত ঘাহ বা অন্যান্য বস্তু দি ট্ৰিপালেৰে ঢাকি লৈ যায়। গতিকে আজি কালি চেকগেট বিলাকত এই বিলাক চেক কৰিবলৈ কোৱা হৈছে। সাধাৰণতে খোলা ট্ৰাকত লৈ গলে কবলগীয়া একো নাই। আৰু এটা কথা হৈছে মেজিষ্ট্ৰেট সকলৰ সহযোগ সদায় লাগে। কোনো এটা অফেন্স হলে আমি মেজিষ্ট্ৰেট সকলক লগত লৈ যাও। অলপতে দগৰি ডিভিজনত তৎপৰতাৰ ব্যৱস্থা লোৱাৰ কাৰণে কেইবা হাজাৰো টকাৰ কাঠ উদ্ধাৰ কৰিব পৰা হৈছে। মাজতে এটা কথা ওলাইছিল ওৱেষ্ট বেঙ্গললৈ কিছুমান কাঠ চালান হৈছে। এইবিষয়ে তেতিয়া ব্যৱস্থা লোৱা হ'ল। ধুবুৰী বেঞ্চাৰে কোচ বিহাৰক জনাইছে। তেওঁলোকৰ পৰা আজি সহাৰি পাইছো। প্ৰায় ১৮ লাখ মান টকাৰ কাঠ আইন আৰু বেআইনী ভাবে ১২৭ খন ট্ৰাকেৰে চালান হৈছে।

কিন্তু তাত বেআইনী ভাবে ৯ লাখ মান টকাৰ কাঠ ওলাল।

অধ্যক্ষ মহোদয়, মই ভাবো যে, আমাৰ চৰকাৰ গঠন হোৱাৰ লগে লগে আৰু আজি সেইবিলাক কাম কৰিবৰ কাৰণে যিবিলাক পন্থা অৱলম্বন কৰিছে সেইবিলাক জানিবলৈ চেষ্টা কৰিছো। সেইবিলাক অনুসন্ধান কৰি থকা হৈছে যাৰ ফলত আমাৰ হিচাবত যিখিনি কাম কৰিব লাগে আৰু যিখিনি হিচাব কৰিব লাগে সেই হিচাবে আমি যথেষ্ট আগবাঢ়িব পাৰিম। এতিয়া সাময়িক ভাৱে আমি কি কি কেনেকৈ কৰিছো আৰু অফিচৰ লগত কি কাম কৰি আছো তাৰ বাহিৰেও কাঠবিলাক কোন ঠাইৰ পৰা নিব পৰা নাই আমি এইবিলাক পথা প্ৰাৰম্ভিক ভাবে হাতত লৈছো। ওচৰ চুবুৰীয়া ৰাজ্য বিলাকৰ লগতো সহযোগ কৰি আমি আমাৰ কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিছো।

আমাৰ এতিয়াও যথেষ্ট কৰিবলগীয়া আৰু কি কি উপায় অৱলম্বন কৰিলে আমি আমাৰ বনজ সম্পদ ৰক্ষা কৰিব পাৰিম তাৰ কাৰণে আমি কৰ্ম তৎপৰতাৰে আগুৱাই গৈছো। তাৰোপৰি এই বিভাগৰ পৰা প্ৰত্যেক বছৰে আমাৰ ৰাজহ কেনেকৈ বৃদ্ধি পাইছে তাৰো এটা খটিয়ান মই এই সদনৰ আগত দাঙি ধৰিব খুজিছো। ১৯৮২-৮৩ চনত আমাৰ উৎপাদন আছিল ১৭ হাজাৰ ৯২ লাখ আৰু ১৯৮৩-৮৪ চনত আমি আশা ৰাখিছো এই আয় ২ হাজাৰ ১ শ লাখ হবগৈ। আমাৰ ৰাজ্যখনত বন বিভাগৰ পৰা উপাৰ্জনৰ খতিয়ান মই ১৯৭৫-৭৬ চনৰ পৰাই দিব খুজিছো।

| | |
|---|---|
| 1975-76— | Rs. 625.45 lakhs |
| 1976-77— | Rs. 791.25 lakhs |
| 1977-78— | Rs. 966.14 lakhs |
| 1978-79— | Rs. 1124.55 lakhs |
| 1979-80— | Rs.1125.29 lakhs |
| 1980-81— | Rs. 1227.81 lakhs |

| | |
|---|---|
| 1981-82— | Rs. 1509.67 lakhs |
| 1982-83— | Rs. 1792.00 lakhs |
| 1983-84— | Rs. 2100.00 lakhs |

সেই হিচাব মতে আমাৰ খৰছও দেখুৱা হৈছে। ১৯৮১-৮২ চনত যি হিচাবে খৰছ আছিল তাৰ পৰিমাণ ১৯৮২-৮৩ চনত বেছি হৈছে। আমাৰ পাহাৰীয়া অঞ্চল বিলাকত সামাজিক বনানীকৰণৰ আঁচনি নাছিল কিন্তু এই বছৰৰ পৰা পাৰ্বত্য অঞ্চলবিলাকতো সামাজিক বন-নিকৰণ আঁচনিৰ কাম প্ৰবৰ্ত্তন কৰা হৈছে। তাৰোপৰি কৰ্মচাৰী সকলৰ দা-দৰমহাও বাঢ়িছে। তাৰ কাৰণেও খৰছৰ শিতানত ১৯৮১-৮২ চনতকৈ ১৯৮৩-৮৪ চনত খৰছ বৃদ্ধি পাইছে।

মাননীয় সদস্য সকলে যি পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শবিলাক আমাৰ বিভাগৰ কাৰণে এটা নতুন আৰু ডাঙৰ পথ বুলি ধৰি লৈছো। মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰীয়ে কৈছে যে ৰঙাপাৰা হাবি অঞ্চলত জনজাতীয় ট্ৰাইবেল সকলক উচ্ছেদ কৰা হৈছে। এই সন্দৰ্ভত তেখেতে খবৰ কাগজৰ উদ্ধৃতিও পাঠ কৰি শুনাইছে। মাননীয় সদস্য গয়াৰী ডাঙৰীয়াইও কৈছে। এই সন্দৰ্ভত মই কওঁ যে জনজাতী আৰু অজন-জাতি এই বিচাৰৰ ভিত্তিত কাম কৰা হোৱা নাই। অসমৰ বনজ সম্পদ ৰক্ষা কৰাৰ পৰিপ্ৰেক্ষিতত কাকো দোষ দিব নালাগে। জনজাতি সকলক উচ্ছেদ কৰা হৈছে, অজনজাতীয় সকলক ৰাহি দিয়া হৈছে এইটো নহয়। অসমৰ বনজ সম্পদ ৰক্ষা কৰাত সকলো ফালৰ পৰাই গুৰুত্ব আছে। সকলোবিলাক জেনুইন নথিপত্ৰ চালিজাৰি চাইহে কাৰ্য্য-ব্যৱস্থা গ্ৰহণ কৰা হব। কিন্তু আমাৰ যিটো মনোভাব সেইটোক পৰিবৰ্ত্তন কৰিব লাগিব। মই আগতেও উল্লেখ কৰি আহিছো যে আমাৰ জনজাতীয় লোকসকলে হাবি জংঘলৰ কাষৰ পাজৰে বসবাস কৰি ভাল পায় আৰু আৱহমান কালৰে পৰা তেওঁলোকে এইদৰে জীৱন যাপন কৰি আহিছে।

গছ কটাত যে জন জাতিয় লোক সকলৰ আটাইতকৈ বেছি নিপুণতা আছে সেই কথা মই নিজে এজন জনজাতিয় মানুহ হিচাবে বিশ্বাস কৰো। তেওঁলোকে জংঘল কাটি জুম খেতি কৰি গোটেই বছৰ কটাই দিয়াটো তেওঁলোকৰ বাবে বৰ উৎসাহ আৰু সপোনৰ কথা। যি মানুহে জংঘল কাটিব নেপাব সেই মানুহৰ বাবে বছৰটো কটাই দিয়াটো অতি টান হৈ পৰে। বাহঁ কাটি জুই লগাই জেগা উলিয়াই লৈ তাৰ ওপৰত খেতি-বাতি কৰি তেওঁলোকক জীয়াই থাকিবলৈ লাগে। প্ৰাকৃতিক দুৰ্য্যোগৰ কথা তেওঁলোকে পাহৰি থাকে।

কিন্তু সুখৰ কথা আমাৰ জনপ্ৰিয় চৰকাৰে আৰু ভাৰত চৰকাৰে সেই পাহাৰী মানুহখিনিৰ কাৰণে জুম খেতিৰ পৰিবৰ্ত্তে উন্নত ধৰণৰ ধান খেতি কৰিবৰ কাৰণে বেলেগ বেলেগ আঁচনি লৈছে আৰু সেই আঁচনিবিলাক যাতে তেওঁলোকে জংঘল নকটাকৈ বছৰটো জীয়াই থাকিব পাৰে সেই মনোভাব গঢ়ি তুলিবলৈ বিচৰা হৈছে আৰু তাকে হলে জংঘল কটাৰ পৰা যি ভয়ানক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় সেইটো বন্ধ হব। উদাহৰণ স্বৰূপে, আমাৰ যিখন যমুনা নদী আছে সেইখন কাৰ্বি আংলঙৰ সিংহাসন পাহাৰৰ পৰা আহিছে। এই যমুনা নদীৰ পৰা গোটেই নগাওঁ আৰু কাৰ্বি আংলঙৰ মানুহে দুই তিনিটা খেতি কৰিব পাৰে। এই নদীখনত যদি পানী নহয় তেন্তে তেওঁলোকৰ দুৰাৱস্থা হব। গতিকে, জংঘল কটা বিষয়টোৰ ওপৰত এটা ভৈয়ানক অৰ্থনীতি জড়িত হৈ আছে। বহুতো গছ গছনি, বাঁহ আদি কটাৰ ফলত ইয়াৰ প্ৰাকৃতিক পৰিণাম অতি ভয়াবহ হয় আৰু খেতি-বাতি নষ্ট হয়। এই সম্পৰ্কৰ বিশেষ কথা মই নাজানো। বৈজ্ঞানিক সকলে অৰ্থাৎ যি সকলে বিজ্ঞান ষ্টাডি কৰে তেওঁলোকে জানিব পাৰে। গয়াৰী ডাঙৰীয়াই কৈছে যে ট্ৰাইবেল সকলে খেতি কৰাৰ বাহিৰে অন্য কোনো উপাই নাই, কাৰণ চৰকাৰে তেওঁলোকক সুবিধা দিয়া নাই। থাকিবৰ কাৰণে তেওঁলোকে পৰ্ব্বতে-পাহাৰে, হাবিয়ে জংঘলে ঘুৰি ফুৰিব লগা হয় মই মাননীয় সদস্য

জনক জনাওঁ যে বৰ্ত্তমান চৰকাৰে বহুতো নীতি গ্ৰহণ কৰিছে, কৰপৰে-শ্যন পাতিছে, ট্ৰাইবেল চাব প্লেন কৰিছে, আই, টি, ডি বিলাক কৰিছে। তাৰোপৰি ডেভেলপমেণ্ট অথৰিটি কৰিছে। সেই বিলাকৰ জৰিয়তে যাতে জনজাতিয় সকলো লোকে নীতিগত ভাৱে, আইনগত ভাৱে সকলো সুবিধা পাব পাৰে। ইয়াৰ পৰা নিশ্চয় তেওঁলোকৰ উপকাৰ হব। সেই কাৰণে মই ভাৱো যে চৰকাৰে যিবিলাক নীতি গ্ৰহণ কৰিছে সেইবিলাক কাৰ্য্যকৰী কৰিববৈলে আমি হাতত ব্যৱস্থা লৈছোঁ আৰু মোৰ বিশ্বাস তাৰ পৰা এই বনজ সম্পদ ৰক্ষা কৰিব পৰা হব।

এই সন্দৰ্ভত এই সদনত ১১ জন সদস্যাই অংশ গ্ৰহণ কৰিছে যিবিলাক পৰামৰ্শ আগবঢ়াইছে সেইবিলাক মই সম্পূৰ্ণ ভাৱে গ্ৰহণ কৰিছো আৰু বনজ সম্পদ ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি আগবঢ়াইছো। শেষত আমাৰ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই যিখন প্ৰশ্ন কাকত এই সদনত পঢ়ি শুনালে সেই চিঠিখন আমাৰ অধ্যক্ষৰ হাতত দিয়া হৈছে!

মাননীয় অধ্যক্ষ—মোৰ হাতত দিয়া নাই।

শ্ৰীধনীৰাম ৰংপি (মন্ত্ৰী)—দাস ডাঙৰীয়াই মাজে মাজে মোৰ ওচৰলৈ আহি কয়—"মই এই চিঠি পঢ়িম, কিন্তু কি পঢ়িব মোক কোৱা নাছিল, কিন্তু এইটো কথা কৈছে হাতী ধৰা কথাটো উপলুঙা কৰি ডেকা ডাঙৰীয়াই কৈছে। তেখেতৰ লগত এনে ধৰণৰ উপলুঙা মূলক কথা পতা মোৰ মনত নপৰে। তেখেতে অৱশ্যে এইটো কথা কৈছিল যে নৰ্থ কামৰূপৰ ডিভিজনটোত এটা আসোঁৱাহ আছে এইটোৰ এটা ব্যৱস্থা কৰিব লাগে বুলি তেখেতে মোক কৈছিল। মই তেখেতক কৈছিলো যে এজন বিধায়ক হিচাবে আপুনি মোক লিখিত হিচাবে দিয়ক। সেই কাৰণে তেখেতে মোক চিঠিখন অৰ্পন কৰে আৰু বিহিত ব্যৱস্থাৰ কাৰণে মই চৰকাৰলৈ সেইখন প্ৰেৰণ কৰিছোঁ।

এইটোৰ এটা ৰিপৰ্ট আমি পাইছো আৰু সেই সন্দৰ্ভত আমি

কৈছো যে যিহেতুকে নৰ্থ কামৰূপত ইণ্টাৰভিউ হৈ গ'ল আৰু নিযুক্তিও দিয়া হৈছে সেই সন্দৰ্ভত কেইটামান কথা বিবেচনাৰ কাৰণে আহিছে আৰু সেইবিলাক মই সদনৰ জ্ঞাতাৰ্থে বিচাৰিছো।

It has transpired from report of the D. F. O. N. K. Division, that the forest Department are employing quite a good number of casual labourers for implementing various development schemes like, plantation, building and road construction. departmental timber operation etc. with a view to give chances to the local educated unemployed youths, for engagement he issued advertisement for recruitment to posts namely, labour-cum-forestry supervisor, skilled labour supervisor and forestry workers etc. fixing date of interview on 3-8-83. at 10.00 a.m: In response, a total 7323, number of local youths hailing from Mangaldoi, Sipajhar, Baihata, Rangyia, Nalbari. Barpeta etc. turned up. Bacause of a large number of persons, turning up, it was decided to undertake a written test which was accordingly held and after scruitiny of the answer scripts the D. F. O. selected a total of 307 persons on basis of 70% marks secured.

The D. F. O. has reported that these 307 persons have been engaged after causing verification of their antecedents in the posts of Forest Supervisors etc. by issuing appointment letters. As per his report the wages of these persons are going to be paid on monthly

basis calculated at the rate of Rs. 25% per day for Matriculates and above in the post of skilled and for others at Rs. 10/-per day.

সাধাৰণতে ডি-এফ-অ' সকলে যি সকল চাকবিয়ালৰ দৰমহা চাৰিশ টকাৰ কম সেই সকলক নিযুক্তি দিব পাৰে কিন্তু চতুৰ্থ শ্ৰেণীৰ অনুমোদনৰ কাৰণে অনুমতিৰ কাৰণে লিখিছে। ইয়াৰ কাৰণে বাৰ্ষিক প্ৰায় চল্লিশ লাখ মান খৰচ হয়। বন বিভাগৰ তেনে কোনো পুঁজি নাই আৰু তেনে পুঁজিৰ কাৰণে চৰকাৰৰ ফালৰ পৰা অনুমোদন দিয়া নাই। অৱশ্যে পঞ্চবাৰ্ষিক পৰিকল্পনাৰ বিভিন্ন আঁচনি গ্ৰহণ কৰি সেই আঁচনি সমূহ কাৰ্য্যকৰী ৰূপায়নৰ কাৰণে বুজন সংখ্যক বনুৱাৰ প্ৰয়োজন হয়। তাৰ ভিতৰত স্কিল্ড লেবাৰ আৰু আনস্কিল্ড লেবাৰ দুয়োবিধ বনুৱাই আছে। সেই বিলাক বিভিন্ন আঁচনিত ধৰা হৈ আছে। সৰ্ব্বশেষত কব খুজিছো যে যিটো প্ৰশ্নকাকত সম্পৰ্কত কথা কোৱা হৈছে সেইটো সম্পৰ্কত দ্বিমত নাই বুলি কব খোজো। কথাটো শুনাৰ লগে লগে ডাৰেক্টলি কানেক্টেড অফিচাৰ চেণ্ট্ৰেল আসাম কনজাৰভেটৰক তদন্তৰ কাৰণে পঠাই দিয়া হৈছে। তদন্তৰ ৰিপোৰ্ট পালেই ইয়াৰ বিহিত ব্যৱস্থা লোৱা হব আৰু অভিযোগ গুৰুত্বৰ প্ৰমাণ হলে ড্ৰাষ্টিক একচন লোৱা হব। মই এতিয়া মাননীয় সদস্য সকলক বিৰোধী পক্ষই যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো উঠাই লবলৈ অনুৰোধ কৰিছো।

শ্ৰীহেমেন দাস—সাত হাজাৰ তিনিশ ল'ৰাৰ পৰীক্ষা লৈছে। প্ৰশ্ন কাকত চাওঁতে কিমান দিন গ'ল আৰু কিমান তাৰিখে নিযুক্তি দিব ধৰিছে এইটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীধনীৰাম ৰংপী (বনবিভাগৰ মন্ত্ৰী)—সঠিক ৰিপোৰ্টৰ কাৰণে তদন্ত কৰিবলৈ দিয়া হৈছে।

শ্ৰীহেমেন দাস—নিযুক্তি দিয়া কাৰ্য্য সমৰ্থন কৰিছে। সেই কাৰণে মই জানিব

বিচাৰিছো যে সাত হাজাৰ তিনিশ ল'ৰাৰ বহী চাওঁতে কিমান দিন লাগিব আৰু তাৰ পিচত নিয়ম নীতি আছে, ৰিজাৰ্ভেছন, পপুলেচন পেটাৰ্ণ আদি বিভিন্ন কথা চাব লাগিব সেই সকলো বিলাক কথা চাওঁতে কিমান দিন লাগিল, প্ৰশ্ন কাকত কোনে চালে এই সকলো বিলাক বিতংভাৱে জনাৰ লাগে কিয়নো মই জানো যে পৰীক্ষা লোৱা লৰাকো নিযুক্তি দিয়া হোৱা নাই।

শ্ৰীধনীৰাম ৰংপী ( বন বিভাগৰ মন্ত্ৰী )—আৰু ভালেকেইজন মাননীয় সদস্যই মঙ্গলদৈ ছিপাঝাৰ আদিৰ ক্ষেত্ৰতো পৰীক্ষা সম্পৰ্কত কথা উল্লেখ কৰিছে সেই কাৰণে আমি সম্পূৰ্ণ প্ৰশ্নকাকত আমাৰ আয়ত্তত অনাৰ কাৰণে ব্যৱস্থা লৈছো।

শ্ৰীমথুৰা ডেকা—মই এটা স্পষ্টীকৰণ বিচাৰিছো। এই বন বিষয়া জন বৰ্ত্তমান ছুটিত আছে বুলি শুনিছো আৰু ছুটিৰ সময়ত নিযুক্তি দিব পাৰে নেকি? দ্বিতীয় কথা মই সাত আগষ্ট তাৰিখে এখন আবেদন জনাইছিলো সেই আবেদনখনত গোটেই কথা লিখি দিছিলো সেই খন পঢ়াই শুনালে ভাল হয়।

শ্ৰীধনীৰাম ৰংপী ( বনবিভাগৰ মন্ত্ৰী —ইতিমধ্যে কিছু কিছু পাইছো আৰু সম্পূৰ্ণকৈ পালে হে কোৱা ভাল হব। তেওঁ ছুটি লৈছে নে নাই নাজানো মই জনাত কাম কৰি আছে। এই সকলো বিলাক তথ্য সংগ্ৰহৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীহেমেন দাস—এই পৰীক্ষা লোৱাৰ পিচতেই বিষয়াজন কলিকতালৈ যোৱা খবৰ পাইছো কিন্তু তেওঁ বিভাগীয় নিয়ম মতে ষ্টেচন লীভ লৈছে নে নাই জানিব বিচাৰিছো।

শ্ৰীধনীৰাম ৰংপী ( বন বিভাগৰ মন্ত্ৰী )—সেই বিলাক কথা চোৱা হব।

Shri Benoy Kr. Basumatari—Sir, a point of clarification. In course of my speech earlier, I brought a charge

against this very officer of the Forest Deptt. that he is also guilty of conducting anti-national activities by conducting arms training. What is the Government going to do about that ?

শ্ৰীধনীৰাম ৰংপী ( বন বিভাগৰ মন্ত্ৰী )—তেখেতে যিটো আৰমচ্ ট্ৰেইনিঙৰ কথা কৈছে সেইটো আমি জনাত কোকৰাবাৰী আৰু নোনাই টাইগৰ প্ৰজেক্টৰ ভিতৰত ।

শ্ৰীহেমেন দাস—কিন্তু তাত সৰু সৰু ফৰেষ্ট পকেট আছে ।

শ্ৰীবিনয় কুমাৰ বসুমতাৰী—জোনাই ৰেঞ্জ অল্‌চ' ।

শ্ৰীধনীৰাম ৰংপী ( বন বিভাগৰ মন্ত্ৰী )—চোৱা হব ।

Mr. Speaker—Now I ask the hon. Members, Shri Hemen Das, Shri Purna Boro and Shri Mathura Deka whether you are going to press the cut Motion or withdraw it.

Shri Hemen Das—Sir, we withdraw it.

Mr Speaker—Is it the preserve of the House to grant leave to the Hon. Members to withdraw the cut Motion ?

( voice—Yes, yes, )

Leave is granted and the Cut Motion is withdrawn. Now I put the Grant before the House that a sum of Rs. 15,75,73,000 be granted to the Minister in-charge to complete the sum of Rs. 27,34,45,000 necessary to defray the charges which will come in course

of payment during the year ending the 31st March 1984, for the administration of "Forests".

( The Grant No. 61 is passed )

Shri Dhaniram Rangpi ( Minister, Soil Conservation ) – Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 1,86,60,000 be granted to the Minister In-charge to complete the sum of Rs. 3,39,20,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "Soil and Water Conservation."

Mr Speaker—There is no Cut Motion to this Grant. Now I put the Grant before the House that a sum of Rs. 1,86,60,000 be granted to the Minister In-charge to complete the the sum of Rs. 3,39,20,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "Soil and Water Conservation."

( The Grant No. 57 is passed )

Mr. Speaker—Grant No. 43, Shri Ranendra Narayan Basumatari Minister In-charge has requested the Hon. Minister of Education to move the Grant on his behalf.

Shri Mukut Sarma ( Minister Education)—On the recommendation of the Governor of Assam, Sir, I beg to

move that a sum of Rs. 3,55,82,500 be granted to the Minister In-charge to complete the sum of Rs. 6,46,38,500 necessary to defray the charges which will come in course of payment during year ending the 31st March, 1984 for the administration of "Welfare of Scheduled Castes/Scheduled Tribes and Others."

Mr Speaker—There is no Cut Motion to this Grant. Now I put the Grant before the House that a sum of Rs. 3,55,82,500 be granted to the Minister In-charge to complete the sum of Rs. 6,46,38,500 necessary to defray the charges which will come in course of payment during the year ending the 31st March 1984 for the administration of "Welfare of Scheduled Castes/Scheduled Tribes & Others."

( The Grant No. 43 is passed )

Mr. Speaker—The Minister in charge is absent but he has authorised Shri Mukut Sarma to move.

Shri Mukut Sarma—Sir, on the recommendation of the Governor of Assam I beg, Sir, to move that a sum of Rs. 2,98,20,000 be granted to the Minister in-charge to complete the sum of Rs, 5,61,73,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for administration of "Sericulture & Weaving".

Mr. Speaker—There is no cut motion. Now I put the

grant. "That a sum of Rs. 2,98,20,000 be granted to the Minister-in-change to complete the sum of Rs. 5,61,73,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 fo the administration of "Seri-culture & Weaving".

( the grant is passed )

Shri Hiteswar Saikia ( Chief Minister )—On the recommendation of the Governor of Assam I beg, Sir, to move that a sum of Rs. 60,16,000 bs granted to the Minister-in-charge to complete the sum of Rs. 91,32,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "State Legislature".

Mr. Speaker—There is no cut-motion, I now put the grant before House. "That a sum of Rs. 60,16,000 be granted to the Minister in charge to complete the sum of Rs. 91.32,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "State Legislature".

( the grant is passed )

Shri Hiteswar Saikia ( Chief Minister )—Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 31,54,000 be granted to

the Minister in charge to complete the sum of Rs. 43,54,000 necessary to defray the charges that will come in course of payment during the year ending the 31st March, 1984 for the administration of "Council of Ministers."

Mr. Speaker—There is no cut motion. I now put the grant: "That a sum of Rs. 31,54,000 be granted to the Minister in charge to complete the sum of Rs. 43, 54,000 necessary to defray the charges which will come in course of payment during the year ending the 31 st March, 1984 for the administration of "Council of Ministers." .

( the grant is passed )

Shri Hiteswar Saikia ( Chief Minister )—Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 1,35,15,000 be granted to the Minister in charge to complete the sum of Rs: 2,70,29,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "Administration of Justice."

Mr. Speaker—There is no cut motion. Now I put the main grant. "That a sum of Rs. 1,35,15,000 be granted to the Minister in charge to complete the sum of Rs. 2,70,29,000 necessary to defray the charges which

will come in course of payment during the year ending the 31st March, 1984 for the administration of "Administration of Justice."

( the grant is passed )

Shri Hiteswar Saikia ( Chief Minister )—Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 2,00,00,000 be granted to the Minister in charge to complete the sum of Rs. 4,00,00,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984, for the administration of "Elections".

Mr. Speaker—There is no cut motion. I now put the main grant. "That a sum of Rs. 2,00,00,000 be granted to the Minister in charge to complete the sum of Rs. 4,00,00,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "Election."

( the grant is passed )

Shri Hiteswar Saikia ( Chief Minister )—Sir, on the recommendation of the Governor of Assam, I beg Sir, to move that a sum of Rs. 2,57,67,000 be granted to the Minister in charge to complete the sum of Rs.

1,04,05,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "State Excise."

Mr. Speaker—There is no cut motion. I now put main grant. "That a sum of Rs. 52,03,000 be granted to the Minister in charge to complete the sum of Rs. 1,04,05,000 necessary to defray the charges which will come in course of payment during the year ending the 31 st March, 1984 for the administration of "State Excise."

( the grant is passed

Shri Hiteswar Saikia ( Chief Minister )—Sir, on the recommendation of the Governor of Assam, I, beg, Sir. to move that sum of Rs. 2,57,67,000 be granted to the Minister in charge to complete the sum of Rs. 5,08,74,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "Civil Secretariat and Attached Offices."

Mr. Speaker—There is no cut motion. Now I put the granted before the House. "That a sum of Rs. 2,57,67,000 be granted to the Minister in charge to complete the sum of Rs. 5,08,74,000 necessary to defray the charges which will come in course of payment during the

year ending the 31st March, 1984 for the administration of "Civil Secretariat and Attached Offices."

( the grant is passed )

Shri Hiteswar Saikia ( Chief Minister )—Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 2,56,44,000 be granted to the Minister in charge to complete the sum of Rs. 4,82,87,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for administration of "District Administration".

Mr. Speaker—There is no cut motion to this grant also. I now put the grant before the House. That a sum of Rs. 2,56,44,000 be granted to the Minister in charge to complete the sum of Rs. 4,82,87,000 necessary to defray charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of District Administration.

( the grant is passed )

Shri Hiteswar Saikia ( Chief Minister )—Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 28,80,97,000 be granted to the Minister-in-charge to complete the sum of Rs. 54,15,95,000 necessary to defray the charges which will come in

course of payment during the year ending the 31st March, 1984 for the administration of "Home".

Mr. Speaker—There is a cut motion to this Grant in the names of hon'ble members Shri Hemen Das and Shri Purna Boro.

Shri Hemen Das—Sir, I beg to move that the total provision of Rs. 54,15,95,000 under Grant No. 18, in respect of "Police" at pages 1-53 of Volume II, Part V of the Budget be reduced by Rs. 100, i. e. the amount of Rs. 54,15,95,000 do stand reduced to Rs, 100.

Mr. Speaker—Before the hon'ble member starts I want to request him that we will have to complete everything before 5 PM and the hon'ble Chief Minister will have to reply also, so, the hon'ble member who has already moved the cut motion will speak, it is my request, for three minutes.

Shri Hemen Das—Yes Sir, It is not possible to complete my speech within the time given but I will try to limit it within three minutes.

মাননীয় অধ্যক্ষ মহোদয়, গৃহ বিভাগত আমি বহুত টকা দিবলৈ ওলাইছো। আমি জনাত এই গৃহ বিভাগটো থকা স্বত্বেও যোৱা ফেব্ৰুৱাৰী মাহত অসমত চাৰে তিনিলক্ষ্য মানুহ গৃহহীন হৈছিল। চৰকাৰী হিচাব মতে চাৰে তিনিহাজাৰ লোকৰ জীৱন নাশ হৈছে কিন্তু ব-চৰকাৰী হিচাবত ৫ হাজাৰৰও অধিক লোকৰ জীৱন নাশ হৈছে। গৃহহীন হোৱা বা জীৱন নাশৰ হিচাব আমি পাচত পাইছো। কিন্তু অৰুণ স্বোৰীয়ে এই

সকলোবিলাক আগ ধৰিয়েই জানে। অথচ এইকথা জনা স্বত্তেও এই হত্যাকাণ্ডৰ বিৰুদ্ধে চৰকাৰে কোনো ব্যৱস্থা নললে। যিসকল নিৰপৰাধী লোক তেওঁলোকক ৰক্ষনা বেক্ষন দিয়াৰ যি ধৰণৰ ব্যৱস্থা লব লাগিছিল তেনে ব্যৱস্থা লোৱা দেখা নগল অথচ এইকথা পুলিচ বিভাগে আগতে জানে। আজি অসমৰ গৃহ বিভাগটো দুভাগত বিভক্ত হৈছে। এটা পক্ষই আন্দোলনৰ সপক্ষে আন্দোলনকাৰী সকলৰ লগত লগ লাগি গৈছে আৰু আনটো পক্ষই শান্তি শৃংখলাৰ কাম কৰি আছে। আজিও তেনে ধৰণৰ ঘটনা ঘটিয়েই আছে। মই আজি আমাৰ প্ৰাক্তন বিধায়ক শ্ৰীনৰেণ দত্তৰ পৰা এখন টেলিগ্ৰাম পাইছো। তাত কৈছে নলবাৰীত যিজন নিৰঞ্জন তালুকদাৰক নিশংস ভাবে হত্যা কৰা হৈছিল সেই ঘটনাৰ তদন্ত কৰিবলৈ শ্ৰীপদ্ম কুমাৰ গায়ন নামৰ এজন বিষয়াক 'ইন্‌ভেষ্টিগেটিং' বিষয়া হিচাবে নিয়োগ কৰা হৈছিল। তেওঁ তালৈ গৈ দোষীক ধৰা দূৰৰ কথা মৃত নিৰঞ্জন তালুকদাৰৰ নবৌয়েক আৰু মাকক গালী গালাজ কৰাৰ আৰম্ভ কৰিছে। যিসকলে দোষীক ধৰাই দিব খোজে তেওঁলোকক আৰু ওলোটাই গালি-গালাজ কৰিছে। ঠিক এইধৰণে বিষয়া সকলো আন্দোলন কৰিয়েই আছে। গতিকে এই বিভাগত টকা দিয়াৰ লগে লগে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যি সকল পুলিচ বিষয়াই এতিয়াও অসমত অশান্তিৰ সৃষ্টি কৰি আছে, আন্দোলন কাৰী সকলৰ যোগাযোগ কৰি আছে তেওঁলোকৰ ওপৰত কঠোৰ ব্যৱস্থা লব লাগে।

( সময়ৰ সংকেত )

এটা কথা মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো চৰকাৰে নিম্ন স্তৰৰ যি সকল কৰ্ম্মচাৰী তেওঁলোকৰ দাবী বা অভিযোগ আজিও পূৰণ কৰা নাই। মই এখন বেনামী চিঠিও পাইছো। এচ, আই আৰু এ, এচ, আই সকলৰ প্ৰমোচন বা পদোন্নতি আজিও দিয়া নাই যাৰ কাৰণে তেওঁলোকৰ মাজত অশান্তিৰ সৃষ্টি হৈছে। চৰকাৰৰ যিটো চোৰাং চোৱা

বিভাগ সেই বিভাগটোৰ কাম কাজ লক্ষ্য কৰিব লগীয়া। মোৰ বোধেৰে তেওঁলোকৰ বুদ্ধিও ফেইল মাৰিছে। তেওঁলোকৰ বিশেষ প্ৰশিক্ষনৰ কাৰণে টকা খৰচ কৰা হৈছে। কিন্তু কামত অহা নাই। নিম্ন স্তৰৰ যি সকল পুলিচ কৰ্মচাৰী তেওঁলোকে যাতে প্ৰশাসন যন্ত্ৰক নিস্বাৰ্থ ভাবে সহায় কৰিব পাৰে তেওঁলোকৰ যিবিলাক অভাব অভিযোগ সেইখিনি পূৰণ কৰাত আশা কৰো চৰকাৰে দ্বিধাবোধ নকৰিব—আশাকৰো উপযুক্ত প্ৰশিক্ষনেৰে পুলিচ প্ৰশাসনৰ উন্নয়নৰ যত্ন কৰিব। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাবটো উৎথাপন কৰিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, ৫৪,১৫,৯৫,০০ টকা খৰচৰ হিচাব বা খতিয়ান তিনি মিনিটতে দিয়া সম্ভৱ নহয়। মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই যি কেইটা প্ৰশ্নৰ অৱতাৰণা কৰিছে সেইকেইটাৰ উত্তৰ দিবলৈ মই চেষ্টা কৰিম। তেখেতে প্ৰথমেই কৈছে যে এচ, বিয়ে ঘটনা ঘটিব পাৰে বুলি খবৰ দিয়া স্বত্বেও কিয় পুলিচ বিভাগে তাক বাধা দিব নোৱাৰিলে। চৰকাৰী হিচাব মতেই তিনি হাজাৰ লোকৰ মৃত্যু হৈছে, কথা কিছু সত্য, অস্বীকাৰ কৰিব নোৱাৰি। ঠায়ে ঠায়ে এচ, বি য়ে ৰিপোৰ্ট দিছিল ঘটনা ঘটিব বুলি। সেই বিলাক ঠাইতো বিশেষ তৎপৰতাৰে কাম কৰিব নোৱাৰিলে যাৰ কাৰণে এই হত্যাকাণ্ড ঘটিবলৈ পাইছিল। ইতিমধ্যে আমি এটা প্ৰশাসনীয় অনুসন্ধান কমিটি কাৰ দিছো, তেওঁলোকে তদন্ত আৰম্ভ কৰিছে। তেওঁলোকে নিশ্চয় এই কথাবো পম খেদিব, গতিকে এতিয়াই সকলো কথা আমি সমালোচনা কৰা ঠিক নহব। কাৰ দোষত কি ঘটনা ঘটিল এই কমিটিয়ে গোটেই কথা চালি জাৰি চাব আৰু তেখেত সকলৰ ৰিপোৰ্ট মতে আমি দোষীক শাস্তি দিবলৈ যত্ন কৰিম। ইতিমধ্যে আমি প্ৰাৰম্ভিক যিবিলাক অভি-যোগ পাইছো তাৰ ওপৰত ভিত্তি কৰি কেইজনমান বিষয়াক বৰখাস্ত পৰ্য্যন্ত কৰা হৈছে। প্ৰশাসনীয় অনুসন্ধান কমিটিৰ ফাইন্দিংচ পোৱাৰ পিচত সেইমতে শাস্তিৰ ব্যৱস্থা লম। মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই

চি, আই, ডি সকলৰ যি প্ৰশিক্ষনৰ কথা কৈছে সেইমতে বিহিত ব্যৱস্থা লোৱা হব। পদোন্নতিৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে আমি আহি দেখিলো বহুত বছৰ চিলেকশ্যন কমিটি হোৱাই নাই। আনকি কিছুমান ক্ষেত্ৰত ৫-৭ বছৰ পৰ্য্যন্ত যি সকলে এটা ষ্টেজতে কাম কৰি আছে, তেওঁলোকক প্ৰমোচন দিয়াৰ ব্যৱস্থা আছে সেইখিনিও কৰা হোৱা নাই। সেইবিলাক কৰিবৰ কাৰণে ইতিমধ্যে নিৰ্দ্দেশ দিয়া হৈছে। নিম্নোক্তবৰ কৰ্মচাৰী সকলক যিখিনি সা-সুবিধা দিয়াৰ কথা শ্ৰীদাস ডাঙৰীয়াই কৈছে সেইখিনি দিয়াৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰা হৈছে আৰু আমি নিশ্চয় আশা কৰা মতে সেইবোৰ কৰিব পাৰিম। ইতিমধ্যে সপ্তম বিত্তিয় আয়োগৰ অনুমোদন ক্ৰমে এই বিত্তিয় বছৰটোৰ বাবে ৯ কোটি ৯০ লাখ টকা খৰচ কৰা হব আৰু সেই টকাৰ ভিতৰতে ইন্সপেক্টৰ পৰ্য্যায়ত ৩০০ টা ঘৰ, হেড কনষ্টেবলৰ কাৰণে ১৪৬২ টা, মেৰিড কনষ্টে-বলৰ কাৰণে ৬৫৫৮ টা আৰু অবিবাহিত কনষ্টেবলৰ কাৰণে ৮৯২ টা ঘৰ সম্পূৰ্ণ হৈ উঠিব আশাকৰো এইখিনি হলেও এই বিভাগৰ কিছু সকাহ হব। এইখিনিকে কৈ মই শ্ৰীদাস ডাঙৰীয়াই উত্থাপন কৰা কৰ্ত্তণ প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো আৰু আৰু মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker—Order, order. It is 5 p. m. now, and I guillotine all the remaining cut motions. Now, I put grant Nos, 18, 20, 22, 23, 24, 25, 26, 27, 33, 39, 45, 46, 48, 61, 47, 63, 64, 70, 71. 21, 37, 68, 5, 10, 13, 14. 17, 28, 30. 49, 51, 52, 72, 41, 50, 60, 62, 42, 65, 11, 35, 36, 38, 7, 8, 66, 58, 59. 12, 40, 19, 44,

( All the grants are passed )

The House will be adjourned for 15 minutes for

tea. I request the hon. members, member of the press. officers in the galary and reporters to go to room No. 1 for light refreshment. The House stands adjourned til 15.15 p. m.

## The Assam Appropriation (No. II) Bill, 1983

The House reassembled after tea break at 5.15 p.m. with Mr. Speaker in the Chair.

Mr. Speaker—Appropriation Bill be distributed.

Shri Md. Idris (Minister, Finance)—Mr. Speaker Sir, I beg leave to introduce the Assam Appropriation (No. II) Bill, 1983.

Mr. Speaker—Has the Minister leave of this august House to introduce the Assam Appropriation (No. II) Bill 1983.

(Voices—Yes, Yes)

Mr. Speaker—Leave is granted. Here is the message from the Governor.

RAJ BHAVAN

Shillong, the 31st August, 1983.

ORDER

Under the provision of Article 207(1) of the

Constitution of India, I, Prakash Mehrotra, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation ( No. II ) Bill, 1983.

Sd/-Prakash Mehrotra,
Governor of Assam.

Shri Md. Idris ( Minister, Finance )—Mr. Speaker Sir, I now introduce the Bill.

( Secretary, A. L. A.—Read out the Title of the Bill)

Shri Md. Idris ( Minister, Finance )—Mr. Speaker Sir, I beg to move that the Assam Appropriation ( No. II ) Bill 1983 be taken into consideration.

Mr. Speaker—Here is the message from the Governor.

RAJ BHAVAN
Shillong, the 31st August, 1983.

ORDER

Under the provision of Article 207(3) of the Constitution of India, I, Prakash Mehrotra, Governor of Assam, recommend the Assam Appropriation ( No. II) Bill, 1983 be taken up for consideration by the Assam Legislative Assembly.

Sd/-Prakash Mehrotra
Governor of Assam.

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, ৰাজকোষৰ পৰা প্ৰতি বছৰে টকা জনসাধাৰণৰ কল্যাণৰ কাৰণে খৰচ কৰিবলৈ দিয়া হয়। কিন্তু ঘটনা চক্ৰত দেখা গৈছে যে, বিভিন্ন ক্ষেত্ৰত খৰচ নিয়ন্ত্ৰন বিহিন হৈ যায়। বাজেটত ধৰা টকা বিভিন্ন বিভাগত খৰচ কৰে। এইটো হব পাৰিছে এই কাৰণেই যে, খৰচৰ ওপৰত নিয়ন্ত্ৰন শিঠিল বুলি কলেই নহব, নাই বুলি কলে ভাল হব। এল, অ, চি, চিষ্টেমৰ দ্বাৰা খৰচ নিয়ন্ত্ৰন কৰাৰ চেষ্টা কৰা হৈছে। কিন্তু এল, অ, চি, নোহোৱাকৈ ইৰিগেশ্যন বিভাগৰ এজন ইঞ্জিনিয়াৰে ২৮ লাখ টকা খৰচ কৰিছে স্বাস্থ্য বিভাগৰ কথা জানেই। কেনেকৈ ৪৩ লাখ টকা অগ্ৰিম ধন দিলে অথচ ৮ লাখ টকাৰ সামগ্ৰী এতিয়ালৈকে যোগান ধৰা নাই। অৰ্থনীতিৰ প্ৰথমে পাঠ লওঁতে শিকিছিলো দাম কেনেকৈ নিয়ন্ত্ৰণ কৰিব লাগে। বাইয়াৰচ মিনিমাম আৰু চেলাৰচ মেক্সিমাম হব লাগে। কিন্তু আমাৰ ক্ষেত্ৰত এইটো ওলোটা হৈছে। বেচি দাম দি কিনিব পৰাটো যেন আমাৰ চৰকাৰৰ বাহাদুৰি হৈছে। ইৰিগেশ্যনৰ শিতানত ২৭ লাখ টকাৰ এটা আঁচনি লোৱা হৈছিল। কনটেক্ট দিছে ৫৫ লাখ টকাত। এইদৰেই আজি ৰাজহুৱা ধন খৰছ কম নকৰি কেনেকৈ বাধাহীন ভাবে খৰচ কৰি আছে। এই ধৰণৰ অৱস্থা গৃহ বিভাগকে আদি কৰি সকলো বিভাগতে চলিছে। স্বয়ং গৃহ বিভাগেও আজি কম টকা খৰচ কৰা নাই। পুলিচৰ গাখীৰ যোগানৰ ক্ষেত্ৰত কোনো এটা পাৰ্টিক ৫ লাখ টকা লোকচান কৰে। আজি বিভিন্ন কেচ সম্পৰ্কে আজি চৰকাৰে চণ্ডীগড়ৰ পৰা উকিল আনিছে আৰু তাৰ বাবে হাজাৰ হাজাৰ টকা খৰচ বহন কৰিছে। চুপ্ৰিম কৰ্টলৈ উকিল আনিছে মুকলা এণ্ড চনচ। আৰু এই ক্ষেত্ৰত লাখ লাখ টকা ব্যয় কৰা হৈছে। সেই পৰ্য্যায়ৰ উকিল আমাৰ ইয়াত নাছিল নেকি? আজি পি, ডব্লিউ, দি, ইৰিগেশ্যান, পি, এইচ, ই, বান নিয়ন্ত্ৰণ আদি কিছুমান বিভাগ আছে যত হাজাৰ হাজাৰ টকাৰ অপব্যয় হৈছে। ৩০ মাৰ্চত টকা লৈ টকাৰ শ্ৰাদ্ধ কৰা হয়। যদি পৰিকল্পনা কৰি ভাল ধৰণেৰে টকা বিলাক খৰচ কৰা হয়, তেতিয়া হলে কামবিলাক ভাল

হয়। গোটেই বছৰটো বিভাগ বিলাক চুপ চাপ থাকে কিন্তু ৩০।৩১ মাৰ্চ তাৰিখে হুলস্থূল লগায় টকাৰ বাবে আৰু এই টকা পোৱাৰ পিছত আমাৰ মন্ত্ৰীয়েই হওক বা বিষয়া সকলেই হওক বয়-বস্তু কিনাত বৰ আগ্ৰহী। টকা হাতত লৈ দিল্লী কলিকতালৈ তাত বাতি কাৰিব। বয় বস্তু কিনাৰ নামতেই বহুতো ধনো হস্তগত কৰা হয়। ড্ৰাউৰ ঠিকা আদি দিবৰ বাবে টেণ্ডাৰ আদি কল কৰিব লাগে। প্ৰতিযোগিতা-মূলক ব্যৱস্থা যেতিয়া আহিব তেতিয়া টকা খৰচ কমিব। মই বিত্ত বিভাগৰ জৰিয়তে কব বিচাৰিছো যে, এই পদ্ধতি পৰিত্যাগ কৰক। এইদৰে দেশৰ অগ্ৰগতি হোৱা সম্ভৱ নহব। একোটা একোটা বিভাগ কেৱল টকা অপব্যয় কৰাতহে আছে। কলিকতাৰ অসম ভৱন ৰিপেয়াৰ কৰোতে ৫ হাজাৰৰ ওপৰ টকা লাগে, সেই ধৰণে দিল্লীৰ অসম ভৱন ৰিপেয়াৰ কৰোতে একেই কথা ইমান টকা তেল, চুণ লগাওতেই কিমান খৰচ হয়নে? এইবিলাক বিষয়ত চাওতা থাকিব লাগে। কিন্তু চাওতা নাই। বিভাগীয় অৰ্থ দৰকাৰী কামত খৰচ কৰিবলৈ মই এই বিষয়ৰ প্ৰতি দৃষ্টি দিবলৈ অনুৰোধ কৰিলো।

মই নিজে আচৰিত হৈছো। পুৰণা চেয়াৰ টেবুল ব্যৱহাৰ যোগ্য হৈ থাকোতেও নতুন চেয়াৰ টেবুল লাগে। আমি নিজৰ ব্যক্তিগত ক্ষেত্ৰত এইটো কৰিছোনে? নিজৰ ক্ষেত্ৰত এইটো হোৱা হলে আমি নকৰিলো হেঁতেন। কিন্তু ৰাজহুৱা ধন পাইছো যেতিয়া ধামধুম খৰচ কৰিছো। এই পদ্ধতিৰ ফলত আমি কম টকাৰে যিমান পৰিমানৰ কাম কৰিব পাৰিব লাগিছিল সিমান কাম কৰিব পৰা নাই। গতিকে বিত্ত বিভাগ অতি কঠোৰ হব লাগিব। যেতিয়াই য'ত যি পইচা খৰচ কৰিব লাগে তেতিয়াই তত সেই পইচা খৰচ কৰিব লাগে। ৩১ মাৰ্চলৈ পেলাই থব নালাগে। এতিয়া এনেকুৱা হব যে এই গ্ৰাণ্ট বিলাক হাতে হাতে থাকিব। কাম হব মাত্ৰ ভ্ৰমণ। কিন্তু ৩১ মাৰ্চ অহাৰ লগে লগে চাৰিওফালে কামৰ জোৱাৰ উঠিব। এই জোৱাৰ এতিয়াৰ পৰাই নানে কিয়?

আজি আমাৰ দেশৰ নিবনুৱা সমস্যাই ভয়ানক ৰূপ ধাৰণ কৰিছে। চৰকাৰৰ বহুত বিলাক বিভাগ আছে, য'ত বহুত বিলাক চাকৰি খালি হৈ আছে। চিলচৰ মেডিকেল কলেজতে এচিচ্টাণ্ট প্ৰফেচৰ, ৰেজিচষ্টাৰ আদিৰ বহুত পদ খালি হৈ আছে। আমাৰ নেপাল বাবুৰ সমষ্টিত ডাক্টৰেই নাই। অথচ ৬০০ তকৈয়ো অধিক ডাক্টৰ নিবনুৱা হৈ আছে। প্ৰতিকে য'ত যোগ্য মানুহ আছে তাত নিয়োগ কৰিবলৈ কুণ্ঠা বোধ কৰিব নালাগিব। ৰাষ্ট্ৰপতিৰ শাসনৰ সকলো বিলাক নিযুক্তি আগুৱ লক এণ্ড কি। সকলো বিলাক নিযুক্তি বন্ধ। বহুত বিলাক হেড অব দি ডিপাৰ্ট-মেণ্টক দেখিছো যে ষ্টাফ কম। ষ্টাফ নোহোৱাৰ কাৰণে কাম কৰিব পৰা নাই অথচ নিযুক্তি বন্ধ। সিদিনা নলবাৰী থানাত গৈ শুনিলো যে তাত ষ্টাফ কম। আমাৰ দেশৰ যোগ্য মানুহৰে ভৰি আছে অথচ অফিচ বিলাক কম ষ্টাফ লৈ চলি আছে। চৰকাৰেই আজি আমাৰ নিবনুৱা সমস্যা জটিলৰ পৰা ক্ৰমে জটিলতৰ কৰি তুলিছে। নিযুক্তি বন্ধ ৰাখি চৰকাৰে টকা ৰাহি কৰিব খুজিছে নেকি? টকা খৰচ কৰিব লাগে জনসাধাৰণৰ কল্যাণৰ কাৰণে। ডাক্টৰখানাত ডাক্টৰ দিব পৰা নাই অথচ বছৰৰ শেষত কব যে আমাৰ ইমান টকা ৰাহি হৈছে। জনসাধাৰণৰ কল্যানৰ কাৰণে খৰচ কৰিব লগা টকা খৰচ নকৰি ৰাহি কৰাৰ পদ্ধতিটো উঠাই দিব লাগে।

মই আগতে গৃহ বিভাগৰ ক্ষেত্ৰত আলোচনা কৰিব নোৱাৰিলো কাৰণ সময় অতি কম হ'ল। আজি এই বিভাগটোৰ কৰিবলগীয়া কাম বহুত আছে। আমাৰ অসমত এ পি এ নামৰ এটা সংস্থা গোপনে গঢ়ি উঠিছে। নিৰ্বাচনৰ সময়ত এই সকলক নিৰ্দ্দেশ দিয়া হৈছিল যে জোনে যাকেই নিৰ্বাচনৰ প্ৰাৰ্থী যতেই পায় গোপনে হত্যা কৰিব, অগ্নিদগ্ধ কৰি নেকানেক কৰিব। এইবিলাকক ধৰা পেলাব পৰা নাই। নিৰ্বাচনৰ সময়ত এই সকলে এই ধৰণেৰেই কাম কৰিছে। এতিয়াও এই হত্যা বন্ধ হোৱা নাই। সিদিনা কৈঠালকুছিত দুজন লোকক হত্যা কৰা হ'ল। আজি

পেপাৰত পালো আৰু এজন লোক গুৰুতৰ ভাবে আহত হৈছে। লক্ষীমপুৰতো এই ধৰণৰ হত্যাকাণ্ড সংঘটিত হৈছে। এই হত্যা চক্ৰটো উদ্ধাৰ কৰিব পৰা নাই। ইয়াৰ কাৰণ হৈছে চৰকাৰৰ যি বিলাক বিশেষ বিশেষ শাখাত বিষয়া বিলাকক বিশেষ ভাবে প্ৰশিক্ষন দিয়া যায় সেই বিলাক বিষয়াক সেই সেই বিভাগত নাৰাখে। যিটো বিষয়ত প্ৰশিক্ষন পায় সেই বিষয়ত তেওঁলোকক ৰখা নহয়। কিন্তু আমি ভাবো যে চৰকাৰে যি বিলাক বিষয়াক যি বিষয়ত প্ৰশিক্ষন দিয়ে সেই বিলাক বিভাগত ৰাখিব লাগে। আমাৰ বহুত বিলাক বিষয়া বিদেশত প্ৰশিক্ষন লবলৈ যায়। অলপতে আমাৰ কৃষি বিভাগৰ আয়ুক্ত জন অষ্ট্ৰেলিয়াত প্ৰশিক্ষন লবলৈ গল। তেখেতে প্ৰশিক্ষন লৈ অহাৰ পিচত তেখেতক কৰিলে নিউ দিল্লীৰ ৰেচিডেণ্ট কমিচনাৰ। তেখেতে প্ৰশিক্ষন লৈ আহিল কৃষি বিষয়ত আৰু কাম কৰিবলৈ দিলে ৰেচিডেণ্ট কমিচনাৰ। থিক তেনেকৈয়ে দেখা যায় যে যি জন বিষয়া যিটো বিভাগৰ পৰা যিটো বিষয়ত প্ৰশিক্ষন লৈ আছে তেখেতক আৰু সেই বিভাগত, সেই বিষয়ত দেখা পোৱা নাযায়। আৰু এজন বিষয়াৰ কথা জানো তেওঁ গল ইংলেণ্ডত টেন্সপৰ্টৰ প্ৰশিক্ষন লবলৈ। লৈ আহি দেখিলে যে তেখেতৰ চাকৰি টেন্সপৰ্টত নাই। মই কওঁ যে যি বিলাক বিষয়াক যি বিষয়ত প্ৰশিক্ষন দি অনা হয় সেই বিলাক বিষসয়াক সেই সেই বিভাগত নিযুক্তি দি ভাল কাম আদায় কৰিব লাগে। এই বিষয়ত চৰকাৰে মনোযোগ দিয়া উচিত। নহলে এই বিদেশত প্ৰশিক্ষন দি অনাৰ প্ৰহসনটো ৰহিত কৰিব লাগে। ইয়াকে নকৰিলে প্ৰশিক্ষন নহৈ বিদেশ ভ্ৰমণহে হয়। এইটো দিশত গুৰুত্ব দিব নোৱাৰিলে দেশৰ উন্নতি হব নোৱাৰে।

আমাৰ চৰকাৰৰ এনে কিছুমান বিভাগ আছে যি বিলাক বিভাগৰ কথা সদনৰ মজিয়ালৈ কোনো দিনেই নাহে। এনেকুৱা এটা বিভাগ হৈছে শ্ৰম বিভাগ। এই বিভাগটোৱে নীতি বিৰোধী কাম কৰি আছে। সিদিনা প্ৰশ্নোত্তৰত গম পালো যে চৰকাৰ আৰু পুলিচ উভয়েই মালিকৰ

মালিকৰ পক্ষ লৈ কাম কৰি আছে। এই বিভাগৰ পৰা শ্ৰমিকৰ স্বাৰ্থ পূৰণ হোৱা নাই। মাত্ৰ টকাহে খৰচ কৰা হৈ আছে।

আজি কুৰিদফীয়া আঁচনিত কৃষি বিভাগতো টকা খৰচ কৰা হব। কুৰীদফীয়া আঁচনিত দফা বিলাক প্ৰয়োগ কৰাৰ কাৰণে মহকুমাই মহকুমাই এগ্ৰিকালচাৰ মিনিমাম ওৱেজ এক্ট ইমপ্লিমেণ্ট কৰাৰ কাৰণে কিছুমান লেবাৰ ইন্সপেক্টৰ দিছে। কিন্তু আজিও ইমপ্লিমেণ্ট ক'ত হৈছে? অসমত কৃষি শ্ৰমিকৰ সংখ্যা খুব বেছি নহলেও খুব কম নহয়। বছৰি ৩৬৫ দিন কাম তেওঁলোকে নাপায়। এই এক্টখন ৰূপায়ন কৰাৰ কাৰণে সমিতি হৈছিল। তেতিয়া এডভাইজাৰ আছিল নটৰাজন। মই তেখেতক ধন্যবাদ দিও বুলি কৈছিলো যদি এক্টখন ৰূপায়ন কৰিব পাৰে। গাওঁ অঞ্চলত শ্ৰমিকে মজুৰী যিখিনি পাব লাগে তেওঁলোকৰ সেইখিনি চাবৰ কাৰণে প্ৰতি মহকুমাৰ প্ৰতি সদৰত একোজন লেবাৰ ইন্সপেক্টৰ আছে। কিন্তু তেওঁলোকে কি কাম কৰিছে। তেওঁলোকৰ কোনো কাম নাই। এনেই বহি বহি দৰমহা খাই আছে। এনেকুৱাকৈ বহুৱাই ৰাখি জনসাধাৰণৰ টকা খৰচ কৰাৰ কোনো প্ৰয়োজন দেখা নাই। গতিকে তেওঁলোকে কেনেভাবে কৰিছে সেইটো চাবলগীয়া হৈছে। সেইদৰে চোচিয়েল ওৱেলফেয়াৰতো বিভিন্ন বেচৰকাৰী অনুষ্ঠান আছে। সেই সকলে টকা পইচা চৰকাৰৰ পৰা নি কি কৰিছে? বিকলাঙ্গ আৰু অন্ধ সকলৰ কাৰণে খৰচ কৰিবলৈ নি তেওঁলোকৰ নামত খৰচ কৰা নাই। অৱশ্য কোনো ঠাইত ধৰক বিহপুৰীয়াত সঠিক ভাৱে খৰচ হৈছে। কোনো ঠাইত এনেকুৱা সৎ মানুহও আছে। বিত্তমন্ত্ৰী মহোদয়ে চাব লাগে যেতিয়া বিভিন্ন বিভাগে বিভিন্ন শিতানত টকা বিচাৰি আহে সেইবিলাক জনসাধাৰণৰ কল্যাণৰ কাৰণে হয় নে নহয়। কিন্তু আমি কতো কল্যাণ কৰা দেখা নাই। বেছিভাগ ঠাইতেই হোৱা নাই। অৱশ্যে দুই এঠাইত হৈছে। দুই এজন সৎ কৰ্মী আছে। বেছি ভাগ ঠাইত চোচিয়েল ওৱেল ফেয়াৰৰ টকা প্ৰকৃত উদ্দেশ্যত খৰচ হোৱা নাই। আজি

ইউনিচেফে শিশুৰ খাদ্য বিতৰণ কৰিছে। কিন্তু সেইবিলাক যাক দিব লাগে তাক নিদি বিভিন্ন ব্লকত বিক্ৰি কৰি দুৰ্নীতি চলাইছে। কিছুমান ঠাইত গৰুৰ খাদ্য ব্যৱহাৰ কৰিছে আৰু গাওঁবিলাকতটো বিতৰণ হোৱাই নাই। কিন্তু কিছুমান ঠাইত দেখিছো ভালদৰে খাবলৈ পাইছে। কিন্তু বেচিভাগ ঠাইতেই শিশুৰ খাদ্যৰ বেপাৰ চলিছে। জনজাতীয় অঞ্চললৈতো যোৱাই নাই। সেইবিলাক কিছুমান মৌজাদাৰৰ হাতত পৰিছে। গতিকে এই ক্ষেত্ৰত চৰকাৰ সচেতন হোৱাটো দৰকাৰ। আন এটা দৰকাৰী কথা কব বিচাৰিছো যে আমাৰ বিভিন্ন বিভাগ বিলাকত একচেচ এক্সপেণ্ডিচাৰৰ ব্যৱস্থা সদায় চলি আছে। ফলত মাটি কটাৰ পিচত আকৌ শিল ওলালে সেই শিল কাটিবলগীয়া হয়। এনেধৰণৰ ষড়যন্ত্ৰ হৈছে। আকৌ ফৰেষ্টত দেখিব নিজেই গছ কাটিব আৰু অফেন্স আনে। গতিকে আমি যিমানখিনি টকা ধৰা হৈছে সেইমতে যদি একচেচ এক্সপেণ্ডিচাৰ খিনি কণ্ট্ৰোল কৰিব পাৰো তেতিয়াহলে জনসাধাৰণৰ কল্যান সাধনত কিছু হলেও আগবাঢ়িব পাৰিম। এতিয়া এন, আৰ. ই, পি তো টকা আহিছে। কিন্তু এই এন. আৰ, ই, পি স্কীমৰ কিছুমান প্ৰিন্সিপোল আছে। কিন্তু সেইবিলাক মানা হোৱা নাই। সেই বিলাক এতিয়া ঠিকাত যাব। তাত গেঙ লিডাৰ আছে। এনেকুৱাও দেখিছো যে শ্ৰমিকক এক সপ্তাহলৈকে পেমেণ্ট দিব পৰা নাই। ফলত দিনমজুৰী কৰি সেই শ্ৰমিক সকলে টকা নোপোৱাত লঘোনে ভোকে থাকিবলগীয়া হয়। আমি নিজেই এখন দোকান এবাৰ ঠিক কৰি দিছিলো। তাতেই তেওঁলোকক শ্ৰমিক সকলক এক ডেৰকেজি চাউল, দালি ইত্যাদি দিবলৈ কৈছিলো আৰু সপ্তাহৰ মূৰত পইচাতো আমি নিজেই দিম। শ্ৰমিক সকলেতো খাব লাগিব। নেখালে কব পৰা কাম কৰিব। কিন্তু তেনেধৰণৰ ব্যৱস্থা সকলো ঠাইতে আনো সম্ভৱপৰ হয়। গতিকে গাওঁৰ দিনমজুৰীৰ ক্ষেত্ৰত এতিয়া তাত কিছুমান ঠিকাৰ ব্যৱস্থা চলি আছে। আজি এই দুৰ্দিনৰ দিনত যদি আমি আন্তৰিকতাৰে

কাম কৰো তেতিয়াহলে এই এন, আৰ, ই, পি স্কীম কাৰ্য্যকৰী কৰি তুলিব পাৰিলে গাওঁৰ দুখীয়া মানুহে অন্ততঃ দ বেলা দুমুঠি খাবলৈ পাব। এই সম্পৰ্কে মই আৰু বেছি দীঘলীয়া নকৰো। পুনৰ মই বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে বিভিন্ন বিভাগে টকা খৰচ কৰাৰ কাৰণে ৩১ মাৰ্চলৈ আপেক্ষা কৰিব নালাগে। এতিয়াৰ পৰাই যাতে সাজু হয়।

Shri Benoy Kumar Basumatari—Mr. Speaker Sir, I just wish to add a few words and as per our Rules I will be restricted to "matters of public importance or administrative policy". I was told that I should never talk on this subject. But with due apology, I want to speak on some policy matters of the Legislature. Sir, if you go through ....

Mr. Speaker—Hon'ble member will not please discuss about Legislature.

Shri Benoy Kumar Basumatari—I am going to discuss on some matters of, some amenities given to the Members.

Mr. Speaker—It is an established rule that you cannot discuss about the Legislature.

Shri Benoy Kumar Basumatari—About some matters like telephone connection etc. ....

Mr. Speaker—No, you cannot do it. You can write to me and I will look into that.

Shri Benoy Kumar Basumatari—I accept your Ruling Sir, and I will desist from discussing the Legislature. But Sir, I have the right to discuss the Major Head 214

Administration of Justice. At page 115 of the Budget we find that for establishment of Benches for other States viz: at Agartala, Imphal, Kohima and Shillong Rs. 25 lakhs will be spent. When these Benches are maintained for States (voice: this is charged expenditure) Even if it is charged I do not understand how this expenditure for other States should be borne by our State.

Shri Md Idris, Minister—I am sorry I have not been able to catch his point. But he cannot discuss this.

Shri Benoy Kumar Basumatari—What I mean is this, our State should not bear the burden for running Benches of other States. Rs. 25 lakhs is proposed for this. I do not know why this State should be burdened with Rs. 25 lakhs.

About land revenue Rs. 1.73 crores will be spent this year. When so much of money has been earmarked for settlement operation, we do not know why the unsettled areas cannot be surveyed, particularly in the north bank of Assam, the entire foothills areas along Arunachal and Bhutan where huge area of land is unsurveyed cannot be surveyed. As a result no settlement has been given in these areas.

Then Sir, for welfare of Scheduled Castes and Scheduled Tribes Rs. 6,46,3850 will be spent. But Sir,

in the matter of spending of this money for Scheduled Castes and Scheduled Tribes we have brought in many complaints earlier that real benefit did not go to the Tribal and Scheduled Caste people. If we go through the details of the budget schemes we will find that the amounts are spent running the establishments of various departments like Irrigation, Soil Conservation, P. W. D. etc. Sir, we do not know why for running the establishments the funds allocated for the benefit of Tribals should be diverted. In the matter of Co-operation Rs. 26,23,63,000/- is sought, But what is happening in the Co-operative sector ? I had the fortune of meeting the Co-operation Minister many times for release of funds for various co-operative societies in my Constituency, I was told that according to the Act, Cooperative Societies must have election, I was also told that in some places elections were held. But the Cooperation Minister yesterday stated that they are not going to held the elections and they will form some ad-hoc Cooperative Societies all over the State and that is why funds are not released. What does it mean ? They are going to form the Cooperative Societies with their partymen only.

Shri Tilok Gogoi—Sir, I did not mention anything about it.

Shri Binoy Kumar Basumatari—I may be wrong, the Honourable Minister might not mention it yesterday but he mentioned about it. All the Cooperative Societies have been provided with grant varying from Rs. I lakhs to 15 lakhs and that is why Government is not going to hold elections or release funds because they want to place their party men in all these Cooperative Societies. They want to take advantage of so many things by putting their party men in these societies, we fear that a lot of financial mismanagement will occur as has been stated by my friends. I, therefore, suggest that these funds should be released much before the closure of financial year and with these words I conclude my debate on this Appropriation Bill.

শ্ৰীতিলক চন্দ্ৰ গগৈ ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, তেখেত সমবায় মন্ত্ৰীয়ে ইলেকচন হলেহে টকা দিম বুলি কৈছে। কিন্তু তেখেতে কথাতো ঠিকমতে কব পৰা নাই। পঞ্চায়ত এক্টমতে ৩০ জুনৰ পৰা ৬০ দিন সময় বঢ়াই দিয়া হয়। এই সময় ছোৱাৰ ভিতৰত ইলেকচন কোনো ঠাইত হৈছে আৰু কোনো ঠাইত হোৱা নাই। যিবিলাক ঠাইত ইলেকচন হৈছে সেইবিলাক ঠাইৰ পৰা খবৰ আহিছে আৰু যিবিলাক ঠাইত হোৱা নাই সেইবিলাক ঠাইত ব্যৱস্থা কৰা হৈছে। কিন্তু যিবিলাকত ইলেকচন হোৱা নাই সেইবিলাকৰ কিছুমান ঠাইৰ বাবে এধক কমিটি কৰি দিয়া হৈছে। কিন্তু সকলোতে কৰি দিয়া সেইটো সঁচা নহয়।

শ্ৰীমহম্মদ ইদ্ৰিছ ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যৰ বাজেটখন পাচ কৰাৰ কাৰণে আজি শেষ পৰ্য্যায়ৰ আলোচনাৰ দিন। মাননীয় সদস্য দাস ডাঙৰীয়াই সামৰণিৰ সমাপ্তিৰ সময়ত যিখিনি পৰামৰ্শ চৰকাৰক আগবঢ়াইছিল আৰু আজি আগবঢ়াইছে বিশেষকৈ বিত্তিয় বিভাগক

উদ্দেশ্য কৰি গোটেইখিনি কথা বিবেচনা কৰিব লগীয়া তাত কোনো সন্দেহ নাই। কিন্তু মাননীয় সদস্যই নিজেই জানে ৰাজ্যৰ বিভিন্ন সময়ত বিভিন্ন বিভাগে একচেচ এক্সপেণ্ডিচাৰ কৰিবলৈ বাধ্য হয়। এইটো ঠিক যে নির্ধাৰিত যিটো ধন বিভাগক দিয়া হয় তাতকৈ অধিক টকা খৰচ নকৰাতো বাঞ্চনীয়। কিন্তু পৰিস্থিতিয়ে এনেকুৱা বাধ্যকৰে আনে যে কিছুমান বিভাগে বহুক্ষেত্ৰত অধিক খৰচ কৰিবলৈ বাধ্য হয়। সেইক্ষেত্ৰত আমি সচেতন হলে একচেচ এক্সপেণ্ডিচাৰৰ পৰা হাত সাৰিব পাৰিম।

কিছুমান অতি এৰাব নোৱাৰা পৰিস্থিতিত সেইখিনি টকা দিয়া হয়। তেখেতে এটা মূল্যবান পৰামর্শ দিছে যে অতিৰিক্ত খৰছ বন্ধ কৰিব লাগিব আৰু অতিৰিক্ত টকা সময় থাকোতে দিব লাগিব। এইটো এটা সঁচাকৈয়ে ফানডামেণ্টেল কথা। দুটা কথা আগত ৰাখি এই বিভাগ বিলাকে কাম কৰে। কিন্তু কৰা স্বত্বেও কেতিয়াবা বাধ্যতা-মূলক ভাৱে কিছুমান কথা হৈ যায় আৰু কিছুমান শেহতীয়াকৈ মঞ্জুৰী পায়। যেনে চেণ্ট্ৰেল গ্ৰেণ্ট লোন ইত্যাদি। এই প্ৰসঙ্গত ভালেকেইটা বিভাগৰ সম্পৰ্কত যিখিনি কথা উল্লেখ কৰিছে তাৰ লগত মইও একমত। এইটো কথাও ঠিক যে বিভাগে টকা বেছিকৈ দি বস্তু কিনি বাহাতুৰি কৰা নাই। কোনো ক্ষেত্ৰত বেছি দিবলগীয়া সেইটো তেখেতেও ভালকৈ জানে। প্ৰত্যেক বিভাগৰে পাৰচেজ্‌ বোৰ্ড আছে, প্ৰত্যেক বিভাগতে ফাইনেনচিয়েল এডভাইজাৰ আছে। তেখেত সকলে কথাবোৰ ভালকৈ চাইচিন্তি দিয়াৰ পিছতহে বোৰ্ডে সেইবোৰ কিনিব পায়। মেডিকেল বিভাগৰ কথাটো তেখেতে দুই তিনিবাৰ উল্লেখ কৰিছে। ইয়াৰ আগতেও তেখেতে প্ৰশ্নোত্তৰ কালত এই কথাটো উত্থাপন কৰিছিল আৰু বিভাগীয় মন্ত্ৰীয়ে উত্তৰ দিছে। এইটো ঠিক যে তেনেকুৱা যাতে ভৱিষ্যতে হব নোৱাৰে তাৰ কাৰণে নিশ্চয় নজৰ ৰাখিব লাগিব। এল, ও, চি, সম্পৰ্কে তেখেতে কৈছে আৰু দৃষ্টান্ত হিচাবে জলসিঞ্চন বিভাগৰ কথা

তেখেতে উল্লেখ কৰিছে যে এল. ও চি. নোহোৱাকৈ টকা খৰচ কৰিছে। এই কথাটো সম্ভৱ এই কাৰণেই হৈছে যে পি. ডব্লিউ. দি. জলসিঞ্চন আদি বিভাগে পোন পোতীয়া ভাবে টকা নিয়ে আৰু বেংকৰ পৰা টকা আনি কাম কৰিব পাৰে। এইটো তেখেত সকলে আয়ত্বাধীনত থকাৰ কাৰণে কৰিব পাৰে। এল. ও. চি. নোহোৱাকৈনো টকা বিলাক বেংকত ৰাখি থয়। এই সম্পৰ্কে আমি নিশ্চয় চাম এনে ধৰণৰ কথাবিলাক যাতে নহয়। তাৰ পিচত ইকোন'মিৰ কথাটোও কোৱা হৈছে। নিয়ন্ত্ৰণটো আৰম্ভনীৰ পৰাই কটকটীয়া হব লাগে। এইটো কটকটীয়া হোৱাটো আমাৰ কাৰণে অধিক প্ৰয়োজনীয় হৈছে যিহেতু আমাৰ বাজেটখন এখন ঘাটি বাজেট। এই বিষয়ে ব্যৱস্থা লোৱাৰ কথাটো মই সদনত আগেও কৈছিলো আৰু শতকৰা ১৫ ভাগ ব্যয় হ্ৰাস কৰাৰ ব্যৱস্থা কৰিছো। খৰছৰ ক্ষেত্ৰত যিমান পাৰি মিতব্যয়িতা অৱলম্বন কৰিব লাগে। ননপ্লেন, ননডেভ'লাপমেণ্ট স্কীমৰ হ্ৰাস কৰাৰ কথা কৈছে।

মাননীয় সদস্য জনে গৃহ বিভাগৰ কিছুমান কথাও কৈছে। খালি আছে অথচ তাত মানুহ দিয়া নাই এই বিষয়ে কবলৈ গৈ তেখেতে কেইটামান বিভাগৰ কথা উল্লেখ কৰিছে। শিলচৰ মেডিকেল কলেজত ভালেখিনি পদ খালি হৈ আছে। ৬০০ ডাক্তৰৰ অভাৱ আৰু ৰাজ্যখনত বহু ডাক্তৰৰ অভাৱ হৈ আছে। এই প্ৰসঙ্গত মাননীয় সদস্য নেপাল দাস ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ এখন হস্পিতেলৰ কথা উল্লেখ কৰিছে। নিবনুৱা সমস্যাটো চাবলৈ জটিল কৰাৰ একেবাৰে ইচ্ছা নাই। ইয়াৰ সমাধান কৰিব লাগিব। ইয়াৰ পৰিসৰ সম্পৰ্কে প্ৰত্যেকজন মাননীয় সদস্যই জ্ঞাত আছে। এই সমস্যাটো সমাধান কৰিবৰ কাৰণে প্ৰত্যেকে চিন্তা কৰিব লাগিব আৰু প্ৰত্যেকজন মাননীয় সদস্যই ইয়াত ঘৰঙণি যোগাব লাগিব। যিবোৰ চেংচন পোষ্ট ভেকেণ্ট হৈ আছে সেইবোৰ মই খবৰ লম। ইয়াৰ বাহিৰেও তেখেতে আৰু এটা মৌলিক কথা কৈছে যে প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তিক অধিকাৰ গত পদত নিযুক্তি দিয়া

হোৱা নাই। পুলিচ বিভাগত অপৰাধ অনুসন্ধান বিভাগত প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তিক নিদি অন্য বিভাগত ৰখা হৈছে। এনেকুৱা যদি হৈছে নাম দিলে আমি চাব পাৰিম। মাননীয় মুখ্যমন্ত্ৰীকো এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিম। অষ্ট্ৰেলিয়াত ট্ৰেইনিং লৈ অহা এজন বিষয়াক বেচিডেনছ কমিছনাৰ কৰাৰ কথাটো কোৱা হৈছে। কি কাৰণে কমিছনাৰ বেংকৰ বিষয়া এজনক তাত ৰখা হৈছে সেইটো আপোনালোকে অনুভৱ কৰিব পাৰিব। বৰ্ত্তমান সময়ত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ লগত সমন্বয় আৰু যোগসূত্ৰ ৰক্ষা কৰিবৰ কাৰণে আমাক এজন দক্ষতাসম্পন্ন বিষয়া লাগে। সেই কাৰণে এই বিষয়াজনক তাত ৰখা হৈছিল। ভৱিষ্যতে এই বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত লোক জনক উপযুক্ত পদবীত দিয়াৰ ব্যৱস্থা কৰা হব। লেবাৰ বিভাগৰ সম্পৰ্কেও সমালোচনাৰ অৱতাৰণা কৰি কোৱা হৈছে যে চৰকাৰে মালিক সকলৰ স্বাৰ্থ চাইছে, কিন্তু লেবাৰ সকলৰ স্বাৰ্থ ছোৱা নাই। আমাৰ প্ৰত্যেক মহকুমা পৰ্য্যায়ত যিসকল লেবাৰ ইন্সপেক্টৰ আছে সেইসকলে এই লেবাৰ সকলৰ স্বাৰ্থ ছোৱাৰ কথা। এই ক্ষেত্ৰত হয়তো কৰবাত অলপ ত্ৰুতি-বিচ্যুতি ঘটিব পাৰে। কিন্তু সেই বুলি একেবাৰে কাম কৰা নাই বুলি কোৱাতো উচিত নহয়। যদি কোনোবা বিষয়াই কৰ্ম্ম অৱহেলা কৰাটো স্পষ্টকৈ দেখুৱাই দিব পাৰে আমি নিশ্চই সেইটো চাম।

তেখেতে কোনোবা এজন বিষয়াৰ নাম দিলে বা অনুগ্ৰহ কৰি দেখুৱাই দিলে নজৰ দিম, ইয়াৰ অৰ্থ এইটোৱেই নহয় যে বাকী বিষয়া সকল লেবাৰ ইন্সপেক্টৰ সকলৰ কথা নেচাম। চৰকাৰ বা বিভাগে নিশ্চয় সেই কথাটো চাব। মিনিমাম ওৱাইজ এক্ট ইমিপ্লিমেণ্টেশ্যন যিটো কুৰি দফাৰ ভিতৰত পৰে তাত যথেষ্ঠ গুৰুত্ব দিব লাগিব নিশ্চয় এই কথাটো চাম।

সমাজ উন্নয়ণৰ কথাটো তেখেতে অলপ বেছিকৈ আৰু নিৰ্দ্দয় হিচাবে কৈছে বুলি মই ভাবিছোঁ। গোটেই অনুষ্ঠান বিলাক হ..লোকি বুলি

কৈছে, ইয়াৰ মাজতে তেখেতে দুই-চাৰিটা ভাল বুলিও কৈছে। কিন্তু শিশু খাদ্য যিবিলাক জেগাত অৰ্থাৎ যিবিলাক দৰিদ্ৰ মানুহৰ মাজত দিব লাগে তেনে মানুহৰ মাজত নিদি ইউনিচেফৰ পৰা অহা বস্তু খিনি যদি সঁচাকৈ ব্যৱহাৰ হৈছে তেন্তে সেইটো দুখ লগা কথা। মই নিজেও গাৱঁভুঞে দেখিছোঁ যে ঠিকমতে হয় নে নহয় নাজানো কিন্তু ৰান্ধা বঢ়া কৰি লৰা-ছোৱালীক দিয়া দেখা পাওঁ।

ৰুম ফৰ ইমপ্লিমেনটেশ্বন এই বিষয়টো মই মানি লৈছো আৰু নিশ্চয় মই এইটো চাম।

গড়কাপ্তানী বিভাগৰ ক্ষেত্ৰত চাপলিমেণ্টৰী টেণ্ডাৰৰ কথা কৈছে। এই ক্ষেত্ৰত পোৱাৰ আৱশ্যকতা আছে। সেই কথা মই নিজেও অনুভব কৰিছো। কাৰণ মাটি খাণ্ডোতে যদি শিল ওলায় তেন্তে সেইটো কেতিয়াও চাপলিমেণ্টৰী হব নোৱাৰে। কিয়নো মাটি আৰু শিল একে বস্তু নহয়। পৰিপূৰক টেণ্ডাৰৰ ক্ষেত্ৰত বিষয়া গৰাকী অসমৰহে হব লাগিব মেঘালয়ৰ হব নেলাগিব। এই বিষয়টোৰ প্ৰতি মই নিশ্চয় নজৰ দিম।

এন, আৰ, পি, সম্পৰ্কে যিটো কথা কৈছে সেইটো নিতান্তই মৌলিক কথা। এন, আৰ, পি, ৰ কাম ঠিকাদাৰ সকলে ব্যক্তিগত হিচাবে নকৰে। মই মাননীয় সদস্য বন্ধু সকলক এইক্ষেত্ৰত মনযোগ আকৰ্ষণ কৰি কৈছিলো যে কুৰিদফীয়া আঁচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে গোটেই দায়িত্ব আমাৰ প্ৰতিনিধি সকলৰ ওপৰত পৰিছে। ইয়াৰ কাৰণে চৰকাৰে ব্লক ডেভ'লাপমেণ্ট কমিটি বা ষ্টেয়াৰিং কমিটি পাতি কুৰিদফীয়া আঁচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে আই, আৰ, দি, পি, আৰ, দি, পি, স্কীম লৈছে। সেই স্কীমত আমাৰ এম, এ, সকল সভাপতি হব। শ্ৰীদাস ডাঙৰীয়াই যি পৰামৰ্শ আগবঢ়াইছে সেই মতে কাম কৰাৰ কাৰণে আঁচনি লোৱা হব। সাতদিনিয়াকৈ পইচা দিয়া কথাটো তেখেতে কৈছে। সাত দিনৰ ভিতৰত পইচা দিব নোৱাৰিলে লেবাৰ সকলে যে কাম কৰিব নোৱাৰে সেইটো

সঁচা কথা। এনে ধৰণৰ যুক্তি তেষ্ট ৰিলিফতো আছে এন, আৰ, পি, তো আছে। তাৰ কাৰণে বিষয়া সকলে কোৱাটাৰ লবৰ কাৰণে মই নিশ্চয় তাগিদা দিম। এন, আৰ, পি, স্কীমত দাস ডাঙৰীয়াই নিজৰ কতৃত্বৰে যিখিনি কাম কৰিছে তাৰ বাবে তেখেতক ধন্যবাদ জনাইছো। মই নিজও এন, আৰ, পি, কামৰ খবৰ ৰাখিছো। এই গতেৰে যদি আমি সকলোৱে খবৰ ৰাখিব পাৰো নিশ্চয় ইয়াৰ কাম ভাল হব।

আমাৰ বন্ধু বসুমতাৰী ডাঙৰীয়াই এটা কথা আনিছে সেইটো হৈছে চাৰটাৰ্ড একাউন্সিৰ কথা। ইয়াৰ ওপৰত আমাৰ জুৰিছডিকশ্বনৰ কথা আছে। ২৫ লাখ টকা কৰ্টে পাছ কৰে। আমাৰ ৰাজ্যৰ লগত চুবুৰীয়া ৰাজ্য কেইখনো চলাবৰ কাৰণে ২৫ লাখ টকা দিয়া হয়। এই কথাটো আমি চাব লাগিব যে হাইকোৰ্টে কেবাখনো ৰাজ্য যেনে অসম নাগালেণ্ড, মণিপুৰ আদি চাব লাগে। বোধহয় এইবোৰ ৰাজ্যৰো অংশ আছে। এই কথাটো মই নিশ্চয় চাম। তেখেতে আৰু এটা কথা উত্তৰ কৰিছিল।

Sir, it would be our endeavour as our friend Shri Basumatary desires to minimise the expenditure on establishment. We will look into the suggestions made by my hon friends and will try to improve the performance of the Department. Hope this will meet the comments of our hon. friends, and I request them to please pass the Appropriation Bill.

Mr. Speaker—I now put the question "That the Assam Appropriation (No. II) Bill, 1983, be taken into consideration.

( The motion is passed )

I put clauses 2, 3 and schedule of the Bill do

form part of the bill.

Clauses 2, 3 and schedule of the bill do form part of the Bill.

Now I put clause 1, enacting formula and short title of the Bill.

The Clause 1, enacting formula and short title do form part of the bill.

Md. Idris (Minister, Finance) --Sir, I beg to move that the Assam Appropriation (No. II) Bill, 1983 be passed.

Mr. Speaker—Now I place before the House the bill, "That the Assam Appropriation (No. II) Bill, 1983, be passed."

(The motion is passed)

Mr. Speaker—Before I go to item No. 4, I would ask the Minister, P.W.D., to make some clarification for which she has sought permission.

## Statement By Minister

চৈয়দা আনোৱাৰা টাইমূৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই আজি ৯৩ নম্বৰ প্ৰশ্নৰ সন্দৰ্ভত যি এটা পৰিপূৰক প্ৰশ্ন শুধা হৈছিল সেই সন্দৰ্ভত শুধৰণি দাঙি ধৰিব বিচাৰিছো। আমাৰ মাননীয় সদস্য শ্ৰীতালুকদাৰ ডাঙৰীয়াই সমুদায় গড়কাপ্তানী মাষ্টাৰৰোল শ্ৰমিকৰ খৰচৰ বিষয়ে সোধাত ২৭ লাখ ৯৯ হাজাৰ ৩৬০ বুলি কোৱা হৈছিল। এই সংখ্যাটো ২৫ বছৰ পূৰ্ণ হোৱা সকলৰ। সেই ঠাইত এতিয়া কব বিচাৰিছো যে এই খৰচৰ পৰিমান অৰ্থাৎ অসমত থকা ৯৮৫৮ জন গড়কাপ্তানি মাষ্টাৰৰোল লেবাৰ

দৰ্মহাত বছৰত খৰচৰ সংখ্যা ৩ কোটি ৬ লাখ টকা দিব লগা হয়।

## Calling Attention Notice

Shri Purna Boro—Sir, I beg to call the attention of the Minister, Education under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Janakranti' dated 28th July, 1983 under the caption. "পৰীক্ষা হলত এচিড বাল্ব।"

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—ইং ২৮।৭।৮৪ তাং "জনক্ৰান্তি" পত্ৰিকাত পৰীক্ষা হ'লত এচিড বাল্ব শিতানত প্ৰকাশিত বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। এই সংক্ৰান্তত সদনক জনাব খোজে যে ঘটনাটো এনে ধৰণৰ—

যোৱা স্নাতক পৰীক্ষাত আৰ্য্যবিদ্যাপীঠ কলেজৰ পৰীক্ষা কেন্দ্ৰত ২।৭।৮৩ তাৰিখে আবেলি ৪-১৫ বজাত অনাৰ্চৰ দ্বিতীয় প্ৰশ্ন কাকতৰ পৰীক্ষা সামৰিবৰ সময়ত হঠাতে পশ্চিম দিশৰ পৰা ৩ জন যুৱক আহি পৰীক্ষা হ'লৰ বাৰান্দাত উপস্থিত হয়। তাৰু ৩ নং পৰীক্ষা হ'লৰ বাৰান্দাৰ পৰা হ'লৰ ভিতৰলৈ এটা এচিড বাল্ব দলিয়ায়। এচিড বাল্বটো পৰীক্ষা হ'লত থকা নিৰীক্ষক প্ৰবক্তা শ্ৰীপ্ৰদীপ ৰায় চৌধুৰীৰ ওচৰত মজিয়াত পৰি ফুটি যায়। লগে লগে পৰীক্ষা হ'লৰ ভিতৰৰ প্ৰবক্তা শ্ৰীৰায় চৌধুৰীয়ে দুস্কৃতিকাৰী সকলক খেদি যোৱাত তেওঁলোক দৌৰি পলায়। এইদৰে দৌৰি যাওঁতে আৰু এটা এচিড বাল্ব দলিয়াই থৈ যায়। আৰু অশ্লীল ভাষাৰে ৰায় চৌধুৰীক গালি পাৰে। পৰীক্ষা কেন্দ্ৰৰ গেটত থকা আৰক্ষীক ততালিকে খবৰ দিয়া হয়। আৰক্ষী সকলে লগে লগে দুস্কৃতিকাৰী সকলক বিচাৰি পৰীক্ষা কেন্দ্ৰৰ চৌহদৰ ভিতৰে বাহিৰে তন্ন তন্নকৈ চায় কিন্তু কাকো ধৰিব নোৱাৰিলে। পৰীক্ষা কেন্দ্ৰৰ তথা আৰ্য্যবিদ্যাপীঠ অধ্যক্ষই ভৰলুমুখ আৰক্ষী চকীত ঘটনা

সম্পৰ্কে এজাহাৰ দিয়ে।

আৰক্ষীয়ে বিস্ফোৰক সামগ্ৰী আইনৰ ৩ ধাৰাত ১৫৯।৮৩ গোচৰ ৰুজু কৰি ততালিকে তদন্তৰ ব্যৱস্থা লয়। আৰক্ষীয়ে জনোৱা মতে আৰ্য্য নগৰৰ জনৈক শ্ৰীপুৰঞ্জিৎ চৌধুৰীক এই গোচৰৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা হয়। তেওঁ এই ঘটনাত জড়িত থকা বুলি পুলিচৰ আগত স্বীকাৰোক্তি কৰে। অন্য এজন দুস্কৃতিকাৰী শ্ৰীহিতেশ মেধী বৰ্ত্তমান পলাতক। অন্য দুজন দুস্কৃতিকাৰীক ধৰিব পৰা নাই। বিষয়টো আৰক্ষীৰ তদাধীন হৈ আছে। এই ঘটনাৰ পাছৰ পৰাই আইন শৃংখলা নিয়ন্ত্ৰনৰ বাবে পৰীক্ষাৰ বাকী ছোৱা কালত পৰীক্ষা কেন্দ্ৰৰ বাহিৰে ভিতৰে আৰক্ষীৰ পহৰাৰ ব্যৱস্থা কৰা হয়।

এই ঘটনাৰ পাচত কলেজ ছাত্ৰ একতা সভাৰ দুগৰাকী বিষয়া ৰবিয়াই ঘটনাটো পুলিচক নজনাবলৈ অধ্যক্ষক ভাবুকি দিয়া সম্বন্ধে কোনো প্ৰতিবেদন নাই।

## Matter under Rule 301

Shri Baloram Nog—Mr. Speaker, I raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the 'Dainik Asom' dated 5th September, 1983 under the caption, "সমবায় মৰাপাট কল বন্ধ হোৱাৰ উপক্ৰম"

এই সমবায় কলটো অসমৰ সৰ্ব প্ৰথম সমবায় শিল্প প্ৰতিষ্ঠান আছিল। ইয়াত বহুতো মানুহৰ কৰ্ম সংস্থানৰ কথা আছে। এই সমবায় কলটোৰ যদি অচল অৱস্থা হয় তেন্তে এই লোক সকলৰ ক্ষতি

হোৱাৰ লগতে গোটেই অসমৰ ক্ষতি হব বুলি ভাবো। এই শিল্প প্ৰতিষ্ঠানে কলিয়াব অঞ্চলৰ বহুতো লোকৰ জীৱন নিৰ্বাহৰ পথ মুকলি কৰি দিছে। এই কলটো বন্ধ হৈ গলে বা অচল অৱস্থা হলে অংশীদাৰ সকলৰ বহুত টকা নষ্ট হব। গতিকে এই বিষয়টো সদনত উত্থাপন কৰিলো।

শ্ৰীতিলক গগৈ (সমবায় মন্ত্ৰী)—অসম সমবায় মৰাপাট কলটো ১৯৮১ চনত স্থাপিত হয়। আৰম্ভণীৰ পৰাই প্ৰায় প্ৰতিবছৰে এই ক'লটোৰ একাদিক্ৰমে লোকচান হৈ আছে। যোৱা পাচ বছৰৰ লাভ লোকচানৰ পৰিমাণ এনে ধৰণৰ।

| বছৰ | নগদ লাভ/লোকচান |
|---|---|
| ১৯৭৮—৭৯ | (−) ৩৪.৯৬ লাখ |
| ১৯৭৯—৮০ | (+) ১১.১৩ লাখ |
| ১৯৮০—৮১ | (−) ২৪.২১ লাখ |
| ১৯৮১—৮২ | (−) ৩৫.১৯ লাখ |
| ১৯৮২—৮৩ | (−) ২৮.৩১ লাখ |

ইয়াৰ লগত মূল্যহ্ৰাস (Depreciation) আৰু মূলধনৰ ওপৰত দিব লগীয়া সুতৰ বিবেচনা কৰিলে লোকচানৰ পৰিমাণ আৰু বেছি। মুঠতে ৩০-৬-৮২ ইং তাৰিখলৈ মুঠ লোকচানৰ পৰিমাণ হল ২,৬৫,১০,৯১৭.৪৫ টকা। ১-৭-৮২ ইং তাৰিখৰ পৰা ৩০-৬-৮৩ ইং তাৰিখলৈ এই সময়ছোৱাত মুঠ লোকচানৰ পৰিমাণ হ'ল ৫৬,০৬,০৯৩.৭২ টকা। গতিকে ৩০-৬-৮৩ ইং তাৰিখলৈ মুঠ লোকচানৰ পৰিমান হ'লগৈ ৩,২১,১৭,০১১.২০ টকা।

৩০-৬-৮৩ ইং তাৰিখলৈ বিভিন্ন অনুষ্ঠানৰ পৰা লোৱা ধাৰ আৰু অন্যান্য দেয় এনেধৰণৰঃ—

| অনুষ্ঠান | ধাৰে লোৱা টকা। |
|---|---|
| ১। আই, এফ, চি, আই, | ৭৮,৫০,৩০·০০ টকা |
| ২। ৰাজ্যিক চৰকাৰৰ | ১৫,০০,৩০.০০ টকা |
| ২। চি, চি. একাউণ্ট | ৬৪,৯১,৫৫৩,৫১ টকা। |
| | ১,৫৮,৪১,৫৫৩·৫১ টকা। |
| ৪। চাণ্ড্ৰি ক্ৰেদিটৰছ একাউণ্ট | ৭,১৯,৩৪৮.৫০ টকা। |
| ৫। অনান্য দোষ | ১,১৬,৮২,২৭৩.৮২ টকা। |

যেনে:—

| | | |
|---|---|---|
| 1) | Security deposit Rs.— | 1,92,079·00 |
| 2) | Audit Fees Rs.— | 1,500·00 |
| 3) | Staff P. F. Rs.— | 14,84,231.15 |
| 4) | Sales tax payable to Govt. Rs. | 21,32,412.53 |
| 5) | Purchase tax payable to Govt. Rs.— | 14,06,623.74 |
| 6) | Dues payable to A. S. E. B. Rs— | 52,955.95 |
| 7) | Out Standing liabilities Rs.— | 28.30,505·70 |
| 8) | Interest payable to I. F. C. I. Rs.— | 35,81,965·35 |
| | Total Rs. | 1,16,82,273·43 |

এনে অৱস্থাত আৱশ্যকীয় যন্ত্ৰপাতি কিনা আৰু কেচা সামগ্ৰী বিশেষকৈ মৰাপাট কিনাত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। তথাপিও নানান অসুবিধাৰ মাজতো কেঁচা সামগ্ৰী কিছু সংগ্ৰহ কৰি আৰু যন্ত্ৰপাতিৰ কিছুপৰিমাণে মেৰা মতি কৰি মৰাপাট কলটো চলাই থকা হৈছে।

যোৱা আগষ্ট মাহত মুঠ ১০৯·৭৯ টন সামগ্ৰী কলটোত উৎপাদিত

হয়। লাভ লোকচান নেহোৱাকৈ চলি থাকিবলৈ হলে এই কলটোত মাহে ৪৩৫ টন উৎপাদন হব লাগে।

যিহেতু প্ৰতিবছৰে মিলত লোকচান হৈ আছে ধনৰ অভাৱত যন্ত্ৰপাতি মেৰামতি কৰিবৰ বাবে যাৱতীয় বস্তু আনিব পৰা নাই। আৰ্থিক অনাটনৰ বাবে কৰ্মচাৰী আৰু কৰ্মী সকলক সময়মতে দৰ্মহা দিব পৰা হোৱা নাই। যোৱা জুন মাহৰ দৰ্মহা ১৬ জুলাই আৰু জুলাই মাহৰ দৰ্মহা ১৭ আগষ্টত দিয়া হয়।

যোৱা বছৰ অসম সমবায় মৰাপাট কলৰ কাৰিকৰী দিশৰ জৰীপ কলিকতাৰ এটা কোম্পানীৰ পৰা চলোৱা হৈছিল। উক্ত জৰীপৰ প্ৰতি-বেদন বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

মিলৰ অনুপযুক্ত অৱস্থান, অপৈনত বনুৱা, বজাৰৰ অভাৱ, দক্ষ-পৰিচালনাৰ অভাৱ আদিয়ে এই মিলৰ অৱনতিৰ কাৰণ। এইবোৰ আসোঁৱাহ সময়ে সময়ে আতৰাবলৈ চেষ্টা কৰি থকা হৈছে। কিন্তু প্ৰতিবছৰে হৈ থকা লোকচানৰ পৰিমাণ গধুৰ হোৱা হেতুকে অসুবিধাই দেখা দিছে আৰু মিলৰ আৰ্থিক অৱস্থা দিনে দিনে সঙ্কতাপন্ন হৈ পৰিছে। এনে অৱস্থাত কি ব্যৱস্থা লোৱা হ'ব চৰকাৰে সক্ৰিয় বিবেচনা কৰি আছে।

শ্ৰীহেমেন দাস—চাৰ মই এটা স্পষ্টীকৰণ বিচাৰিছো। মন্ত্ৰী মহোদয়ে যিটো লোকচান দেখুৱাইছে এইটো কেতিয়া ধৰা পৰিছে আৰু যেতিয়া ধৰা পৰিছে তাৰ দূৰীকৰণৰ কাৰণে কি কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰীতিলক গগৈ (সমবায় মন্ত্ৰী)—এই কাৰণ সমূহ চাৰি ধৰণৰ আৰু নিশ্চিত হোৱাৰ পৰা সময়ে সময়ে বিবেচনা কৰা হৈছে কিন্তু কাৰ্য্যত পৰিণত কৰিব পৰা হোৱা নাই। সেই কাৰণেই ব্যৱস্থা লব নোৱাৰা কাৰণে এই অৱস্থালৈ আহিবলগীয়া হৈছে।

শ্ৰীবলোৰাম নাগ—এটা স্পষ্টীকৰণ বিচাৰিছো। এইটো মৰাপাট কল কোন আইনৰ অধীনত চলে?

শ্ৰীতিলক গগৈ (সমবায় মন্ত্ৰী)—কৰপোৰেশ্যন আইনৰ অধীনত।

শ্ৰীবলোৰাম নাগ—অচলাৱস্থা হোৱাৰ কাৰণে কাৰ ওপৰত দোষাৰোপ কৰা হৈছে?

শ্ৰীতিলক গগৈ (সমবায় মন্ত্ৰী)—চাৰিটা অৱস্থাৰ ওপৰত দোষাৰোপ কৰা হৈছে।

শ্ৰীমথুৰা ডেকা—মই এটা স্পষ্টীকৰণ বিচাৰিছো। এই সময়ত মিলত মেনেজিং ডিৰেক্টৰ কোন আছে আৰু এই লোকজনক কিমান বাৰ অদল বদল কৰা হ'ল?

শ্ৰীতিলক গগৈ (সমবায় মন্ত্ৰী)—আৰম্ভনীৰে পৰা মেনেজিং ডিৰেক্টৰ কিমান হ'ল তাৰ হিচাব বৰ্ত্তমান মই দিয়াটো টান হব। মিলৰ যিটো অৱস্থা মেনেজিং ডিৰেক্টৰ হিচাপে কোনো বেছিদিন থাকিবলৈ ইচ্ছা নকৰে।

শ্ৰীমথুৰা ডেকা—কোনে নিয়োগ কৰে।

শ্ৰীতিলক গগৈ (সমবায় মন্ত্ৰী)—চৰকাৰে নিয়োগ কৰে।

শ্ৰীবৰকটউল্লা—এই লোকচানৰ কাৰণে মেনেজিং ডিৰেক্টৰজন দায়ী নে?

মাননীয় অধ্যক্ষ—কোনো কথাখিনি বুজি নাপালে তেতিয়া আন প্ৰশ্ন কৰিব পাৰে।

শ্ৰীবৰকটউল্লা মেনেজিং ডিৰেক্টৰ জন—

মাননীয় অধ্যক্ষ—স্পষ্টীকৰণৰ প্ৰশ্ন নহয়।

শ্ৰীবৰকটউল্লা—প্ৰশাসনীয় দক্ষতা বোলোতে কি কব বিচাৰিছে জনাবনে?

শ্ৰীতিলক গগৈ (সমবায় মন্ত্ৰী)—বোৰ্ড অব ডিৰেক্টৰচ, বিজিনেচ এডভাইচৰি ইত্যাদি।

শ্ৰীমথুৰা ডেকা—যিখন সমবায় মিলে এৰৈকেশ লাখ টকা চেলটেক্স দিব্লৈ বাকী সেইখনৰ কি অৱস্থা বৰ্ত্তমান মন্ত্ৰী মহোদয়ে জনাবনে ?

Mr. Speaker—Order, order, I don't feel there is necessity of any more clarification. The House stands adjourned till 9 a. m. tomorrow Friday, the 16th of September 1983.

## ADJOURNMENT

The House then rose at 5 P. M. and stood adjourned till 6 A. M. on Friday, the 16th September, 1983.

Dispur
The 15th September, 1983.

Shri P. D. Barua
Secretary
Assam Legislative Assembly